শিকন ফলাফলভিত্তিক শিক্ষকৰ হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুল

(মধ্যম স্তৰৰ বাবে)

বিষয়ঃ সমাজ বিজ্ঞান

প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

শিকন ফলাফলভিত্তিক শিক্ষকৰ হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুল

(মধ্যম স্তৰৰ বাবে)

বিষয়ঃ সমাজ বিজ্ঞান

প্ৰস্তুতকৰণ

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

Learning Outcome based Teacher's Handbook and Training Module (শিকন ফলাফলভিত্তিক শিক্ষকৰ হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুল) : A resource material for the middle stage school teachers developed for enhancement of learning of the students.

All Right Reserved: No reproduction in any form of this resource material, in whole or in part may be made without written authorization from S.C.E.R.T., Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, কাহিলিপাৰা, গুৱাহাটী-১৯

প্ৰথম প্ৰকাশ ঃ ২০২৪ ইং চন

প্ৰকাশক ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, কাহিলিপাৰা, গুৱাহাটী-১৯

মুদ্ৰক ঃ

পাতনি

এই পুথিখন শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে এখন হাতপুথি আৰু মডিয়ুল হিচাপে প্ৰস্তুত কৰা হৈছে। পুথিখনত ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ কিছু সংখ্যক শিকন ফলাফল আৰু সেইবোৰৰ লগত জড়িত পৰামৰ্শমূলক ক্ৰিয়া-কলাপ আৰু মূল্যায়ন সংযোজন কৰা হৈছে; যিয়ে নিশ্চয়কৈ শিক্ষক-শিক্ষয়িত্ৰীসকলক ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ শিকন ফলাফলভিত্তিক পাঠ পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰিব। ইয়াৰ বাবে পৰামৰ্শমূলক ক্ৰিয়া-কলাপসমূহ পুথিখনৰ একো একোটা মডিয়ুল হিচাপে লিখি উলিয়াই প্ৰয়োজনীয় সামগ্ৰী আৰু সময় নিৰ্দ্দিষ্ট কৰিবলৈ যত্ন কৰা হৈছে। প্ৰশিক্ষণৰ মডিয়ুল হিচাপে পুথিখনত ৪টা মডিয়ুল আছে। প্ৰয়োজন অনুসৰি তাৰ ভিত্তিত প্ৰশিক্ষকসকলে সত্ৰ পৰিকল্পনা (Session plan) কৰি (অংশগ্ৰহণকাৰীসকলৰ প্ৰয়োজন অনুসৰি) সুকলমে প্ৰশিক্ষণ চলাই নিব পাৰিব।

শিক্ষক-শিক্ষয়িত্ৰীসকলে সমাজ বিজ্ঞান বিষয়ত শিকণ ফলাফলভিত্তিক পাঠদানৰ বাবে হাতপুথিখনৰ পৰা প্ৰয়োজনীয় ক্ৰিয়াকলাপ গ্ৰহণ কৰিব পাৰিব বা তাৰ ভিত্তিত নিজাকৈ ক্ৰিয়াকলাপ প্ৰস্তুত কৰি ল'ব পাৰিব।

এই শিকণ ফলাফলভিত্তিক হাতপুথি আৰু মডিয়ুলখন প্ৰস্তুত কৰাৰ লগত জড়িত ব্যক্তিসকললৈ আন্তৰিক ধন্যবাদ জনালোঁ।

হাতপুথি আৰু মডিয়ুলখনত সন্নিৱিষ্ট কৰা পৰামৰ্শমূলক ক্ৰিয়াকলাপ আৰু মূল্যায়নৰ আহিলাবোৰ কেৱল আৰ্হিহে।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ
পৰিষদ, অসম, কাহিলিপাৰা
গুৱাহাটী-৭৮১০১৯

আগকথা

সাম্প্ৰতিক সময়ৰ বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞান এক গুৰুত্বপূৰ্ণ বিষয়। কিয়নো, ই ছাত্ৰ-ছাত্ৰীসকলক সমাজখনক বুজি পোৱাত আৰু সমালোচনাত্মক চিন্তাধাৰাৰ বিকাশ সাধনত সহায় কৰে। সমাজ বিজ্ঞানৰ বিষয়সমূহ ছাত্ৰ-ছাত্ৰীৰ বোধগম্য আৰু ইয়াক আকৰ্ষণীয় কৰি তোলাত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সমাজ বিজ্ঞানে ইতিহাস, ভূগোল, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিক সামৰি লৈছে, যিয়ে মানুহৰ আচৰণ আৰু সমাজৰ প্ৰভাৱৰ বিষয়ে অন্তৰ্দৃষ্টি প্ৰদান কৰে। এই বিষয়সমূহৰ অধ্যয়নে আমাৰ বৈচিত্ৰ্যময় পৃথিৱীখনত উন্নত সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে আৰু সু-নাগৰিক হিচাপে নিজকে গঢ় দিয়াত সহায় কৰে। সমাজ বিজ্ঞান বিষয়ৰ মূল লক্ষ্যই হৈছে স্থানীয়ৰ পৰা বিশ্ব পৰ্যায়লৈকে মানুহ আৰু সম্প্ৰদায়ে কেনেকৈ কাম কৰে সেই কথা বুজি পোৱাত সহায় কৰা।

এই হাতপুথি আৰু মডিয়ুলটো মধ্যম পৰ্যায়ৰ বাবে প্ৰস্তুত কৰা হৈছে যাতে শিক্ষক-শিক্ষয়িত্ৰীসকলে সমাজ বিজ্ঞানৰ বিষয়ৰ শিকন ফলাফলভিত্তিক পাঠদান প্ৰস্তুত কৰি ল'ব পাৰে। ইয়াৰ লক্ষ্য হৈছে শিকন ফলাফলৰ ওপৰত গুৰুত্ব দি বিষয়টোত শিকনৰ ফলপ্ৰসূ কৰি তোলা। এই হাতপুথি আৰু মডিয়ুলখনৰ দ্বাৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে শিকন-শিক্ষণ প্ৰক্ৰিয়াত শিকণ ফলাফলৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব আৰু সেই অনুসৰি তেওঁলোকে শিকন ফলাফল লাভৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ পাঠদান কৌশল প্ৰস্তুত কৰি ল'ব পাৰিব। শিক্ষক-শিক্ষয়িত্ৰীসকলে আকৌ ছাত্ৰ-ছাত্ৰীসকলৰ শিকন ফলাফল প্ৰাপ্তিৰ ওপৰতো মূল্যায়ন কৰিব পাৰিব।

এই হাতপুথি তথা মডিয়ুলখন প্ৰস্তুত কৰোঁতে অসমৰ 'ৰাষ্ট্ৰীয় কৃতিত্ব জৰীপৰ ৰাজ্যিক প্ৰতিবেদন কাৰ্ড, ২০২১'ৰ পৰা নিম্ন প্ৰদৰ্শনকাৰী শিকন ফলাফলবোৰ বাছি লোৱা হৈছে। তাৰ পিছত এই শিকন ফলাফলবোৰক ক্ষেত্ৰ আৰু ষ্ট্ৰেণ্ডৰ ভিত্তিত শ্ৰেণীভূক্ত কৰা হৈছে। শিকন ফলাফলবোৰক আকৌ শিকন উদ্দেশ্যলৈ লৈ অহা হৈছে যাতে সহজে সকলোৰে বাবে বোধগম্য হৈ উঠে। এটি চমু বৰ্ণনাৰে সৈতে শিকন ফলাফল আৰম্ভ কৰা হৈছে যাৰ ফলত সেই শিকন ফলাফলৰ লগত জড়িত আনুষংগিক বিষয়বোৰ বা তথ্যবোৰ বুজি পোৱাত সহজ হ'ব। পৰামৰ্শমূলক ক্ৰিয়াকলাপবোৰ এনেদৰে সজোৱা হৈছে যাতে প্ৰশিক্ষকৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে ধাৰণাসমূহ অতি সহজে লাভ কৰিব পাৰে আৰু তেওঁলোকে তেওঁলোকৰ শিকন ফলাফলভিত্তিক শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ বাবেও বিভিন্ন ক্ৰিয়া-কলাপ প্ৰস্তুত কৰি ল'ব পাৰে। এই ক্ৰিয়া-কলাপবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাভিত্তিক আৰু আনন্দময় শিকনৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। তদুপৰি NEP 2020 আৰু NCFSE 2023ৰ পৰামৰ্শৰ ভিত্তিত ক্ৰিয়া-কলাপসমূহ প্ৰস্তুত কৰাৰ সময়ত কলাসংহত শিক্ষাবিজ্ঞান আৰু ক্ৰীড়াসংহত শিক্ষা বিজ্ঞানৰ দৰে শিক্ষাৰ নতুন ধাৰাসমূহ সন্নিৱিষ্ট কৰিবলৈ যত্ন কৰা হৈছে।

শিকন ফলাফলভিত্তিক হাতপুথি আৰু মডিয়ুলখন প্ৰস্তুতকৰণৰ আঁৰৰ উদ্দেশ্যবোৰ হ'ল—

- শিক্ষক-শিক্ষয়িত্ৰীসকলক শিক্ষণ ফলাফলভিত্তিক পাঠদানক প্ৰসাৰিতঙ্গ সম্প্ৰসাৰিত কৰাত সহায় কৰা।
- শিক্ষক-শিক্ষয়িত্ৰীসকলক পাঠ্যক্ৰম, পাঠ পৰিকল্পনা আৰু পাঠদান পদ্ধতিসমূহক নিৰ্দ্দিষ্ট শিকন ফলাফলৰ ভিত্তিত প্ৰস্তুত কৰাত সহায় কৰা।
- ছাত্ৰ-ছাত্ৰীসকলৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰয়োজন আৰু ক্ষমতা পূৰণ কৰিবলৈ প্ৰয়োজনীয় পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰা।
- ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমালোচনাত্মক চিন্তাধাৰা, বিশ্লেষণাত্মক দক্ষতা আৰু অনুসন্ধানভিত্তিক শিক্ষণৰ পোষকতাত সহায় কৰা।
- পাঠদানত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ সংহতিৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলক সহায় কৰা।
- শিক্ষক-শিক্ষয়িত্ৰীসকলক এনে ধৰণৰ ক্ৰিয়া-কলাপ বিকশিত কৰাত সহায় কৰা যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শিকন ফলাফল লাভ কৰাত সমনীয়াৰ পৰা সমনীয়ালৈ (Peer to peer), পাৰস্পৰিক ক্ৰিয়া-কলাপ, দলগত কাৰ্য আৰু সহযোগিতামূলক শিকন অভিজ্ঞতাক প্ৰসাৰিত কৰিব।
- শিক্ষক-শিক্ষয়িত্ৰীসকলক শিকন ফলাফল লাভৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰ মূল্যায়ন কৰিবলৈ সক্ষম হ'ব।

গঠনমূলক (Formative) আৰু সাৰাংশমূলক (Summarisation) মূল্যায়ন প্ৰস্তুত কৰাত সহায় কৰা। এইবোৰ উদ্দেশ্য আগত ৰাখি উক্ত হাতপুথি আৰু মডিয়ুলখন প্ৰস্তুত কৰি উলিওৱা হৈছে। আশা কৰা হৈছে যে এই মডিয়ুলে শিক্ষক-শিক্ষয়িত্ৰীসকলক কিছু পৰিমাণে হ'লেও শ্ৰেণীকোঠাত পাঠদান কাৰ্য সম্পাদন কৰাত সহায় কৰিব।

শিকন ফলাফলভিত্তিক শিক্ষকৰ হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুলখন ব্যৱহাৰ সন্দৰ্ভত সমল ব্যক্তিলৈ নিৰ্দেশনা

মধ্যম স্তৰৰ সমাজ বিজ্ঞান বিষয়ৰ ২৩টা শিকন ফলাফলক সামৰি শিক্ষকৰ এই হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুলখন প্ৰস্তুত কৰা হৈছে। শিক্ষাৰ্থীসকলৰ ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে থাকি যোৱা শিকন ঘাটিসমূহ পূৰণ কৰাত সহায়ক হোৱাকৈ বিভিন্ন ক্ৰিয়া-কলাপভিত্তিক সমল ইয়াত সংযোজন কৰা হৈছে। শিক্ষকৰ প্ৰশিক্ষণৰ লগত সংগতি ৰাখি অংশগ্ৰহণকাৰীসকলৰ প্ৰয়োজন (Training need) আৰু আদান-প্ৰদান (Transaction)ৰ সময় অনুসৰি এই হাতপুথি আৰু মডিয়ুলখনৰ ব্যৱহাৰ সন্দৰ্ভত সমল ব্যক্তিয়ে নিম্নলিখিত নিৰ্দেশনাসমূহ মানি চলিব পাৰে—

- কোনো এখন জিলাৰ নিৰ্দ্দিষ্ট শিক্ষাখণ্ডৰ শিক্ষাৰ্থীসকলৰ শিকন ঘাটি অনুসৰি সমল ব্যক্তিয়ে প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় শিকন ফলাফল এই হাতপুথি আৰু মডিয়ুলখনৰ পৰা নিৰ্বাচন কৰি ল'ব পাৰিব।
- ইয়াত শিকন ফলাফলৰ লগত জড়িত এক বা একাধিক ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে যাতে প্ৰশিক্ষণৰ সময় অনুসৰি সমল ব্যক্তিয়ে একাধিক সত্ৰ (Session) পৰিকল্পনা কৰিব পাৰে।
- প্ৰশিক্ষণৰ আৰম্ভণিতে সমল ব্যক্তিয়ে শিকন ফলাফলৰ ওপৰত এক চমু আভাস দিব। তাৰ বাবে সহায়ক হোৱাকৈ উক্ত হাতপুথি আৰু মডিয়ুলখনত প্ৰতিটো শিকন ফলাফলৰ লগত সংগতি ৰাখি কিছু বৰ্ণনা সন্নিৱিষ্ট কৰা হৈছে। লগতে ক্ষেত্ৰ (Domain) আৰু ষ্ট্ৰেণ্ড (Strand)ও সন্নিৱিষ্ট কৰা হৈছে সমল ব্যক্তিয়ে ইয়াৰ বিষয়েও চমু আভাস দিব।
- শিক্ষাৰ্থীসকলৰ শিকন ঘাটি পূৰণ হৈছে নে নাই সেয়া নিশ্চিত কৰিবলৈ ইয়াত দক্ষতাভিত্তিক মূল্যায়নৰ বাবে কিছু প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে। এইসমূহ সমল ব্যক্তিয়ে লগতে অংশগ্ৰহণকাৰীয়ে আৰ্হি হিচাপে ব্যৱহাৰ কৰিব পাৰিব আৰু নিজেও তেনেকুৱা ধৰণৰ প্ৰশ্ন প্ৰস্তুত কৰি ল'ব।

গতিকে সমল ব্যক্তিয়ে প্ৰশিক্ষণৰ সময়ত এনে ধৰণে পদক্ষেপ গ্ৰহণ কৰিলে শিক্ষাৰ্থীসকলৰ শিকন ঘাটি পূৰ কৰাৰ ক্ষেত্ৰত সফলতা লাভ কৰিব। উক্ত হাতপুথি আৰু মডিয়ুলখন সকলোৱে আদৰেৰে গ্ৰহণ কৰিব বুলি আশা থাকিল।

সূচীপত্ৰ

	ক্ষেত্ৰ	ষ্ট্ৰেণ্ড	পৃষ্ঠা নং
ভূগোল	পৃথিৱী	প্ৰাকৃতিক আৰু মানৱ সম্পদ	১-৪
		জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণ	৫-৬
		পৃথিৱীৰ ভূ-অৱয়ব	৭-১০
		দুৰ্যোগ	১১-১৩
		মানচিত্ৰৰ ধাৰণা	১৪-১৭
		পৃথিৱীৰ জলভাগ আৰু স্থলভাগ	১৮-১৯
		পৃথিৱীৰ আকাৰ আৰু আকৃতি	২০-২৩
ইতিহাস	আমাৰ অতীত আৰু ঐতিহ্য	উৎসৰ ব্যৱহাৰ	২৪-২৫
		বৃটিছ শাসনকালৰ ভাৰতীয় অৰ্থনীতি	২৬-২৮
		বৃটিছ শাসনকালৰ ভাৰতীয় সমাজ ব্যৱস্থা	২৯-৩০
		১৮৫৭ চনৰ বিদ্ৰোহ	৩১-৩২
		প্ৰাচীন ভাৰতৰ ৰাজবংশসমূহ	৩৩-৩৫
		প্ৰাচীন ভাৰতৰ সাহিত্যিক সমল	৩৬-৩৭
		দক্ষিণ ভাৰতৰ ৰাজবংশসমূহ	৩৮-৩৯
অৰ্থনীতি বিজ্ঞান	আমাৰ আৰ্থ-সামাজিক জীৱন	বজাৰ	৪০-৪১
		জনসংযোগ মাধ্যম	৪২-৪৩
		কৃষি	৪৪-৪৭
ৰাজনীতি বিজ্ঞান	আমাৰ ৰাজনৈতিক জীৱন	শাসন ব্যৱস্থা	৪৮-৫৩
		ভাৰতৰ সংবিধান	৫৪-৬০
		লিঙ্গ বৈষম্য	৬১-৬৫

ভূগোল খণ্ড

১। ক্ষেত্ৰ (Domain)ঃ পৃথিৱী

ষ্ট্ৰেণ্ড (Strand) ঃ প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদ

শিকন ফলাফল ঃ প্ৰাকৃতিক সম্পদৰ যথোচিত ব্যৱহাৰ কৰিব পৰা

শিকন উদ্দেশ্য ঃ
- প্ৰাকৃতিক সম্পদ সন্দৰ্ভত সম্যক ধাৰণা লাভ কৰিব পৰা।
- সম্পদ সংৰক্ষণৰ কৌশল আয়ত্ব কৰিব পৰা।
- প্ৰাকৃতিক সম্পদ সংৰক্ষণ, যথোপযুক্ত ব্যৱহাৰ সম্পৰ্কে অৱগত হোৱা।
- সম্পদ সংৰক্ষণ সন্দৰ্ভত সজাগতাৰ সৃষ্টি কৰিব পৰা।

আনুমানিক সময়ঃ ৩০ মিনিট

বৰ্ণনা ঃ

প্ৰকৃতিত পোৱা আৰু মানুহৰ জীৱনত কামত অহা সকলোবোৰ উপাদানকে প্ৰাকৃতিক সম্পদ বুলি কোৱা হয়। মাটি, পানী, বতাহ, সূৰ্যৰ তাপ, পোহৰ, উদ্ভিদ, বন্য প্ৰাণী আদি প্ৰাকৃতিক সম্পদৰ উদাহৰণ।

চিত্ৰ ১ঃ প্ৰাকৃতিক সম্পদ আৰু ইয়াৰ উপাদানসমূহ

প্ৰাকৃতিক সম্পদৰ প্ৰকাৰঃ প্ৰাকৃতিক সম্পদ দুই প্ৰকাৰৰ। তলত প্ৰাকৃতিক সম্পদৰ এখন ধাৰণা চিত্ৰ দেখুওৱা হ'ল—



প্ৰাকৃতিক সম্পদৰ উপাদান, যেনে - মাটি, পানী, বায়ু, তাপ, পোহৰ, উদ্ভিদ, জীৱ-জন্তু আদিৰ মাজত আন্তঃ সম্পৰ্ক আছে। মানুহ আৰু প্ৰকৃতিৰ সু-সমন্বয় আৰু ভাৰসাম্য অৱস্থা বিৰাজ কৰি থাকিলেহে উপযুক্ত ৰূপত প্ৰাকৃতিক সম্পদসমূহ সংৰক্ষিত হ'ব আৰু মানুহে ইয়াৰ সফল প্ৰয়োগ কৰিব পাৰিব। সেয়েহে প্ৰাকৃতিক সম্পদৰ সদ্‌ব্যৱহাৰৰ বাবে এক উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন। সম্পদৰ সফল প্ৰয়োগৰ বাবে নিম্নোক্ত দিশসমূহত গুৰুত্ব আৰোপ কৰা প্ৰয়োজন—

(ক) সম্পদৰ চিনাক্তকৰণ আৰু মূল্যাংকন।
(খ) সম্পদ সংৰক্ষণৰ স্পষ্ট লক্ষ্য নিৰ্দ্ধাৰণ।
(গ) সম্পদৰ সফল প্ৰয়োগৰ হকে আঁচনি যুগুত কৰা।
(ঘ) প্ৰযুক্তিৰ ফলপ্ৰসূ প্ৰয়োগ।
(ঙ) সম্পদ বৃদ্ধি আৰু সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ।
(চ) সম্পদ সংৰক্ষণৰ হকে বহনক্ষম উন্নয়নৰ ব্যৱস্থা।
(ছ) সম্পদ সংৰক্ষণৰ প্ৰশিক্ষণ আৰু মূল্যায়ন।
(জ) সম্পদভিত্তিক পৰ্যবেক্ষণ আৰু প্ৰতিপুষ্টিভিত্তিক ব্যৱস্থা গ্ৰহণ।

তলত দিয়া চিত্ৰখনৰ সহায়ত পৰিৱেশৰ উপাদানসমূহৰ পাৰস্পৰিক প্ৰভাৱ আৰু নিৰ্ভৰশীলতা দেখুওৱা হ'ল—



চিত্ৰ ২ঃ পৰিৱেশৰ উপাদানসমূহৰ পাৰস্পৰিক প্ৰভাৱ আৰু নিৰ্ভৰশীলতা

(সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ৫ 'সম্পদ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) অক্ষয় সম্পদ আৰু ক্ষয়িষ্ণু সম্পদ চিনাক্ত কৰি খালী ঠাই পূৰণ কৰিব।

চিত্ৰ ৩ উৎসঃ Wikimedia

চিত্ৰ ৪ উৎসঃ Pixabay

(ক) --------------------------------- (খ) ---------------------------------

চিত্ৰ ৫ উৎসঃ Pixabay

চিত্ৰ ৬ উৎসঃ Pixabay

(গ) --------------------------------- (ঘ) ---------------------------------

(২) তলত দিয়া তালিকাখনৰ নিচিনাকৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ একোখনকৈ তালিকা প্ৰস্তুত কৰিবলৈ দিব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচি

প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা		
পানী সংৰক্ষণৰ বাবে	**শক্তি সংৰক্ষণৰ বাবে**	**ভূমি সংৰক্ষণৰ বাবে**
• বৰষুণৰ পানী জমা কৰি পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা। • ঘৰুৱা আৰু ঔদ্যোগিক উভয় ক্ষেত্ৰতে পানী ব্যৱহাৰত মিতব্যয়ী হোৱা।	• সৌৰশক্তি, পৰমাণু শক্তি আদি বৈকল্পিক শক্তি সম্পদক দৈনন্দিন প্ৰয়োজনীয় শক্তি হিচাপে ব্যৱহাৰ কৰা। • শক্তি আহৰণত ইন্ধনৰ অপব্যয় নকৰা। • উত্তম, কৰ্মক্ষম ইন্ধন ব্যৱহাৰ কৰা। • যথাসম্ভৱ কম পৰিমাণে জীৱাশ্ম ইন্ধন ব্যৱহাৰ কৰা।	• প্ৰাকৃতিকভাৱে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি প্ৰয়োজনীয় খাদ্য শস্য উৎপাদন কৰা। • ভূমিক্ষয় প্ৰতিৰোধী উদ্ভিদ ৰোপণ কৰা।

তালিকা ১

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া—

(ক) কয়লা কোন শ্ৰেণীৰ সম্পদ?

(i) অক্ষয় সম্পদ (ii) ক্ষয়িষ্ণু সম্পদ (iii) মানৱ সম্পদ (iv) সাম্ভাব্য সম্পদ

(খ) সম্পদবোৰ সাৱধানে ব্যৱহাৰ কৰা আৰু সেইবোৰক নৱীকৰণ হ'বলৈ সময় দিয়াক কি বুলি কোৱা হয়?

(i) বহনক্ষম উন্নয়ন (ii) মানৱ সম্পদ বিকাশ (iii) সম্পদ মজুতকৰণ (iv) সম্পদ সংৰক্ষণ

(গ) প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত তলত দিয়া কোনটো শুদ্ধ?

(i) প্ৰাকৃতিক সম্পদ কেতিয়াও শেষ হৈ নাযায়।

(ii) প্ৰাকৃতিক সম্পদ কেৱল ভূমিৰ পৰাহে লাভ কৰিব পাৰি।

(iii) কিছুমান প্ৰাকৃতিক সম্পদ আমাৰ বাবে ক্ষতিকাৰক।

(iv) বায়ু আৰু পানী অখনিজ সম্পদৰ অন্তৰ্গত।

(২) অক্ষয় সম্পদ আৰু ক্ষয়িষ্ণু সম্পদৰ পাৰ্থক্য বিচাৰি উলিয়াই তলৰ তালিকাখন প্ৰস্তুত কৰা—

অক্ষয় সম্পদ	ক্ষয়িষ্ণু সম্পদ

(৩) দলগত কাৰ্য ঃ তোমাৰ বাসস্থানৰ চৌপাশে থকা প্ৰাকৃতিক সম্পদসমূহৰ নাম সংৰক্ষণ কৰি তলৰ তালিকাখন পূৰ কৰা—

প্ৰাকৃতিক সম্পদৰ নাম	কেনেকৈ সংৰক্ষণ কৰিব?	কি কামত আহিব?

২। ক্ষেত্ৰ (Domain) ঃ পৃথিৱী

ষ্ট্ৰেণ্ড (Strand) ঃ জনসংখ্যাৰ বিতৰণ

শিকন ফলাফল ঃ দণ্ডচিত্ৰৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন দেশৰ/ ভাৰতৰ/ ৰাজ্যৰ জনসংখ্যাৰ বিতৰণ প্ৰতিফলিত কৰা

শিকন উদ্দেশ্য ঃ

- দণ্ডচিত্ৰৰ যথাৰ্থ ৰূপত ব্যাখ্যা কৰিব পৰা।
- দণ্ডচিত্ৰত জনসংখ্যা বিতৰণৰ উপস্থাপন কৰিব পৰা।
- জনসংখ্যাৰ তথ্যসমূহৰ শ্ৰেণীবিভাজন আৰু তুলনা কৰিব পৰা।

আনুমানিক সময়ঃ ২০ মিনিট

বৰ্ণনা ঃ

জনসংখ্যা বিতৰণ বুলিলে একোটা নিৰ্দিষ্ট স্থানত জনসংখ্যাৰ সংখ্যাগতভাৱে সিঁচৰতি হৈ থকাটোকে সূচায়। জনসংখ্যা বিতৰণৰ দিশটোক বিভিন্ন ধৰণে প্ৰকাশ কৰিব পৰা যায়। তেনে এক মাধ্যম হ'ল— দণ্ডচিত্ৰ। এনে দণ্ডচিত্ৰৰে জনসংখ্যা বিতৰণ ব্যাখ্যা কৰাৰ বহুতো দিশত প্ৰয়োজনীয়তা আছে। যেনে—

(ক) জটিল পৰিসংখ্যাক সৰলীকৰণ কৰি বুজাব পৰা যায়।

(খ) দণ্ডচিত্ৰৰ দণ্ডসমূহে দৈৰ্ঘ্য বা উচ্চতাৰ জৰিয়তে বিশেষ মূল্যাংক আৰু প্ৰতিডাল দণ্ডই সুকীয়া বিভাজন সূচায়।

(গ) দণ্ডচিত্ৰক তুলনামূলকভাৱে অধ্যয়ন কৰিব পৰা যায়। ইয়াৰ জৰিয়তে একোটা শিকনীয় দিশৰ ধাৰা, বৈষম্য আৰু বৈশিষ্ট্যক বুজাব পৰা যায়। সামগ্ৰিকভাৱে, দণ্ডচিত্ৰৰ আলমত প্ৰকাশ কৰিব খোজা স্থিতি চিত্ৰৰ মাধ্যমত সহজে বুজা যায়। (অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ ভূগোল আৰু অৰ্থনীতি বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২ 'জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণ'ৰ সহায়ত)।

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলত দিয়া দণ্ডচিত্ৰটোৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন দেশৰ জনসংখ্যাৰ বিতৰণ (নিযুতত) দেখুওৱা হৈছে। ইয়াত জনসংখ্যাক উলম্ব আৰু দেশক আনুভূমিক দিশত দেখুওৱা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণৰ ধাৰা পৰ্যবেক্ষণ কৰিবলৈ দিব আৰু দণ্ডচিত্ৰটোৰ পৰা সৰ্ব্বোচ্চ বৃদ্ধি আৰু সৰ্বনিম্ন বৃদ্ধিৰ দেশ বাছি উলিয়াবলৈ দিব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী



চিত্ৰ ৭

মূল্যায়নঃ

(১) তলৰ দণ্ডচিত্ৰটোত বিভিন্ন লোকপিয়লৰ ভিত্তিত ভাৰতৰ জনসংখ্যা (কোটি হিচাপত) দেখুওৱা হৈছে। দণ্ডচিত্ৰটো নিৰীক্ষণ কৰি তাৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰ বাছি উলিওৱা।



চিত্ৰ ৮

(ক) ১৯৭১ চনৰ পৰা ১৯৮১ চনলৈ শতকৰা জনসংখ্যাৰ বৃদ্ধিৰ হাৰ কিমান হ'ল?

(i) ২৪.৮ % (ii) ২০ % (iii) ১৬.৭% (iv) ২২.৯ %

(খ) আগৰ বছৰৰ লোকপিয়লৰ তুলনাত কোনটো বছৰৰ লোকপিয়লৰ জনসংখ্যাৰ শতকৰা বৃদ্ধিৰ হাৰ সৰ্বাধিক?

(i) ১৯৫১ (ii) ১৯৬১ (iii) ১৯৭১ (iv) ১৯৮১

(গ) কোনটো লোকপিয়লত জনসংখ্যাৰ শতকৰা বৃদ্ধিৰ হাৰ আগৰ বছৰৰ লোকপিয়লৰ তুলনাত কম?

(i) ১৯৬১ (ii) ১৯৫১ (iii) ১৯৭১ (iv) ১৯৪১

(২) তলৰ তালিকাখনত ভাৰতৰ প্ৰধান মহানগৰকেইখনমানৰ মুঠ জনসংখ্যা (২০১১ চনৰ লোকপিয়ল অনুসৰি) দেখুওৱা হৈছে। ইয়াক দণ্ডচিত্ৰত উপস্থাপন কৰা।

(ক) কোটিৰ হিচাপত কিমানখন মহানগৰত জনসংখ্যা বৃদ্ধি পাইছে?

(খ) মুম্বাই আৰু কলকাতাৰ মাজত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ তুলনা কৰা।

মহানগৰৰ নাম	**মুঠ জনসংখ্যা**
মুম্বাই	১,৬৪,৩৪,৩৮৬
কলকাতা	১,৩২,০৫,৬৯৭
নতুন দিল্লী	১,২৮,৭৭,৪৭০
চেন্নাই	৬৫,৬০,২৪২
বাংগালুৰু	৫৭,০১,৪৪৬

তালিকা ২

(৩) দলগত কাৰ্যঃ

দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ বিতৰণ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বক্তৃতা / আলোচনা অনুষ্ঠিত কৰিব।

৩। ক্ষেত্ৰ (Domain) ঃ পৃথিৱী

ষ্ট্ৰেণ্ড (Strand) ঃ পৃথিৱীৰ ভূ-অৱয়ব

শিকন ফলাফল ঃ ভূ-অৱয়ব গঠন কৰা বাহ্যিক আৰু আভ্যন্তৰীণ প্ৰক্ৰিয়া সম্পৰ্কে বুজিব পাৰিব।

শিকন উদ্দেশ্য ঃ
- ভূ-অৱয়ব সম্পৰ্কে ধাৰণা লাভ কৰা।
- ভূ-অৱয়ব গঠন কৰা বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকসমূহ চিনাক্ত কৰিব পৰা।
- টেক্‌ট'নিক প্লেট (Techtonic plate) আৰু ফলকৰ গতি সম্পৰ্কে ধাৰণা লাভ কৰা।

আনুমানিক সময়ঃ ৪০ মিনিট

বৰ্ণনা ঃ

পৃথিৱীৰ খোলাত বা প্লেটসমূহৰ আভ্যন্তৰীণ ক্ৰিয়াৰ ফলত প্লেটসমূহৰ মাজত হেঁচা-ঠেলা বা টনা-আজোৰাৰ সৃষ্টি হয় আৰু জোকাৰণি হয়। ইয়াকে ভূ-আন্দোলন বুলি কোৱা হয়। এনে ভূ-আন্দোলনৰ ফলত পৃথিৱীৰ খোলাটোৰ কোনো কোনো অংশ তললৈ বহি যায় বা কোনো কোনো অংশ ওপৰলৈ উঠি আহে। ওপৰলৈ উঠি অহাৰ ফলত পৰ্বত-পাহাৰ, মালভূমি বা আন উচ্চভূমি গঠন হয়। আকৌ, এনে ভূ-ভাগ তললৈ বহি গ'লে সাগৰ, মহাসাগৰ, হ্ৰদ বা আন জলভাগ গঢ়ি তোলে।

এনে টেক্‌টনিক প্লেটসমূহক তিনিটা ভাগত ভগোৱা হৈছে—

(১) যেতিয়া এখন ফলক আন এখন ফলকৰ ওপৰেদি উঠি যায়, তেতিয়া ওখ পৰ্বতৰ সৃষ্টি হয়। হিমালয় এনে শ্ৰেণীৰ পৰ্বত।

(২) যেতিয়া দুখন ফলক এখন আন ফলকৰ কাষেৰে মেগমাৰে সৈতে পাৰ হৈ কাষেৰে গুচি যায়, তেনে গতিৰ এক মধ্য শৈলসিৰাৰ সৃষ্টি হয়। যেনে - মধ্য আটলাণ্টিক শৈলসিৰা।

(৩) যেতিয়া দুখন ফলকে এখনে আনখনক আনুভূমিকভাৱে ঠেলি পঠিয়ায়, তেতিয়া প্ৰৱল খুন্দা আৰু চাপৰ ফলত ভূমিকম্পৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে কেলিফোৰ্নিয়াৰ চেন এব্ৰিছ চ্যুতি এনেদৰে সৃষ্টি হোৱা চ্যুতি। পৃথিৱীৰ উপৰিভাগৰ ফলকসমূহ গতি কৰাৰ ফলশ্ৰুতিৰ বহুতো পৰিঘটনা ঘটা দেখা যায়। সেয়া হ'ল— ভূমিকম্প, আগ্নেয়গিৰীৰ উদ্‌গীৰণ, পৰ্বত গঠন, সাগৰ বা নিম্নাংশৰ উৎপত্তিৰে জলভাগৰ সৃষ্টি, সাগৰীয় খাতৰ সৃষ্টি, মহাদেশীয় বিস্থাপন আৰু ফলকৰ গতি ত্বৰাণিত হোৱা।

বাহ্যিক কাৰকঃ পৃথিৱীৰ উপৰিভাগত ৰ'দ, বতাহ, বৰষুণ, ধুমুহা, হিমবাহ, সাগৰীয় সোঁত, জলভাগৰ গতি (যেনে - নদী, বোৱতী পানী, উপনৈ আদি) আদি কাৰকে ভূ-পৃষ্ঠৰ উপৰিভাগত পৰিৱৰ্তন সাধন কৰি আছে। এনে পৰিৱৰ্তনসমূহৰ ফলত পৃথিৱীৰ উপৰিভাগত উচ্চস্থান বা নিম্নস্থানৰ সৃষ্টি হয়। (ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ৬ 'পৃথিৱীৰ প্ৰধান ভূ-অৱয়ব'ৰ সহায়ত)

উৎসঃ Image by brgfxon Freepik)

চিত্ৰ ৯ ঃ বাহ্যিক কাৰকে ক্ৰিয়া কৰা স্থল আৰু জলভাগৰ অৱয়বসমূহ

আভ্যন্তৰীণ কাৰকঃ ভূত্বকৰ তলত থকা উত্তপ্ত, অৰ্দ্ধগলিত মেগমাৰ ওপৰত ফলকসমূহ আছে। ভূ-আন্দোলনৰ ফলত এই ফলকসমূহ লৰচৰ কৰে আৰু পৃথিৱীৰ উপৰিভাগত কঁপনিৰ সৃষ্টি কৰে। পৃথিৱীৰ উপৰিভাগত ইয়াক ভূমিকম্প বুলি কওঁ। এনে ভূ-আন্দোলনৰ ফলত কেতিয়াবা আকৌ ভূত্বকৰ ফাকেদি ভূগৰ্ভৰ পৰা উত্তপ্ত গলিত শিল, ধাতু, ধোঁৱা আদি বেগেৰে বাহিৰ হৈ পৃথিৱীৰ উপৰিভাগলৈ ওলাই আহে আৰু আগ্নেয়গিৰিৰ সৃষ্টি কৰে। এনেদৰে আভ্যন্তৰীণ কাৰকে পৃথিৱীৰ উপৰিভাগত বহুতো পৰিৱৰ্তন সাধে। কোনোবা এলেকাত উত্থিত হৈ যেনেকৈ পৰ্বত, মালভূমি আদি সৃষ্টি কৰে, তেনেদৰে কোনোবা অঞ্চল বহি গৈ হ্ৰদ, নদী আদি অৱয়বৰো সৃষ্টি কৰে।

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

১। ছাত্ৰ-ছাত্ৰীসকলে তলত দিয়া টেক্‌ট’নিক প্লেটৰ বিতৰণৰ মানচিত্ৰখন চাই একোখনকৈ মানচিত্ৰ অংকণ কৰিব।



চিত্ৰ ১০(ক)ঃ পৃথিৱীত টেক্‌ট’নিক প্লেটৰ বিতৰণ

২। ছাত্ৰ-ছাত্ৰীসকলে তলত দিয়া টেক্‌ট'নিক প্লেট মডেলৰ চিত্ৰখনৰ আৰ্হিত একোখনকৈ ছবি অংকণ / এটা মডেল প্ৰস্তুত কৰি প্ৰদৰ্শন আৰু উপস্থাপন কৰিব।



চিত্ৰ ১০(খ)ঃ টেক্‌ট'নিক প্লেট

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(৩) ছবি চাই ভূ-অৱয়ববোৰ চিনাক্ত কৰিব দিব।

উৎসঃ Wikimedia

চিত্ৰ ১১

(ক)-----------------------------

উৎসঃ Wikimedia

চিত্ৰ ১২

(খ)-----------------------------

চিত্ৰ ১৩ উৎসঃ Wikimedia

(গ)-----------------------------

চিত্ৰ ১৪ উৎসঃ Wikimedia

(ঘ)-----------------------------

(৪) তলত দিয়া ছবিখনৰ ভিত্তিত নদী, হ্ৰদ, সাগৰ আদি বাহ্যিক কাৰকে কি কি অৱয়বৰ সৃষ্টি কৰে লিখিব দিব।



উৎসঃ Image by brgfxon Freepik)

চিত্ৰ ১৫

(ক)....................................
(খ)....................................
(গ)....................................
(ঘ)....................................
(ঙ)....................................
(চ)....................................
(ছ)....................................
(জ)....................................

(৫) ভূ-অৱয়ব গঠন কৰা বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকবোৰ তলৰ তালিকাখনত লিখা।

বাহ্যিক কাৰক	আভ্যন্তৰীণ কাৰক

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) প্ৰাকৃতিকভাৱে থকা অতি ওখ ঠাইক কি বুলি কোৱা হয়?

(i) মালভূমি (ii) উপত্যকা (iii) পৰ্বত (iv) সমভূমি

(খ) পাহাৰতকৈ পৰ্বত বেলেগ হোৱাৰ মূল কাৰণ কি?

(i) উচ্চতা (ii) ঢাল (iii) গঠন প্ৰক্ৰিয়া (iv) অৱস্থান

(গ) হিমবাহ ক'ত পোৱা যায়?

(i) সমভূমিত (ii) মালভূমিত (iii) মৰুভূমিত (iv) পৰ্বতত

(২) খালী ঠাই পূৰ কৰা—

(ক) ৰ'দ, বতাহ, বৰষুণ আদিৰ ফলত ভূ-অৱয়বৰ পৰিবৰ্তন হ'লে তাক --------- প্ৰক্ৰিয়াৰ দ্বাৰা পৰিৱৰ্তন হোৱা বুলি কোৱা হয়।

(খ) হিমালয় আৰু আল্পচ্ একোখন ----------- পৰ্বত।

(গ) বোৱতী পানীৰ সোঁতে --------- সৃষ্টিত সহায় কৰে।

(ঘ) ভূ-আন্দোলনৰ ফলত যি অংশ ওপৰলৈ উঠি আহি পৰ্বত হয় তাক --------- বোলে।

(৩) দলগত কাৰ্য

তলত দিয়া প্ৰকাৰবোৰৰ ওপৰত ভিত্তি কৰি পৰ্বত, মালভূমি আৰু সমভূমিৰ তথ্যৰে তালিকাখন পূৰ কৰা।

প্ৰকাৰ	পৰ্বত	মালভূমি	সমভূমি
উচ্চতা			
বৈশিষ্ট্য			
সৰ্ব্বোচ্চ/সৰ্ববৃহৎ			
নাম/উদাহৰণ			

৪। ক্ষেত্ৰ (Domain) ঃ পৃথিৱী

ষ্ট্ৰেণ্ড (Strand) ঃ দুৰ্যোগ

শিকন ফলাফল ঃ প্ৰাকৃতিক দুৰ্যোগ কি, দুৰ্যোগৰ প্ৰশমন আৰু আমাৰ কৰণীয় সন্দৰ্ভত বুজি পাব আৰু সচেতনতা গঢ়ি উঠিব।

শিকন উদ্দেশ্য ঃ

- বিভিন্ন প্ৰকাৰৰ প্ৰাকৃতিক দুৰ্যোগ, যেনে- ভূমিকম্প, বানপানী, খৰাং, ভূমিস্খলন, বনজুই, ধুমুহা, বা-মাৰলি আদিৰ বিষয়ে অৱগত হোৱা।
- এনে দুৰ্যোগসমূহৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী প্ৰভাৱকে ধৰি জীৱজগত, অৰ্থনীতি আৰু পৰিৱেশৰ ওপৰত প্ৰাকৃতিক দুৰ্যোগৰ প্ৰভাৱ সম্পৰ্কে বিশ্লেষণ কৰিব পৰা।
- দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰাথমিক চিকিৎসা ব্যৱস্থাৰ লগতে দুৰ্যোগৰ পূৰ্ণ প্ৰস্তুতি আৰু সঁহাৰি কৌশলৰ ৰূপৰেখা তৈয়াৰ কৰিব পৰা।
- দুৰ্যোগ প্ৰশমন বিধি ব্যৱস্থা সম্পৰ্কে অৱগত হোৱা।

আনুমানিক সময়ঃ ৪০ মিনিট

বৰ্ণনা ঃ

দুৰ্যোগ হ'ল অপ্ৰত্যাশিত হঠাতে ঘটা প্ৰাকৃতিক বা কৃত্ৰিম ঘটনা- যিয়ে প্ৰাকৃতিক পৰিৱেশৰ স্থায়ী সাল-সলনি, জীৱ-জন্তু আৰু সা-সম্পত্তিৰ ক্ষতি সাধন কৰে। দুৰ্যোগ প্ৰধানতঃ দুই প্ৰকাৰৰ— প্ৰাকৃতিক আৰু মানৱসৃষ্ট।
আকস্মিকভাবে ঘটি যোৱা একোটা ঘটনা-পৰিঘটনাই প্ৰাকৃতিক দুৰ্যোগ। এনে দুৰ্যোগৰ ফলত মানুহ, সম্পত্তি, আন্তঃগাঁথনি আৰু পৰিৱেশ বিনষ্ট হয়। এনে দুৰ্যোগ প্ৰাকৃতিক অথবা মানৱসৃষ্ট হ'ব পাৰে। এনে দুৰ্যোগ ক্ষুদ্ৰ পৰিমাণৰ পৰা বৃহৎ পৰিমাণৰ হ'ব পাৰে। এনে দুৰ্যোগ হ'লে দুৰ্যোগ প্ৰশমন আৰু পৰৱৰ্তী সাৱধানতা আৰু সচেতন হোৱা অতিকে প্ৰয়োজন। দুৰ্যোগ সংঘটিত হোৱা কাৰণ ইয়াৰ বৈশিষ্ট্য আৰু প্ৰকৃতি লৈ বেলেগ বেলেগ হ'ব পাৰে।

(ক) প্ৰাকৃতিক দুৰ্যোগৰ উদাহৰণ—

উৎসঃ Pixabay
চিত্ৰ ১৬ঃ ভূমিকম্প

উৎসঃ Pixabay
চিত্ৰ ১৭ঃ আগ্নেয়গিৰি

(গ) জলসম্পৰ্কীয় দুৰ্যোগৰ উদাহৰণ—

উৎসঃ Pixabay
চিত্ৰ ১৮ঃ চুনামী

উৎসঃ Pixabay
চিত্ৰ ১৯ঃ বানপানী

(খ) বায়বীয় দুৰ্যোগৰ উদাহৰণ—

উৎসঃ Pixabay
চিত্ৰ ২০ঃ ধুমুহা

(ঘ) জৈৱিক দুৰ্যোগৰ উদাহৰণ—

উৎসঃ Pixabay
চিত্ৰ ২১ঃ ক'ভিড ভাইৰাছ সংক্ৰমণ

দুৰ্যোগ পৰিচালনা ঃ-

দুৰ্যোগ পৰিচালনা বিষয়টি দুৰ্যোগ প্ৰশমন কৰা, বাধা দিয়া, দুৰ্যোগৰ মুখামুখি হ'ব পৰা আৰু পুনৰুদ্ধাৰৰ দিশসমূহ সামৰি লয়। ইয়াৰ বাবে গ্ৰহণীয় ব্যৱস্থাৱলী এনেধৰণৰ—

(ক) দুৰ্যোগত আক্ৰান্ত মানুহ বা অঞ্চল চিহ্নিত কৰা।

(খ) আগন্তুক কালত দুৰ্যোগৰ সৈতে মুখামুখি বা এৰাই চলিব পৰাকৈ প্ৰস্তুত কৰা।

(গ) দুৰ্যোগত আক্ৰান্ত অঞ্চলত সংশয় বা দুৰ্যোগ প্ৰশমিত কৰা সন্দৰ্ভত কাৰ্যব্যৱস্থা গ্ৰহণ কৰা।

(ঘ) পৰিৱেশসন্মত ব্যৱস্থাৰ বাবে প্ৰাথমিক সহযোগিতাৰ লগতে সংৰক্ষণ, সঞ্চয় আৰু পৰিৱেশ সন্মত অভিযোজন গঢ়ি তোলা।

(ঙ) মানুহৰ মাজত সচেনতা বা সঁহাৰি আৰু সাৱধানতা সূচক ব্যৱস্থা গ্ৰহণ কৰা।

দুৰ্যোগ ব্যৱস্থাপনাঃ-

আমি প্ৰাকৃতিক দুৰ্যোগ ৰোধ বা বন্ধ কৰিব নোৱাৰো; কিন্তু ইয়াৰ ক্ষয়-ক্ষতিৰ পৰিমাণ কিছু পৰিমাণে হ্ৰাস কৰিব পাৰোঁ। দুৰ্যোগ প্ৰশমনৰ বাবে লোৱা এনে ব্যৱস্থাৱলীকে আমি দুৰ্যোগ ব্যৱস্থাপনা বুলি কওঁ। ১৯৮৭ চনত ৰাষ্ট্ৰসংঘই দুৰ্যোগৰ ক্ষয়-ক্ষতি লাঘৱ কৰাৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। এনে প্ৰস্তাৱ অনুসৰি ১৯৯০-২০০০ৰ দশকটোক প্ৰাকৃতিক দুৰ্যোগ হ্ৰাসকৰণৰ আন্তৰ্জাতিক দশক হিচাপে ঘোষণা কৰা হৈছিল। এই প্ৰস্তাৱৰ কেইটিমান উল্লেখ্য দফা হ'ল—

(ক) প্ৰতিখন ৰাষ্ট্ৰৰে প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী দিয়াৰ সামৰ্থ্য বৃদ্ধি কৰা।

(খ) প্ৰাকৃতিক দুৰ্যোগৰ ফলত হ'ব পৰা ক্ষয়-ক্ষতিৰ হ্ৰাসকৰণ আৰু এইবোৰৰ পূৰ্বাভাস দিয়াৰ ক্ষেত্ৰত বিজ্ঞানসন্মত ব্যৱস্থাৰ প্ৰসাৰ ঘটোৱা।

(গ) প্ৰাকৃতিক দুৰ্যোগৰ বিশ্লেষণ, প্ৰতিৰোধ, সমাধান আৰু পূৰ্বাভাস দিয়াৰ ক্ষেত্ৰত সম্ভৱ হব পৰা ব্যৱস্থাৰ প্ৰসাৰ ঘটোৱা।

(ঘ) প্ৰাকৃতিক দুৰ্যোগ নিৰাময় কৰাৰ নীতি-নিৰ্দেশনা আৰু প্ৰদৰ্শনীমুখী প্ৰকল্প ৰচনা কৰা।

চিত্ৰ ২২ ঃ দুৰ্যোগ নিয়ন্ত্ৰণ চক্ৰ

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছবি চাই প্ৰাকৃতিক দুৰ্যোগবোৰ চিনাক্ত কৰিব দিব।

উৎসঃ Pixabay

চিত্ৰ ২৩

(ক)-------------------------

উৎসঃ Pixabay

চিত্ৰ ২৪

(খ)-------------------------

উৎসঃ Pixabay

চিত্ৰ ২৫

(গ)-------------------------

উৎসঃ Pixabay

চিত্ৰ ২৬

(ঘ)-------------------------

(২) নিজ নিজ অঞ্চলত সন্মুখীন হোৱা প্ৰাকৃতিক দুৰ্যোগবোৰৰ নাম লগতে এই দুৰ্যোগবোৰ প্ৰতিৰোধ কৰিবৰ বাবে কি কি ব্যৱস্থা হাতত ল'ব—এই তথ্যবোৰৰ ভিত্তিত তলৰ তালিকাখন পূৰ কৰিব দিব।
প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচি

প্ৰাকৃতিক দুৰ্যোগ	প্ৰতিৰোধৰ উপায়

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) তলৰ কোনটো ভূ-তাত্বিক দুৰ্যোগ?

(i) আগ্নেয়গিৰি (ii) চুনামী (iii) ধুমুহা (iv) ঘূৰ্ণিবতাহ

(খ) ক'ভিড ভাইৰাছ সংক্ৰমণ কোনবিধ দুৰ্যোগৰ অন্তৰ্গত?

(i) বায়ৱীয় দুৰ্যোগ (ii) জলসম্পৰ্কীয় দুৰ্যোগ (iii) জৈৱিক দুৰ্যোগ (iv) ভূ-তাত্বিক দুৰ্যোগ

(গ) ৰাষ্ট্ৰসংঘই কিমান চনত দুৰ্যোগৰ ক্ষয়-ক্ষতি লাঘৱ কৰাৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছিল?

(i) ১৯৮৫ (ii) ১৯৮২ (iii) ১৯৮৭ (iv) ১৯৯০

(২) দুৰ্যোগ পৰিচালনা বুলিলে কি বুজা?

----

(৩) দলগত কাৰ্যঃ
কি কি কাৰণত প্ৰাকৃতিক দুৰ্যোগ হ'ব পাৰে বুলি ভাবা কাৰণবোৰ লিখি উলিওৱা।

৫। ক্ষেত্ৰ (Domain) ঃ পৃথিৱী
ষ্ট্ৰেণ্ড (Strand) ঃ মানচিত্ৰৰ ধাৰণা

শিকন ফলাফল ঃ ভূগোল অধ্যয়নৰ আহিলা হিচাপে মানচিত্ৰ সন্দৰ্ভত সম্যক ধাৰণা আহৰণ কৰিব।

শিকন উদ্দেশ্য ঃ
- ভূগোল অধ্যয়নত মানচিত্ৰৰ ব্যৱহাৰ কৰিব পৰা।
- বিভিন্ন প্ৰকাৰৰ মানচিত্ৰ চিনাক্ত কৰিব পৰা।
- মানচিত্ৰত বিভিন্ন ঠাইৰ অৱস্থান নিৰ্ণয় কৰিব পৰা।

আনুমানিক সময়ঃ ২০ মিনিট

বৰ্ণনা ঃ

মানচিত্ৰ হ'ল শিকন আহিলা। মানচিত্ৰৰ সহায়ত একোখন ঠাইৰ আকাৰ, দিশ আৰু বৈশিষ্ট্যসমূহ উপস্থাপন কৰিব পাৰি।

মানচিত্ৰসমূহ তথ্য সংগ্ৰহ আৰু ইয়াৰ বিশ্লেষণত চহকী সমল। এখন ঠাইৰ অৱস্থান, এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাবলৈ বা এক লক্ষ্যস্থল আন আন ঠাইৰ সৈতে তুলনা কৰি দেখুৱাবলৈ মানচিত্ৰ অধ্যয়নৰ প্ৰয়োজন হয়। মানচিত্ৰ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। মানচিত্ৰৰ শ্ৰেণীবিভাজনৰ এখন ধাৰণা চিত্ৰ তলত দিয়া হ'ল—



(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ৫ 'ভূগোল অধ্যয়নৰ আহিলাঃ মানচিত্ৰৰ সহায়ত)

মানচিত্ৰ অধ্যয়নৰ আহিলাসমূহঃ

(১) স্কেল বা জোখ মাপক



(২) দিশসমূহ



(৩) কম্পাছ



(৪) ভূচিত্ৰাৱলী বা এটলাচ



(৫) মাপনী



পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলত এখন গাৱঁৰ মানচিত্ৰ দিয়া হৈছে। তাত দিশ চিহ্নিত কৰা।



চিত্ৰ ২৭ঃ গাওঁ এখনৰ মানচিত্ৰ

(২) তলত অসমৰ মানচিত্ৰ দিয়া আছে। মানচিত্ৰখনত দিশ, চাৰিসীমা আৰু অসমৰ ৰাজধানী বহুৱাব দিব।



চিত্ৰ ২৮ঃ অসমৰ মানচিত্ৰ

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) উদ্ভিদৰ বিতৰণ দেখুওৱা মানচিত্ৰক কি বুলি কোৱা হয়?

(i) বিষয়ভিত্তিক মানচিত্ৰ (ii) বতৰভিত্তিক মানচিত্ৰ (iii) ৰাজনৈতিক মানচিত্ৰ (iv) প্ৰতিৰক্ষা মানচিত্ৰ

(খ) তলৰ কোনটো ৰং মানচিত্ৰত পানী বুজাবলৈ ব্যৱহাৰ কৰা হয়?

(i) ৰঙা (ii) সেউজীয়া (iii) নীলা (iv) ক'লা

(গ) তলৰ কোনটোৰ বাবে মাপনীৰ প্ৰয়োজন?

(i) মানচিত্ৰ অংকন (ii) আৰ্হি চিত্ৰ (iii) চিহ্ন (iv) প্ৰতীক

(২) মানচিত্ৰৰ শ্ৰেণীবিভাজন দুটা কি কি?

----

(৩) দলগত কাৰ্যঃ

অসমৰ প্ৰাকৃতিক, ৰাজনৈতিক, যাতায়াত, কৃষি আৰু জনসংখ্যাৰ মানচিত্ৰ ভূচিত্ৰাৱলীত চাই তাত কি কি দেখুওৱা হয় তলৰ তালিকাখনত লিখি উলিওৱা।

প্ৰাকৃতিক	ৰাজনৈতিক	যাতায়াত	কৃষি	জনসংখ্যা

(৪) 'ক' অংশৰ লগত 'খ' অংশ মিলোৱাঃ

'ক' অংশ	'খ ' অংশ
(ক) স্কেল বা জোখমাপক	(i) ভূমি দূৰত্ব আৰু মানচিত্ৰৰ দূৰত্বৰ অনুপাত
(খ) দিশসমূহ	(ii) দূৰত্ব জোখাৰ একক
(গ) কম্পাছ	(iii) দিশ নিৰ্ণায়ক যন্ত্ৰ
(ঘ) মাপনী	(iv) জানিলেহে এখন ঠাইৰ অৱস্থান সম্পৰ্কে জানিব পাৰি।

৬। ক্ষেত্ৰ (Domain)ঃ পৃথিৱী

ষ্ট্ৰেণ্ড (Strand) ঃ পৃথিৱীৰ জলভাগ আৰু স্থলভাগ

শিকন ফলাফল ঃ পৃথিৱীৰ মানচিত্ৰত জলভাগ আৰু স্থলভাগৰ অৱয়ব সমূহৰ অৱস্থান সম্পৰ্কে জানি ইয়াৰ গুৰুত্ব বুজি পাব।

শিকন উদ্দেশ্য ঃ
- পৃথিৱীৰ মানচিত্ৰত বিভিন্ন মহাদেশ আৰু দেশৰ অৱস্থান, জলপৃষ্ঠ, মহাসাগৰ, নদী আদিৰ অৱস্থান সম্পৰ্কে অৱগত হোৱা।
- মহাদেশ আৰু মহাসাগৰসমূহৰ তুলনামূলক অৱস্থান বিশ্লেষণ কৰিব পৰা।
- জলভাগ আৰু স্থলভাগৰ গুৰুত্ব উপলব্ধি কৰা।

আনুমানিক সময়ঃ ২০ মিনিট

বৰ্ণনা ঃ

পৃথিৱীৰ জলভাগ আৰু স্থলভাগত পোৱা গুৰুত্বপূৰ্ণ অৱয়বসমূহ হ'ল— মহাদেশ, দেশ, সাগৰ, মহাসাগৰ, পৰ্বত-পাহাৰ, নদ-নদী ইত্যাদি। বহুসংখ্যক দেশৰ সমষ্টিতে মহাদেশসমূহ গঠিত। ভৌগোলিক অৱস্থানৰ ভিন্নতা, গঠনাত্মক সংৰচনা আদিৰ বাবে মহাদেশসমূহৰ বেলেগ বেলেগ বৈশিষ্ট্য বিদ্যমান। পৃথিৱীৰ আটাইকেইখন মহানগৰ ইখনৰ লগত সিখন সংযুক্ত হৈ আছে। তেনেদৰে মহাদেশসমূহৰ মাজতো এক আত্মসংযোগ আৰু যোগাযোগৰ ব্যৱস্থা আছে।



চিত্ৰ ২৯ঃ পৃথিৱীৰ মানচিত্ৰ

(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ৪ 'পৃথিৱীৰ প্ৰধান মণ্ডলসমূহ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলৰ দেশসমূহ মহাদেশ অনুসৰি শুদ্ধ বিভাজন কৰি তালিকাভুক্ত কৰিব দিব। চীন, ভাৰত, জাপান, চৌদি আৰব, দক্ষিণ কোৰিয়া, ফ্ৰান্স, জাৰ্মান, অষ্ট্ৰেলিয়া, ইজিপ্ত, নিউজিলেণ্ড, থাইলেণ্ড, ব্ৰাজিল

মহাদেশ

এচিয়া	ইউৰোপ	আফ্ৰিকা	ওছেনিয়া

(২) ছাত্র-ছাত্রীসকলক তলত দিয়া পৃথিৱীৰ মানচিত্ৰখনত মহাদেশ আৰু মহাসাগৰসমূহ চিহ্নিত কৰিবলৈ দিব।



চিত্ৰ ৩০ঃ পৃথিৱীৰ মানচিত্ৰ

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচি

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) কোনখন মহাসাগৰ সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধৰ অন্তৰ্গত ?

(i) প্ৰশান্ত মহাসাগৰ (ii) ভাৰত মহাসাগৰ (iii) আটলাণ্টিক মহাসাগৰ (iv) উত্তৰ মহাসাগৰ

(খ) চাৰিওটা গোলাৰ্ধতে ভূমি থকা মহাদেশ কোনখন ?

(i) এছিয়া (ii) ইউৰোপ (iii) আফ্ৰিকা (iv) ওছেনিয়া

(গ) আটাইতকৈ বেছি সংখ্যক মৰুভূমি থকা মহাদেশখন কি ?

(i) ইউৰোপ (ii) আফ্ৰিকা (iii) এণ্টাৰ্কটিকা (iv) উত্তৰ আমেৰিকা

(২) বিষুৱ ৰেখাই চুই যোৱা দেশসমূহ কি কি ?

----

(৩) দলগত কাৰ্য ঃ

তলত দিয়া নদীসমূহৰ বিপৰীতে মহাদেশৰ নাম লিখা-

নদী	মহাদেশ
নীল, কঙ্গো, নাইজেৰ	
ইনংচে, হোৱাংহো, গংগা, সিন্ধু, মেকং	
মিচিচিপি, আমাজান, কলোৰাডো	
ডানিয়ুব, ৰাইন, ভল্গা	
মুৰে, ডাৰ্লিং	

৭। ক্ষেত্ৰ (Domain)ঃ পৃথিৱী

ষ্ট্ৰেণ্ড (Strand) ঃ পৃথিৱীৰ আকাৰ আৰু আকৃতি

শিকন ফলাফল ঃ গোলক আৰু পৃথিৱীৰ মানচিত্ৰত অক্ষাংশ, দ্ৰাঘিমাংশ সম্পৰ্কীয় যেনে- মেৰু, বিষুৱৰেখা, ক্ৰান্তীয় ৰেখা, ৰাজ্য/কেন্দ্ৰীয় শাসিত আৰু অন্যান্য প্ৰতিবেশী দেশ চিনাক্ত কৰিব পাৰিব।

শিকন উদ্দেশ্য ঃ
(ক) অক্ষৰেখা, দ্ৰাঘিমাৰেখা চিনাক্ত কৰিবলৈ সমৰ্থ হ'ব।
(খ) অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ মাজৰ পাৰ্থক্য বুজিব পাৰিব।
(গ) উত্তৰ মেৰু আৰু দক্ষিণ মেৰু, বিষুৱ ৰেখা, কৰ্কটক্ৰান্তি ৰেখা আৰু মকৰক্ৰান্তি ৰেখা, উত্তৰ গোলাৰ্ধ আৰু দক্ষিণ গোলাৰ্ধৰ বিষয়ে জানিব পাৰিব।
(ঘ) মানচিত্ৰত দ্ৰাঘিমাংশ আৰু অক্ষাংশৰ সহায়ত ঠাইৰ অৱস্থিতি নিৰূপণ কৰিব পাৰিব।

আনুমানিক সময়ঃ ৪০ মিনিট

বৰ্ণনা ঃ

গোলক হৈছে পৃথিৱীৰ এটা আৰ্হি যিয়ে পৃথিৱীৰ আকৃতি সম্বন্ধে আভাষ দিয়াৰ লগতে বিভিন্ন ঠাইৰ অৱস্থান দেখুৱায়। গোলকৰ আকৃতি ঘূৰণীয়া। আনহাতে, এখন মানচিত্ৰ হ'ল পৃথিৱীৰ সম্পূৰ্ণ বা কোনো এটা অংশ কাগজত সহজভাৱে আঁকি দেখুওৱা প্ৰতিৰূপ। গোলক নাইবা মানচিত্ৰত বিভিন্ন ঠাইৰ অৱস্থান দেখুৱাবলৈ কাল্পনিক ৰেখাৰ জাল আঁকি লোৱা হয়। গোলক আৰু মানচিত্ৰত দেখা পোৱা কাল্পনিক ৰেখা যেনে- অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ সহায়ত পৃথিৱীৰ যিকোনো ঠাইৰ স্থান চিনাক্ত আৰু নিৰ্ণয় কৰিব পাৰি। গতিকে পৃথিৱীৰ স্থান চিনাক্ত আৰু নিৰ্ণয় কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে অক্ষৰেখা, অক্ষাংশ, দ্ৰাঘিমাৰেখা, দ্ৰাঘিমাংশ, বিষুবৰেখা, মুখ্য দ্ৰাঘিমাৰেখা, মেৰু আদি জনাটো অতি দৰকাৰী।

চিত্ৰ ৩১ঃ গোলক



চিত্ৰ ৩২ঃ বিষুবৰেখা আৰু দ্ৰাঘিমাৰেখা

(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২ 'পৃথিৱীৰ আকাৰ আৰু আকৃতি'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক পৃথিৱীৰ আৰ্হি গোলকটো প্ৰদৰ্শন কৰিব। ছাত্ৰ-ছাত্ৰীসকলক গোলকটো ভালকৈ পৰ্যবেক্ষণ কৰিবলৈ দিব আৰু গোলকৰ উত্তৰ মেৰু আৰু দক্ষিণ মেৰু সংযোগী ৰেখাবোৰ চিনাক্ত কৰিবলৈ দিব। এডাল ৰচীৰ সহায়ত শিক্ষকে দ্ৰাঘিমাৰেখাবোৰ জুখিব আৰু ছাত্ৰ-ছাত্ৰীসকলকো জুখিবলৈ দিব। একেদৰে ছাত্ৰ-ছাত্ৰীৰ সহায়ত ৰচীৰ সহায়েৰে অক্ষৰেখাবোৰৰ জোখ ল'ব। অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাবোৰ জোখাৰ পাছত কি পাৰ্থক্য দেখা পালে ছাত্ৰ-ছাত্ৰীসকলক সুধিব। প্ৰয়োজন অনুসৰি পাৰ্থক্যবোৰ শিক্ষকে বুজাই দিব।

চিত্ৰ ৩৩ঃ গোলক

(২) শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কাগজৰ বল বনাবলৈ দিব আৰু কিছুমান ৰচীৰ টুকুৰা লৈ সেইবোৰ অক্ষৰেখা, দ্ৰাঘিমাৰেখা হিচাপে কাগজৰ বলত আঠাৰ সহায়ত লগাবলৈ দিব। অক্ষৰেখা, দ্ৰাঘিমাৰেখা, বিষুবৰেখা, মুখ্য দ্ৰাঘিমাৰেখাৰ বাবে বেলেগ বেলেগ ৰঙৰ ৰচী ব্যৱহাৰ কৰিব পাৰে।

(৩) ভাৰতৰ ৰাজ্যৰ নাম সন্নিবিষ্ট কৰি কিছুমান কাৰ্ড প্ৰস্তুত কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভগাই দিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে তলৰ মানচিত্ৰখনৰ সহায়ত ঠাইখনৰ অৱস্থান নিৰ্ণয় কৰিব।



চিত্ৰ ৩৪ঃ ভাৰতৰ মানচিত্ৰ

প্ৰয়োজনীয় সামগ্ৰীঃ গোলক, চাৰ্ট পেপাৰ, কাগজ, ৰছী, আঠা, কেঁচি, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, স্কেল, মানচিত্ৰ

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া—

(ক) ০° অক্ষৰেখাডালক কি বুলি কোৱা হয় ?

(i) মকৰক্ৰান্তি ৰেখা (ii) মুখ্য দ্ৰাঘিমা ৰেখা (iii) কৰ্কটক্ৰান্তি ৰেখা (iv) বিষুব ৰেখা

(খ) কৰ্কটক্ৰান্তি ৰেখাৰ মান কিমান?

(i) ২৩$\frac{১}{২}$° উ. অক্ষাংশ (ii) ২৩$\frac{১}{২}$° দ. অক্ষাংশ (iii) ৬৬$\frac{১}{২}$° উ. অক্ষাংশ (iv) ৬৬$\frac{১}{২}$° দ. অক্ষাংশ

(গ) প্ৰাথমিক বা মুখ্য দ্ৰাঘিমাৰেখাৰ মান কিমান?

(i) ০° (ii) ১০° উ. (iii) ১০° দ. (iv) ২০° উ.

(২) তলত দিয়া ভাৰতৰ মানচিত্ৰখন চাই প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।

(ক) মানচিত্ৰত উল্লেখ কৰা A ঠাইখন কি?

(i) জয়পুৰ (ii) গান্ধীনগৰ (iii) ভূপাল (iv) দিল্লী

(খ) মানচিত্ৰত উল্লেখ কৰা B ঠাইখন কি?

(i) গুৱাহাটী (ii) ইটানগৰ (iii) ইম্ফল (iv) কলিকতা

(৩) মানচিত্ৰখনত তলত উল্লেখ কৰা ৰাজ্য দুখনত ৰং কৰা।

(i) নাগালেণ্ড (ii) মধ্যপ্ৰদেশ



চিত্ৰ ৩৫ঃ ভাৰতৰ মানচিত্ৰ

(৪) <u>দলগত কাৰ্যঃ</u>

(ক) ভাৰতৰ মানচিত্ৰ চাই কৰ্কটক্ৰান্তি ৰেখা ভাৰতৰ কোন কোন ৰাজ্যৰ ওপৰেৰে পাৰ হৈ গৈছে, দলত আলোচনা কৰি লিখা।

(খ) মানচিত্ৰ চাই ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ কেইখনৰ নাম দলত আলোচনা কৰি লিখা।

ইতিহাস খণ্ড

১। ক্ষেত্ৰ (Domain)ঃ আমাৰ অতীত আৰু ঐতিহ্য

ষ্ট্ৰেণ্ড (Strand) ঃ উৎসৰ ব্যৱহাৰ

শিকনৰ ফলাফল ঃ উৎসৰ ব্যৱহাৰৰ জৰিয়তে প্ৰাচীন আৰু মধ্য যুগৰ পৰা আধুনিক যুগক পৃথক কৰিব পাৰিব।

শিকনৰ উদ্দেশ্য ঃ

- ইতিহাস অধ্যয়নত তাৰিখ আৰু সময়ৰ গুৰুত্ব বুজা।
- ইতিহাসক কিয় বিভিন্ন ভাগত ভাগ কৰা হয় সেই বিষয়ে ধাৰণা লাভ কৰা।
- ইতিহাস অধ্যয়নত সময়ৰ ধাৰণা বুজি, তাৰ লগত চৰিত্ৰ আৰু বৈশিষ্ট্য অনুযায়ী যুগত (period) ভাগ কৰা।
- প্ৰশাসনিক তথ্যৰ ভিত্তিত বিভাজন কৰা ভাৰতৰ ইতিহাসৰ হিন্দু, মুছলমান আৰু বৃটিছ যুগৰ বিষয়ে অৱগত হোৱা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

সময়ৰ বৈশিষ্ট্য আৰু ইয়াৰ লগত জড়িত কিছুমান গুৰুত্বপূৰ্ণ উপাদানৰ ওপৰত ভিত্তি কৰি ভাৰতীয় ইতিহাসক প্ৰাচীন, মধ্যযুগ আৰু আধুনিক যুগত ভাগ কৰা হয়। সময়কালীনকৰণ (periodisation) ভালদৰে বুজিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে ইতিহাস শিকনৰ উৎসসমূহৰ বিষয়ে প্ৰথমে জানিব লাগিব। এই বিষয়ে ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ নৱম অধ্যায়ত বিশদভাৱে আলোচনা কৰা হৈছে।
১৮১৭ চনত বৃটিছ অৰ্থনীতিবিদ তথা ৰাজনৈতিক দাৰ্শনিক জেমছ মিলে ভাৰতৰ ইতিহাসৰ ওপৰত তিনিটা খণ্ডৰ বিস্তৃত লিখনি প্ৰকাশ কৰিছিল। তেওঁৰ নিজৰ লিখনিত ভাৰতীয় ইতিহাসক তিনিটা যুগত ভাগ কৰিছিল— হিন্দু, মুছলমান আৰু বৃটিছ। এই সময়কালীনকৰণ সেই সময়ত বহুলভাৱে গ্ৰহণ কৰা হৈছিল।

কিন্তু পাছলৈ বহু ইতিহাসবিদে বৃটিছসকলে কৰা ভাৰতীয় ইতিহাসৰ এই শ্ৰেণীবিভাজনৰ বিৰোধিতা কৰিছিল। তেওঁলোকে ভাৰতীয় ইতিহাসক নতুন ধৰণে প্ৰাচীন, মধ্য আৰু আধুনিক যুগত বিভক্ত কৰিছিল। এই বিভাজনৰো নিজস্ব কিছুমান অসুবিধা থকা দেখা যায়। এই সময়কালীনকৰণ ইউৰোপীয় সময়কালীনকৰণ ধাৰণাৰ ভিত্তিত কৰা হৈছে, য'ত আধুনিক যুগটো আধুনিকতাৰ সকলো দিশৰ প্ৰভাৱ, যেনে- বিজ্ঞান, প্ৰযুক্তি, গণতন্ত্ৰ, স্বাধীনতা আৰু সমতাৰ উত্থানৰ সৈতে জড়িত। আনহাতে আধুনিক সমাজৰ বৈশিষ্ট্যৰ প্ৰভাৱ নথকা সমাজ এখন বুজাবলৈ 'মধ্যযুগ' শব্দটো ব্যৱহাৰ কৰা হৈছে আৰু প্ৰাচীন যুগ হ'ল দুই যুগতকৈ সম্পূৰ্ণৰূপে পৃথক এক সময়।

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) শিক্ষকে আধুনিক আৰু মধ্যযুগৰ ইতিহাস অধ্যয়নৰ বাবে ব্যৱহাৰ কৰা উৎসসমূহৰ এখন তালিকা ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাব।

মধ্যযুগ আৰু আধুনিক যুগৰ ইতিহাস লিখনৰ উৎসৰ তালিকা-

মধ্যযুগ	প্ৰত্নতাত্ত্বিক, চিত্ৰকলা, পাণ্ডুলিপি, সাহিত্যিক ৰচনা, মুদ্ৰা, শিলালিপি, অস্ত্ৰ-শস্ত্ৰ আদি।
আধুনিক যুগ	ফটোগ্ৰাফ/ছায়াছবি, প্ৰশাসনিক নথি পত্ৰ, আলোচনী আৰু বাতৰি কাকত, পাম্ফলেট্, ভিডিঅ' টেপ, স্মৃতিগ্ৰন্থ, ব্যক্তিগত তথা বিভাগীয় চিঠি, ডায়েৰী, চিনেমা, আদালতৰ দস্তাবেজ, মুদ্ৰা আদি।

তালিকা ৩

তালিকাখন চাই ছাত্ৰ-ছাত্ৰীসকলক দুয়োটা যুগৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে নিম্নোক্ত ধৰণে আলোচনা কৰিবলৈ দিব।

(ক) প্ৰাচীন আৰু আধুনিক যুগৰ সাহিত্যিক উৎসৰ লিখনিৰ ক্ষেত্ৰত কেনে ধৰণৰ পাৰ্থক্য দেখা যায়?

(২) ছাত্ৰ-ছাত্ৰীসকলক পৰিয়ালৰ যিকোনো সদস্যৰ জীৱনৰ বিষয়ে জানিবলৈ সাক্ষাৎকাৰ ল'ব দি তেওঁলোকৰ জীৱনক যুগ (period)ত ভাগ কৰি উল্লেখযোগ্য ঘটনা তালিকাভুক্ত কৰিবলৈ দিব। (সময়কালীনতাৰ ভিত্তি বুজাই দিব। উদাহৰণস্বৰূপে — ভিত্তিঃ বয়স

০-১০ বছৰ	১০-২০ বছৰ	২০-৩৫ বছৰ	৩৫-৫০ বছৰ	১০-২০ বছৰ

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(৩) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিঅ' দেখুৱাব।

- https://diksha.gov.in/play/content/do_313263591809064960138179

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) তলৰ কোনটো সাহিত্যিক সমল?

(i) মুদ্ৰা (ii) শিলৰ সঁজুলি (iii) বেদ (iv) পোৰামাটিৰ শিল্প

(খ) প্ৰশাসনিক নথি-পত্ৰ কোনটো যুগৰ ইতিহাস লিখনৰ সমল?

(i) প্ৰাক্ঐতিহাসিক যুগৰ (ii) ঐতিহাসিক যুগৰ (iii) মধ্যযুগৰ (iv) আধুনিক যুগৰ

(গ) কোনে ভাৰতৰ ইতিহাসক প্ৰাচীন, মধ্য আৰু আধুনিক যুগত ভাগ কৰিছিল?

(i) ফৰাছীসকলে (ii) বৃটিছসকলে (iii) ওলন্দাজসকলে (iv) পৰ্তুগীজসকলে

(২) ইতিহাসক কিয় প্ৰাচীন, মধ্য আৰু আধুনিক যুগত বিভক্ত কৰা হৈছে দুটা কাৰণ দৰ্শোৱা।

----

(৩) **দলগত কাৰ্যঃ**

প্ৰাচীন আৰু আধুনিক যুগৰ ইতিহাস লিখনৰ উৎসসমূহৰ তালিকা প্ৰস্তুত কৰা।

প্ৰাচীন যুগৰ ইতিহাস লিখনৰ উৎস	আধুনিক যুগৰ ইতিহাস লিখনৰ উৎস

২। ক্ষেত্ৰ [Domain] ঃ আমাৰ অতীত আৰু ঐতিহ্য

ষ্ট্ৰেণ্ড (Strand) ঃ বৃটিছ শাসনকালৰ ভাৰতীয় অৰ্থনীতি

শিকনৰ ফলাফল ঃ ঔপনিৱেশিক যুগত ভাৰতৰ নগৰ কেন্দ্ৰ আৰু হস্তশিল্প উদ্যোগৰ অৱনতি আৰু নতুন নগৰ কেন্দ্ৰ আৰু উদ্যোগৰ বিকাশৰ বিশ্লেষণ কৰিব পাৰিব।

শিকনৰ উদ্দেশ্য ঃ

- ঔপনিৱেশিক কালত ভাৰতৰ নগৰ কেন্দ্ৰ আৰু হস্তশিল্প উদ্যোগৰ অৱনতিৰ কাৰণসমূহ বিশ্লেষণ কৰা।
- নতুন নগৰ কেন্দ্ৰৰ উত্থানৰ প্ৰক্ৰিয়া বুজা।

আনুমানিক সময় ঃ ৩০ মিনিট

বৰ্ণনা ঃ

বৃটিছ ঔপনিবেশিক কালছোৱাত ইংলেণ্ডৰ কপাহ উদ্যোগে ভাৰতীয় বস্ত্ৰ উদ্যোগত যথেষ্ট প্ৰভাৱ পেলাইছিল। ইউৰোপীয় আৰু আমেৰিকাৰ বজাৰত প্ৰতিযোগিতা আৰু আমদানিকৃত ভাৰতীয় কাপোৰৰ ওপৰত উচ্চহাৰত কৰ আৰোপ কৰাৰ ফলত বৃটিছ কপাহী কাপোৰৰ চাহিদা বৃদ্ধি পাইছিল। যাৰ ফলত ভাৰতীয় কাপোৰৰ চাহিদা কমি গৈছিল। ইয়াৰ ফলত বহু শিপিনী আৰু বস্ত্ৰ উদ্যোগৰ লগত জড়িত লোক নিবনুৱা হৈ পৰিছিল। কিন্তু পাছলৈ এই ক্ষেত্ৰত কিছু স্থিতিস্থাপকতা দেখা গৈছিল।

কিন্তু ভাৰতত হস্তুতাঁত শিল্প একেবাৰে নাইকিয়া নহৈ কোনোমতে জীয়াই আছিল। ইয়াৰ প্ৰধান কাৰণ আছিল— যন্ত্ৰৰ দ্বাৰা কিছুমান বিশেষ ধৰণৰ কাপোৰ উৎপাদন কৰিব পৰা নগৈছিল, যেনে - জটিল বা পৰম্পৰাগত আৰ্হিৰ বয়ন। তদুপৰি বৃটিছ বস্ত্ৰ নিৰ্মাতাসকলে বেছিভাগ ভাৰতীয়ই ব্যৱহাৰ কৰা খহটা কাপোৰ উৎপাদন নকৰিছিল। ১৯ শতিকাৰ শেষৰফালে ভাৰতৰ শোলাপুৰ আৰু মাদুৰাই উল্লেখযোগ্য বয়ন কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। সমান্তৰালভাৱে চলি থকা স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীয়ে আমদানিকৃত বস্ত্ৰ বৰ্জন কৰি তাৰ পৰিৱৰ্তে খাদী কাপোৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছিল। যাৰ ফলত 'চৰখা' নামেৰ জনাজাত থলুৱা সূতা কটা আহিলা সমগ্ৰ ভাৰতবৰ্ষত জনপ্ৰিয় হৈছিল। ১৯৩১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ত্ৰিৰংগ পতাকাটো চৰখাই স্থান পাইছিল।

পূৰ্বৰ পৰা চলি অহা বাণিজ্যৰ পতনৰ লগে লগে নগৰ-কেন্দ্ৰসমূহেও গুৰুত্ব হেৰুৱায় আৰু কিছুমান নতুন নগৰ কেন্দ্ৰৰ আৰম্ভণি হৈছিল। নতুন নগৰ কেন্দ্ৰৰ আৰম্ভণি হিচাপে ১৮৫৪ চনত মুম্বাইত ভাৰতৰ প্ৰথমটো কপাহ কল প্ৰতিষ্ঠা কৰা হৈছিল। ১৮৬১ চনৰ পৰা কাণপুৰ আৰু আহমেদাবাদতো মিল আৰম্ভ হয়। কপাহ কলৰ বৃদ্ধিৰ ফলত শ্ৰমিকৰ চাহিদা বৃদ্ধি পাইছিল আৰু হাজাৰ হাজাৰ শ্ৰমিক চহৰমুখী হৈছিল। এই কলসমূহে কিছুমান সমস্যাৰো সন্মুখীন হ'বলগা হৈছিল, যাৰ ভিতৰত উল্লেখযোগ্য আছিল সস্তীয়া বৃটিছ আমদানিকৃত সামগ্ৰীৰ লগত প্ৰতিযোগিতা আৰু ঔপনিৱেশিক চৰকাৰৰ সহযোগিতাৰ অভাৱ।

কাপোৰৰ কলৰ দৰে বিখ্যাত ভাৰতৰ আন এক থলুৱা উদ্যোগ আছিল ব্ৰুটজ ষ্টীল। ই সমগ্ৰ দক্ষিণ ভাৰততে উৎপাদিত এক প্ৰকাৰৰ উচ্চ কাৰ্বনযুক্ত ষ্টীল। ইয়াক চোকা ধাৰৰ পানীৰ আৰ্হিৰ ধোঁৱা ৰঙৰ তৰোৱাল তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। এই ষ্টীলেৰে নিৰ্মাণ কৰা টিপু চুলতানৰ তৰোৱালখনৰ সেই সময়ত কিছু চৰ্চা আছিল। মহীশূৰত গলনাংক চুলাত কয়লাৰ সৈতে লো ব্যৱহাৰ কৰি ব্ৰুটজ ষ্টীল উৎপাদন কৰা হৈছিল। এই পদ্ধতিয়ে মাইকেল ফেৰাডেৰ দৰে ইউৰোপীয় বিজ্ঞানীক আকৰ্ষিত কৰিছিল। কিন্তু বৃটিছে ভাৰত জয় কৰাৰ ফলত ভাৰতীয় তীখা নিৰ্মাণ প্ৰক্ৰিয়া উদ্যোগৰ অৱনতি ঘটিছিল। এই উদ্যোগৰ লগত জড়িত কাৰিকৰ/ শিল্পীসকলৰো স্থানচ্যুতি হৈছিল।

(অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ ইতিহাস আৰু ৰাজনীতি বিজ্ঞান পাঠ্যপুথিৰ ৫নং পাঠ 'বাণিজ্যবাদ আৰু ইউৰোপীয়সকলৰ আগমন'ৰ লগত সংগতি ৰাখি উপৰোক্ত কথাখিনি বৰ্ণনা কৰিব।)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলত দিয়া ইউৰোপৰ বস্ত্ৰ উদ্যোগ আৰু ভাৰতৰ পৰম্পৰাগত বস্ত্ৰ উদ্যোগৰ ছবি দুখনৰ ভিত্তিত এই দুয়োখন দেশৰ বস্ত্ৰ উদ্যোগৰ মাজত কি পাৰ্থক্য দেখিবলৈ পাইছে তাক উপস্থাপন কৰিব দিব।



উৎসঃFlickr/Public Domain/CC0.

চিত্ৰ ৩৬ঃ ইউৰোপীয় বস্ত্ৰ উদ্যোগ

উৎসঃ https://www.lookandlearn.com/history-images/YW024688V/Textiles-several-Indian-workers-spinning-and-working-at-a-loom

চিত্ৰ ৩৭ঃ পৰম্পৰাগত ভাৰতীয় বস্ত্ৰ উদ্যোগৰ

(২) তলত দিয়া মানচিত্ৰখনত ১৮শতিকাৰ শেষৰফালে গঢ়ি উঠা উল্লেখযোগ্য বয়ন কেন্দ্ৰ থকা ঠাইবোৰ চিনাক্ত কৰিবলৈ দিব।

চিত্ৰ ৩৮ঃ ঔপনিৱেশকালৰ ভাৰতৰ বয়ন কেন্দ্ৰসমূহ

(৩) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিও দেখুৱাব।

- https://diksha.gov.in/play/collection/do_3135707507266355201 1108

মূল্যায়নঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) বৃটিছ ঔপনিবেশিক কালছোৱাত ইংলেণ্ডৰ কি উদ্যোগে ভাৰতীয় বস্ত্ৰ উদ্যোগত যথেষ্ট প্ৰভাৱ পেলাইছিল?

(i) ৰেচম উদ্যোগে (ii) কপাহ উদ্যোগে (iii) এড়ী উদ্যোগে (iv) মুগা উদ্যোগে

(খ) ১৯ শতিকাৰ শেষৰ ফালে ভাৰতৰ ক'ত বয়ন কেন্দ্ৰ গঢ়ি উঠিছিল?

(i) কামপুৰ (ii) চুৰাট (iii) মাদুৰাই (iv) পাটনা

(গ) ভাৰতৰ প্ৰথম কপাহ কল কিমান চনত প্ৰতিষ্ঠা কৰা হৈছিল?

(i) ১৮৫৪ চনত (ii) ১৮৫২ চনত (iii) ১৮৪৫ চনত (iv) ১৮৬২ চনত

(২) ইংলেণ্ডত কপাহ উদ্যোগৰ বিকাশে ভাৰতৰ বস্ত্ৰ উদ্যোগৰ ওপৰত কেনে প্ৰভাৱ পেলাইছিল তাৰ দুটা কাৰণ দৰ্শোৱা।

(ক) --

(খ) --

----

(৩) **দলগত কাৰ্যঃ**

তোমালোকৰ অঞ্চলত বা তাৰ আশে-পাশে কেনেধৰণৰ শিল্পৰ প্ৰচলন আছে? এই শিল্পৰ লগত জড়িত কোনো সম্প্ৰদায় বা কোনো ব্যক্তিৰ পৰা তেওঁলোকৰ কৌশলৰ ক্ষেত্ৰত কেনে ধৰণৰ সালসলনি ঘটিছে তাক জানিবলৈ চেষ্টা কৰা আৰু বিগত ৫০ বছৰত এই শিল্পত ব্যৱহৃত হৈ অহা নতুন নতুন আহিলাবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

https://diksha.gov.in/play/collection/do_31357075072663552011108

৩। ক্ষেত্ৰ (Domain) ঃ আমাৰ অতীত আৰু ঐতিহ্য

ষ্ট্ৰেণ্ড (Strand) ঃ বৃটিছ শাসনকালৰ ভাৰতীয় সমাজ ব্যৱস্থা।

শিকনৰ ফলাফল ঃ জাতিভেদ প্ৰথা, মহিলাৰ স্থান, বিধবা বিবাহ আৰু সমাজ সংস্কাৰ আদি বিষয়বস্তু ঔপনিৱেশিক চৰকাৰৰ আইন আৰু নীতিৰ বিষয়ে বিশ্লেষণ কৰা।

শিকনৰ উদ্দেশ্য ঃ

- ঔপনিৱেশিক কালত ভাৰতীয় সমাজত প্ৰচলিত লিংগ আৰু ব্যক্তিগত বৈষম্যক চিনাক্ত কৰা।
- সমাজ সংস্কাৰৰ জৰিয়তে অৰদান আগবঢ়োৱা ভাৰতীয় চিন্তাবিদসকলৰ শলাগ লোৱা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

ঔপনিৱেশিক কালত ভাৰতীয় সমাজত নাৰীৰ স্থান সন্তোষজনক নাছিল। অধিকাৰৰ ওপৰত মহিলাক কম বয়সতে বিয়া দিয়া, শিক্ষাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা আদি কাৰ্যৰ দ্বাৰা মহিলাৰ নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছিল। কিছুমান অঞ্চলত পুৰুষৰ বহু বিবাহৰ অনুমতি প্ৰদান কৰাৰ লগতে বিধৱাসকলে স্বামীৰ অন্ত্যেষ্টিক্ৰিয়াৰ জুইত আত্মজাহ দি সতী হোৱাটো আশা কৰা হৈছিল। লিংগ বৈষম্যৰ উপৰিও জাতিভেদ প্ৰথা বেছি ভাগ অঞ্চলতে প্ৰচলিত আছিল। উচ্চ বৰ্ণৰ ভিতৰত ক্ৰমে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলক ৰখা হৈছিল। আনহাতে, কৃষক শিপিনী, শ্ৰমিক আদি শ্ৰেণীৰ লোকসকলক নীচ বুলি গণ্য কৰা হৈছিল।

১৯শতিকাৰ আৰম্ভণিতে নতুন যোগাযোগৰ মাধ্যম, যেনে— বাতৰি কাকত, আলোচনা আৰু পাশ্চাত্য শিক্ষাৰ প্ৰসাৰে নতুন চিন্তাধাৰৰ বাট মুকলি কৰিছিল। ইয়াৰ লগে লগে সমাজ সংস্কাৰ আন্দোলনৰো আৰম্ভণি হৈছিল। ৰাজা ৰামমোহন ৰায় আদি কেইবাগৰাকীও ভাৰতীয় চিন্তাবিদ আৰু সমাজ সংস্কাৰকে প্ৰথমতে এককভাৱে আৰু পাছলৈ সাংগঠনিকভাৱে কামত আগবাঢ়িছিল। বিভিন্ন ঠাইত কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ একাণপতীয়া চেষ্টাই এই ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা যোগাইছিল।

১৯০০ চনৰ আৰম্ভণিতে ভাৰতৰ মহিলাসকলে শিক্ষা, স্বাস্থ্যসেৱা, ভোটাধিকাৰৰ বাবে যুঁজিছিল। তাৰাবাই সিণ্ডে আৰু পণ্ডিতা ৰামাবাইৰ দৰে বিশিষ্ট ব্যক্তিসকলে আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ঔপনিৱেশিক চৰকাৰৰ তৰফৰ পৰাও কেইবাখনো আইন গৃহীত কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— ১৯২৯ চনৰ বাল্য বিবাহ নিয়ন্ত্ৰণ আইন। মহিলা সংগঠন আৰু ভাৰতীয় চিন্তাবিদসকলৰ চেষ্টাৰ বাবে সংস্কাৰ আন্দোলনে গতি লাভ কৰিছিল। পঞ্জাৱ আৰু মহাৰাষ্ট্ৰত প্ৰথমে ছোৱালীৰ বাবে বিদ্যালয় স্থাপন কৰা হৈছিল। (অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ ইতিহাস আৰু ৰাজনীতি বিজ্ঞান পাঠ্যপুথিৰ ৭ নং পাঠ 'ভাৰতৰ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ইয়াৰ সংস্কাৰসমূহ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলত দিয়া সমাজ সংস্কাৰৰ ক্ষেত্ৰত বৃটিছ চৰকাৰৰ আইন আৰু নীতিসমূহৰ ওপৰত আলোচনা চক্ৰ বা Flipped class room ৰ ব্যৱস্থা কৰিব দিব ।

বৃটিছ চৰকাৰৰ সমাজ সংস্কাৰক আইন আৰু নীতিসমূহ
(ক) বেংগল সতী ৰেগুলেছন এক্ট, ১৮২৯
(খ) চাৰ্টাৰ এক্ট, ১৮৩৩ (দাস প্ৰথা নিষিদ্ধকৰণৰ বাবে)
(গ) হিন্দু বিধৱা বিবাহ এক্ট, ১৮৫৬
(ঘ) বাল্য বিবাহ নিয়ন্ত্ৰণ এক্ট, ১৯২৯

(২) ভাৰতীয় সংস্কাৰ আন্দোলনৰ বিষয়বস্তু, হিচাপে লৈ প'ষ্টাৰ বা ক'লাজ প্ৰস্তুত কৰিবলৈ দিব।

(৩) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিঅ' দেখুৱাব।

- https://diksha.gov.in/play/collection/do_31357075072663552011108

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) সতীদাহ প্ৰথা কোনে আইন প্ৰণয়ন কৰি সম্পূৰ্ণৰূপে নিৰ্মূল কৰিছিল?

(i) লৰ্ড হেষ্টিংছ (ii) লৰ্ড উইলিয়াম বেণ্টিংক (iii) লৰ্ড ৱেলেছলি (iv) লৰ্ড কেনিং

(খ) ওৱাৰেণ হেষ্টিংছে কলিকতাত কিমান চনত এখন মাদ্ৰাছা খুলিছিল?

(i) ১৭৮১ চনত (ii) ১৭১৮ চনত (iii) ১৮১৭ চনত (iv) ১৮৭১ চনত

(গ) ডানকানে বাৰানসীত কি স্থাপন কৰিছিল?

(i) সংগীত মহাবিদ্যালয় (ii) নাট্য মহাবিদ্যালয়

(iii) সংস্কৃত মহাবিদ্যালয় (iv) গণিত মহাবিদ্যালয়

(২) **দলগত কাৰ্যঃ**

পাঠটোত উল্লেখ কৰা তথা ঔপনিৱেশিক কালত ভাৰতীয় সমাজত প্ৰচলিত কু-সংস্কাৰবোৰৰ ওপৰত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰিব। বিষয়সমূহ— (i) লিংগ বৈষম্যতা, (ii) সতীদাহ প্ৰথা, (iii) জাতিভেদ প্ৰথা, (iv) বাল্য বিবাহ, (v) বন্ধুৱা মজদুৰ আৰু গোলামী প্ৰথা, (vi) নাৰীৰ শিক্ষাৰ অধিকাৰ খৰ্ব, (vii) অন্ধবিশ্বাস ইত্যাদি।

৪। ক্ষেত্ৰ (Domain)ঃ আমাৰ অতীত আৰু ঐতিহ্য

ষ্ট্ৰেণ্ড (Strand)ঃ ১৮৫৭ চনৰ বিদ্ৰোহ

শিকনৰ ফলাফল ঃ ১৮৫৭ চনৰ বিদ্ৰোহৰ আৰম্ভণি, প্ৰকৃতি আৰু সম্প্ৰসাৰণৰ বিষয়ে ধাৰণা লাভ কৰিব।

শিকনৰ উদ্দেশ্য ঃ
- ১৮৫৭ চনৰ বিদ্ৰোহৰ কাৰণসমূহৰ বিষয়ে ধাৰণা লাভ কৰা।
- বিদ্ৰোহৰ সম্প্ৰসাৰণৰ বিষয়ে অৱগত হোৱা।
- বিদ্ৰোহৰ নেতাসকলৰ বিষয়ে অৱগত হোৱা।
- বিদ্ৰোহৰ প্ৰকৃতি সম্পৰ্কে ব্যাখ্যা কৰিব পৰা।
- বিদ্ৰোহত অসমৰ ভূমিকা সম্পৰ্কে অৱগত হোৱা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

১৮৫৭ চনৰ বিদ্ৰোহক চিপাহী বিদ্ৰোহ বুলি কোৱা হয়। ইয়াক ভাৰতৰ প্ৰথম স্বাধীনতাৰ যুঁজ বুলিও জনা যায়। কিয়নো এই বিদ্ৰোহৰ জৰিয়তে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক ক্ষমতা হস্তগত কৰি ঔপনিৱেশিক শাসনৰ জৰিয়তে ভাৰতীয়লোকসকলক কৰি অহা শোষণৰ বিৰুদ্ধে প্ৰথম বাৰৰ বাবে এক প্ৰৱল জনজাগৰণ গঢ়ি উঠিছিল। (অষ্টম শ্ৰেণীৰ ইতিহাস আৰু ৰাজনীতি বিজ্ঞান পাঠ্যপুথিৰ ৯ নং পাঠৰ '১৮৫৭ চনৰ বিদ্ৰোহ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১)পাৰস্পৰিক সময় ৰেখাঃ

ছাত্ৰ-ছাত্ৰীসকলক দলগতভাৱে বা দুজনীয়া গোটত ভাগ কৰি ১৮৫৭ চনৰ বিদ্ৰোহৰ লগত জড়িত ঘটনাবোৰ আৰম্ভণিৰ পৰা শেষলৈ একাদিক্ৰমে সজাই (চিত্ৰ সংযোজনেৰে সৈতে যদি সম্ভৱ হয়) তলত দিয়া তালিকাখনৰ ভিত্তিত এটা সময় ৰেখা অংকণ কৰিব দিব।

সময়	ঘটনাৱলী
ফেব্ৰুৱাৰী, ১৮৫৭	১৯ নং নেটিভ ইনফেণ্ট্ৰিৰ চিপাহীসকলে ৰাইফল ব্যৱহাৰ কৰিবলৈ অস্বীকাৰ কৰিছিল।
মাৰ্চ, ১৮৫৭	মংগল পাণ্ডেয়ে ২ জন বৃটিছ সৈন্যক আহত কৰাৰ পিছত নেটিভ ইনফেণ্ট্ৰি ভংগ হৈছিল।
এপ্ৰিল, ১৮৫৭	মংগল পাণ্ডেক ফাঁচীকাঠত ওলোমোৱা হৈছিল। মীৰাটত থকা সৈন্যই তেল দিয়া কাৰ্টিজ ব্যৱহাৰ কৰিবলৈ অস্বীকাৰ কৰিছিল।
মে, ১৮৫৭	দিল্লীত দ্বিতীয় বাহাদুৰ শ্বাহক মোগল শাসক হিচাপে ঘোষণা কৰা হৈছিল। ঝান্সী ৰাজ্য বিদ্ৰোহীয়ে দখল কৰি ঝান্সীৰ ৰাণীক গটাই দিছিল।
জুন, ১৮৫৭	লক্ষ্ণৌৰ ভূৰটপুৰ আৰু ৰোহিলাখণ্ডত বিদ্ৰোহ আৰম্ভ হৈছিল।
জুলাই, ১৮৫৭	কানপুৰৰ প্ৰথম যুদ্ধত নানা চাহেব পৰাজিত হৈছিল।
ডিচেম্বৰ, ১৮৫৭	কানপুৰৰ তৃতীয়খন যুদ্ধত তান্তীয়া টোপী পৰাজিত হৈছিল।
এপ্ৰিল, ১৮৫৮	বৃটিছে ঝান্সী দখল কৰিছিল।
জুন, ১৮৫৮	গোৱালিয়ৰৰ যুদ্ধ আৰু ঝান্সী ৰাণীৰ মৃত্যু।
আগষ্ট, ১৮৫৮	ৰাণী ভিক্টোৰিয়াই ভাৰতৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা বৃটিছ ৰাজমুকুট লৈ হস্তান্তৰ কৰিছিল।
এপ্ৰিল, ১৮৫৯	তান্তীয়া টোপীক দোষী সাব্যস্ত কৰি ফাঁচী দিয়া হৈছিল।
জুলাই, ১৮৫৯	শান্তি ঘোষণা কৰা হৈছিল।

তালিকা ৪

(২) তলত ভাৰতৰ মানচিত্ৰত ১৮৫৭ চনৰ বিদ্ৰোহৰ স্থানসমূহ দেখুওৱা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক এনেদৰে ভাৰতৰ মানচিত্ৰ এখন আঁকি ১৮৫৭ চনৰ বিদ্ৰোহৰ স্থানসমূহ চিহ্নিত কৰিবলৈ দিব।



চিত্ৰ ৩৯ঃ ১৮৫৭ চনৰ বিদ্ৰোহৰ স্থানসমূহ

(৩) ১৮৫৭ চনৰ বিদ্ৰোহত কোনে, ক'ত নেতৃত্ব দিছিল নেতাসকলৰ ফটো সহকাৰে এখন তালিকা প্ৰস্তুত কৰিবলৈ দিব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(৪) তলত দিয়া লিংকবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক ১৮৫৭চনৰ বিদ্ৰোহৰ ভিডিঅ' দেখুৱাব।

- https://youtu.be/JRXzxS7YwVA?si=1jOyE36dQnULXUk-
- https://youtu.be/kWcskwAQGiU?si=sdswAexyNCCByekI
- https://diksha.gov.in/play/collection/do_3135707507266355201110 8

মূল্যায়ন ঃ

(১) শুদ্ধ অশুদ্ধ নিৰ্ণয় কৰা—

(ক) অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সামৰিক, ধৰ্মীয় আদি নানা কাৰণত চিপাহী বিদ্ৰোহৰ সূচনা হৈছিল।

(খ) ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ তৎকালীন কাৰণটো আছিল মংগল পাণ্ডেৰ ফাঁচী।

(গ) ১৮৫৭ চনৰ বিদ্ৰোহত বাহাদুৰ ছাহ দ্বিতীয়ক ভাৰতৰ সম্ৰাট বুলি ঘোষণা কৰিছিল।

(ঘ) মণিৰাম দেৱানে পুৰন্দৰ সিংহক আহোমৰ শাসনভাৰ দিবলৈ বৃটিছক আবেদন জনাইছিল।

(২) চিপাহী বিদ্ৰোহক কিয় ভাৰতৰ স্বাধীনতাৰ প্ৰথম যুদ্ধ বুলি কোৱা হয়?

(৩) দলগত কাৰ্যঃ

- ঐতিহাসিক অনুসন্ধান প্ৰকল্পঃ

১৮৫৭চনৰ বিদ্ৰোহৰ নিৰ্দ্দিষ্ট দিশ, যেনে - মহিলাৰ ভূমিকা,অৰ্থনৈতিক কাৰক, বিশ্বজনীন প্ৰভাৱ বা অসমৰ ভূমিকাৰ ওপৰত প্ৰকল্প কৰিবলৈ শ্ৰেণীত সুবিধা প্ৰদান কৰিব। (ইয়াৰ বাবে দলগতভাৱে বা দুজনীয়া দলত ভাগ কৰি জ্যেষ্ঠজনৰ সহায় ল'বলৈ দিব)

৫। ক্ষেত্ৰ (Domain)ঃ আমাৰ অতীত আৰু ঐতিহ্য

ষ্ট্ৰেণ্ড (Strand) ঃ প্ৰাচীন ভাৰতৰ ৰাজবংশসমূহ

শিকনৰ ফলাফল ঃ প্ৰাচীন ভাৰতৰ গুৰুত্বপূৰ্ণ ৰাজ্য আৰু তাত শাসন কৰা বংশসমূহৰ উল্লেখযোগ্য অৱদানৰ বিষয়ে জানিব।

শিকনৰ উদ্দেশ্য ঃ
- ৰাজ্য আৰু সাম্ৰাজ্যৰ মাজৰ পাৰ্থক্য বুজি পোৱা।
- মৌৰ্য সাম্ৰাজ্যৰ বিষয়ে বিভিন্ন তথ্য বিশ্লেষণ কৰা।
- অশোকৰ শিলালিপিৰ তাৎপৰ্য বুজি পোৱা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

প্ৰাচীন ভাৰতৰ ভিন ভিন উৎসৰ পৰা জানিব পৰা মতে ভাৰতৰ প্ৰথম সাম্ৰাজ্য আছিল মৌৰ্য সাম্ৰাজ্য। মৌৰ্য ৰাজবংশৰ শ্ৰেষ্ঠ ৰজা অশোক আছিল এনে এজন শাসক, যিজনে শিলালিপিৰ জৰিয়তে প্ৰজাৰ আগত নিজৰ মতামত দাঙি ধৰিছিল। তেওঁৰ শিলালিপিসমূহ প্ৰধানকৈ প্ৰাকৃত আৰু ব্ৰাহ্মী লিপিত লিখা হৈছিল।

অশোকৰ কলিংগ যুদ্ধৰ ওপৰত লিখা শিলালিপি যথেষ্ট চৰ্চিত। সম্ৰাট হৈয়ে তেওঁ কলিংগ জয় কৰিছিল আৰু এই যুদ্ধত প্ৰায় ১ লাখ ৫০ হাজাৰ লোকৰ মৃত্যু হৈছিল। যুদ্ধৰ এই ধ্বংস লীলা দেখি তেওঁ যথেষ্ট অনুতপ্ত হৈছিল আৰু শিলালিপিত লিখিছিল যে বল প্ৰয়োগ কৰি প্ৰজাক দমন কৰাতকৈ নৈতিকতা আৰু সততাৰ সমষ্টিৰে ধৰ্মৰ প্ৰচাৰ কৰি প্ৰজাক একত্ৰিত কৰি ৰখাটো উত্তম।

অশোকে তেওঁৰ ভৱিষ্যত প্ৰজন্মক যুদ্ধত লিপ্ত হোৱাৰ পৰা নিৰুৎসাহ কৰিবলৈ আৰু ধৰ্মৰ প্ৰচাৰৰ বাবে এই বাৰ্তাসমূহ খোদিত কৰোৱাইছিল। এই লিপিসমূহৰ দ্বাৰা তেওঁৰ এজাক অসাৰ ৰীতি-নীতি পৰিত্যাগ কৰি অধিক ফলপ্ৰসূ আচাৰ-ব্যৱহাৰ, যেনে- সেৱক-ভৃত্যৰ প্ৰতি দয়াশীল হোৱা, বয়োজ্যেষ্ঠক সন্মান কৰা, সকলো জীৱৰ প্ৰতি মমতা প্ৰদৰ্শন কৰা, ব্ৰাহ্মণ আৰু ভিক্ষুকক দান দিয়া আদি গ্ৰহণ কৰা। আন ধৰ্মৰ সমালোচনা আৰু নিজ ধৰ্মৰ প্ৰশংসা কৰাটো ক্ষতিকাৰক বুলি তেওঁ লিপিসমূহৰ জৰিয়তে জনাইছিল। তেওঁ লগতে উল্লেখ কৰিছিল যে মানুহে আন ধৰ্মক বুজিবলৈ আৰু সন্মান কৰিবলৈ চেষ্টা কৰা উচিত।

(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ১৬, 'মৌৰ্য সাম্ৰাজ্য'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১)সপ্তম প্ৰধান শিলালিপিৰ অনুবাদ—

"দেৱতাৰ প্ৰিয় ৰজা প্ৰিয়দাসীয়ে কামনা কৰে যে সকলো পন্থাই সকলোতে বাস কৰক, কাৰণ প্ৰত্যেক পন্থাই আত্ম-নিয়ন্ত্ৰণ আৰু মনৰ পৱিত্ৰতাতেই প্ৰাধান্য দিয়ে। কিন্তু মানুহৰ ভিন ভিন আৱেগ আৰু বাসনা থাকে। মানুহে হয়তো আটাইবোৰ বাসনা পূৰণ কৰাৰ চেষ্টা কৰিব বা নিজকে ইয়াৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰিব। কিন্তু, ইয়াৰ মাজতো যিজন উদাৰ তথাপিও তেওঁৰ আত্ম-নিয়ন্ত্ৰণ, মনৰ" বিশুদ্ধতা, কৃতজ্ঞতা আৰু দৃঢ়বিশ্বাস নাই, তেওঁক নীচ বুলি গণ্য কৰা হয়।" (উৎসঃ- 'Ashoka and the decline of the Mauryas', Ramila Thapar, Oxford University Press, 1997.)



উৎসঃ https://www.indiafacts.org.in/wp-content/uploads/2016/04/index3.jpeg

চিত্ৰ ৪১ঃ অশোকৰ সপ্তম প্ৰধান শিলালিপি

ওপৰত উল্লিখিত অশোকৰ সপ্তম প্ৰধান শিলালিপিৰ অনুবাদখিনিৰ সাৰমৰ্ম ছাত্ৰ-ছাত্ৰীসকলক বুজাই দি তাৰ ওপৰত এটি টোকা প্ৰস্তুত কৰিব দিব।

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলত দিয়া অশোকৰ শিলালিপি থকা স্থানবোৰৰ মানচিত্ৰখনৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলে ভাৰতৰ এখন মানচিত্ৰ অংকণ কৰি অশোকৰ শিলালিপি থকা স্থানসমূহ চিহ্নিত কৰিব।



চিত্ৰ ৪০ঃ অশোকৰ শিলালিপিৰ থকা স্থানসমূহ

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(২) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিও দেখুৱাব।

- https://diksha.gov.in/play/collection/do_31346513566553702412863?contentId=do_31346809434356121611535

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) মৌৰ্য সাম্ৰাজ্যৰ প্ৰথমজন ৰজা কোন আছিল?

(i) অশোক (ii) বিন্দুসাৰ (iii) চন্দ্ৰগুপ্ত মৌৰ্য (iv) কৌটিল্য

(খ) তলৰ কোনখন মৌৰ্য সাম্ৰাজ্যৰ ৰাজধানী আছিল?

(i) পাটলিপুত্ৰ (ii) ৰাজগৃহ (iii) উজ্জয়িনী (iv) তক্ষশীলা

(২) ছবি চাই চিনাক্ত কৰা —


চিত্ৰ ৪২

(ক)..................................

চিত্ৰ ৪৩

(খ)..................................

চিত্ৰ ৪৪

(গ)..................................

চিত্ৰ ৪৫

(ঘ)..................................

(৩) দলগত কাৰ্যঃ
ৰাজ্য আৰু সাম্ৰাজ্যৰ মাজত থকা পাৰ্থক্যৰ এখন তালিকা প্ৰস্তুত কৰা।

https://diksha.gov.in/play/collection/do_31346513566553702412863?contentId=do_31346809434356121611535

৬। ক্ষেত্ৰ (Domain)ঃ আমাৰ অতীত আৰু ঐতিহ্য

ষ্ট্ৰেণ্ড (Strand)ঃ প্ৰাচীন ভাৰতৰ সাহিত্যিক সমল

শিকনৰ ফলাফল ঃ প্ৰাচীন ভাৰতৰ সাহিত্যিক সমলবোৰত উল্লেখ কৰা বিষয়, পৰিঘটনা আৰু ব্যক্তিৰ বৰ্ণনা দিব পাৰিব।

শিকনৰ উদ্দেশ্য ঃ
- প্ৰাচীন ভাৰতৰ বাসিন্দাসকলৰ সামাজিক আৰু ধৰ্মীয় জীৱনৰ লগত পৰিচয় হোৱা।
- প্ৰাচীন ভাৰতত মেগালিথ (Megalith)ৰ বিষয়ে অৱগত হোৱা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

মানুহৰ সামাজিক জীৱনৰ প্ৰতিচ্ছবি দেখাৰ এক উল্লেখযোগ্য উপাদান হ'ল মৃতকৰ সংস্কাৰ পদ্ধতি। প্ৰাচীন কালৰ কথা জানিবলৈ সাহিত্যিক সমল, দুৰ্গ, অস্ত্ৰ-শস্ত্ৰ, শিলালিপি আদিৰ সমানে সমাধিস্থলসমূহো উৎস হিচাপে গুৰুত্বপূৰ্ণ। অতীতৰ মানুহে সমাধিস্থল চিহ্নিত কৰিবলৈ মেগালিথ বা 'ডাঙৰ শিল' ব্যৱহাৰ কৰিছিল। প্ৰায় ৩০০০ বছৰ আগতে আৰম্ভ হোৱা মেগালিথ স্থাপনৰ প্ৰথা দক্ষিণ ভাৰত, উত্তৰ-পূৰ্বাঞ্চল আৰু কাশ্মীৰত প্ৰচলিত আছিল। মেগালিথ থকা স্থানৰ ভূ-ভাগৰ তলত প্ৰায়ে সমাধিস্থল থাকে। কিছুমান মেগালিথ আধা মাটিত পোতা আৰু কিছুমান মাটিত বগৰাই থোৱা দেখা যায়। প্ৰধানৰ সমাধিস্থল সযতনে ৰখাৰ বাবে ডাঙৰ শিলবোৰ ব্যৱহাৰ কৰা হৈছিল। মেগালিথৰ তলত থকা সমাধিবোৰ প্ৰাচীন সমাজৰ বহুতো তথ্য আগবঢ়োৱা বাবে এইবোৰ ইতিহাসবিদ আৰু সাংস্কৃতিক আকৰ্ষণৰো কেন্দ্ৰ।

মেগালিথ সাজিবৰ বাবে উপযুক্ত শিল নিৰ্বাচন কৰি, তাক ভাঙি আহুতি দি, সমাধি থকা নিৰ্দিষ্ট ঠাইলৈ আনি স্থাপিত কৰা হৈছিল। কিছুমান অঞ্চলত দুস্প্ৰাপ্য কলা আৰু ৰঙা মাটিৰ মৃৎশিল্প, লোহাৰ সঁজুলি আৰু অস্ত্ৰ-শস্ত্ৰ, ঘোঁৰাৰ কংকাল, সঁজুলি, শিল আৰু সোণৰ অলংকাৰৰ সৈতে মৃতকক সমাধিস্থ কৰা হৈছিল। কংকালৰ সৈতে উদ্ধাৰ হোৱা বস্তুৱে ব্যক্তিজনৰ জীৱন আৰু সামাজিক মৰ্যাদাৰ পাৰ্থক্যৰ ইংগিত দিয়ে। মেগালিথত প্ৰায়ে একাধিক কংকাল থকা দেখা যায়, যাৰ দ্বাৰা অনুমান কৰা হয় যে পৰিয়ালৰ সদস্যসকলক বিভিন্ন সময়ত একে স্থানতে সমাধিস্থ কৰা হৈছিল। তেনে সমাধিথলবোৰ চিহ্নিত কৰিবলৈ শিলৰ বৃত্ত আৰু শিলবোৰ চিহ্ন হিচাপে ব্যৱহাৰ কৰা হৈছিল। (ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং১৩,'বৈদিক সভ্যতা'ৰ লগত সংগতি ৰাখি সমসাময়িক সাহিত্যিক সমলৰ সমানে মেগালিথবোৰৰ উৎস হিচাপে কিমান গুৰুত্বপূৰ্ণ সেয়া আলোকপাত কৰিব।)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) পাঠ্যপুথিৰ অধ্যায়টো পঢ়ি প্ৰয়োজনীয় তথ্য দি তলৰ তালিকাখন প্ৰশিক্ষাৰ্থীসকলক পূৰণ কৰিবলৈ দিব।

(ক) বৈদিক সাহিত্যত কি কি অন্তৰ্ভুক্ত কৰা হয়?	
(খ) সাহিত্যিক সমলত উল্লেখ কৰা অনুসৰি বৈদিক যুগৰ মূল জীৱিকা কি আছিল?	
(গ) অধ্যায়টোত উল্লেখ কৰা বৈদিক যুগৰ গুৰুত্বপূৰ্ণ ব্যক্তিসকলৰ নাম কি কি?	
(ঘ) অধ্যায়ত উল্লেখ কৰা প্ৰশাসনিক বিষয়ববীয়াসকলক ক্ৰম অনুসাৰে লিখা।	

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(২) ছাত্ৰ-ছাত্ৰীসকলক সমাধি আৰু অন্ত্যেষ্টিক্ৰিয়াৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে ব্যাখ্যা কৰিব। সমগ্ৰ বিশ্বতে থকা প্ৰাচীন সমাধি প্ৰথাৰ উদাহৰণ দিব, যেনে- পিৰামিড।

(৩) ছাত্ৰ-ছাত্ৰীসকলক মেগালিথৰ ছবি দেখুৱাই, মেগালিথত সমাধিস্থ কৰা লোকৰ মাজত কেনেধৰণৰ সামাজিক বিভেদ আছিল সেই বিষয়ে আলোচনা কৰিবলৈ দিব। উদাহৰণস্বৰূপে- তলত কেইখনমান মেগালিথৰ ছবি দিয়া হ'ল।



চিত্ৰ ৪৬



চিত্ৰ ৪৭

চিত্ৰ ৪৮

(৪) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিও দেখুৱাব।

- https://diksha.gov.in/play/collection/do_31346513566553702412863?contentId=do_313465247096717312158

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) মেগালিথ কিহেৰে সজা হৈছিল?

(i) শিল (ii) মাটি (iii) চিমেণ্ট (iv) কাঠ

(খ) আৰ্যসকলৰ উপাস্য দেৱতা কোন আছিল?

(i) বিষ্ণু (ii) ইন্দ্ৰ (iii) অগ্নি (iv) বৰুণ

(গ) বৈদিক যুগৰ পৰিয়ালৰ মুৰব্বীজনক কি বুলি কোৱা হৈছিল?

(i) বিশপতি (ii) গ্ৰামণী (iii) ৰাজন (iv) গৃহপতি

(২) দলগত কাৰ্যঃ

মেগালিথৰ লগত মিল থকা সমাধিকৰণ প্ৰক্ৰিয়া প্ৰথা অসমত দেখিবলৈ পোৱা যায় নেকি। আলোচনা কৰা।

৭। ক্ষেত্ৰ (Domain) ঃ	**আমাৰ অতীত আৰু ঐতিহ্য**
ষ্ট্ৰেণ্ড (Strand) ঃ	**দক্ষিণ ভাৰতৰ ৰাজবংশসমূহ**
শিকনৰ ফলাফল ঃ	**মধ্যকালীন ভাৰতৰ প্ৰশাসনিক শক্তিসমূহৰ সামাজিক নিয়ন্ত্ৰণ আৰু ৰাজ্য পৰিচালনাৰ কৌশলসমূহ আলোচনা কৰা।**
শিকনৰ উদ্দেশ্য ঃ	• চেৰাসকলৰ বিষয়ে জনা। • আঞ্চলিক সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰাৰ বিকাশৰ বিষয়ে বুজা।
আনুমানিক সময় ঃ	৪০ মিনিট

বৰ্ণনা ঃ

ভাৰতীয় উপ-মহাদেশ অনন্য আঞ্চলিক সংস্কৃতিৰে চহকী। ইয়াৰ বিভিন্ন ভাষা, পৰিৱেশ আৰু পৰম্পৰা বৈচিত্ৰ্যপূৰ্ণ প্ৰভাৱৰ প্ৰমাণ। তাৰ ভিতৰত বৰ্তমান কেৰেলা ৰাজ্যৰ সাংস্কৃতিক ৰেখা হিচাপে পৰিগণিত চেৰা ৰাজ্যই মালয়ালম ভাষা আৰু লিপিক উল্লেখযোগ্যতাৰে গঢ় দিছিল। এই যুগত সংস্কৃত মহাকাব্যসমূহৰ প্ৰশ্নৰ সংমিশ্ৰণো কেৰেলাৰ মন্দিৰসমূহৰ নাটকত পৰিলক্ষিত হৈছিল। যাৰ ফলত অঞ্চলটোৰ মালায়লম ভাষাৰ সাহিত্যিক ৰচনাসমূহত সংস্কৃতৰ প্ৰভাৱ বিৰাজমান আছিল। উল্লেখযোগ্য যে চতুৰ্দশ শতিকাৰ ব্যাকৰণ আৰু কাব্যবিকাশনৰ ওপৰত জড়িত গ্ৰন্থ মণিপ্ৰৱলম নামৰ গ্ৰন্থ ৰচনা কৰা হৈছিল— যিটো শব্দই সংস্কৃত আৰু আঞ্চলিক ভাষা দুটাক হীৰা আৰু প্ৰবাদ হিচাপে সুন্দৰভাৱে সামৰি লৈছিল।

উৰিষ্যাৰ পুৰীত থকা দেৱতাৰ পূজা অঞ্চলটোত গভীৰভাৱে শিপাই থকা ধৰ্মীয় পৰম্পৰাৰ প্ৰমাণ। স্থানীয় জনজাতীয় লোকসকলে মৰমেৰে তৈয়াৰ কৰা এই দেৱতাৰ কাঠৰ প্ৰতিমূৰ্ত্তিটোৰে বিষ্ণুৰ সৈতে জড়িত বুলি অনুগামীসকলে বিশ্বাস কৰে। দ্বাদশ শতিকাৰ গংগা বংশৰ এজন শাসক অনন্ত বৰ্মনে জগন্নাথৰ বাবে এটা মন্দিৰ নিৰ্মাণ কৰাইছিল। ৰজা তৃতীয় অনংগভীমে ১২৩০ চনত এই ভক্তি অনুসৰণ কৰিছিল, তেওঁ নিজৰ ৰাজ্য দেৱতাক উৎসৰ্গা কৰিছিল আৰু নিজকে দেৱতাৰ উপ-সভাপতি বুলি ঘোষণা কৰিছিল। এইদৰে জগন্নাথ মন্দিৰে সামাজিক আৰু ৰাজনৈতিক বিষয়ত কৰ্তৃত্ব লাভ কৰি এক সৰ্বজন পূজনীয় তীৰ্থস্থানত পৰিণত হয়। আনকি উৰিষ্যা বিজয়ী মোগল, মাৰাঠা আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিজৰ শাসনৰ বৈধতা প্ৰতিপন্ন কৰিবলৈ মন্দিৰটো নিয়ন্ত্ৰণ কৰিব বিচাৰিছিল।

১৯ শতিকাত বৰ্তমানৰ ৰাজস্থানৰ অধিকাংশ অংশ গঠন কৰা অঞ্চলটোক ইংৰাজে ৰাজপুতনা বুলি অভিহিত কৰিছিল। ইয়াত কেৱল ৰাজপুতসকলেই নহয় উত্তৰ আৰু মধ্য ভাৰতৰ আন কেইবাটাও গোটৰ বসতি আছিল। কিন্তু ৰাজস্থানৰ স্বকীয় সংস্কৃতিত অৰিহণা যোগোৱাৰ বাবে ৰাজপুতসকলে স্বীকৃতি লাভ কৰিছিল।

অঞ্চলটোৰ সাংস্কৃতিক পৰম্পৰা শাসকসকলৰ আদৰ্শ আৰু আকাংক্ষাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। অষ্টম শতিকাৰ পৰা ৰাজস্থানত মূলত সাহসী বীৰৰ আদৰ্শক লালন-পালন কৰা বিভিন্ন ৰাজপুত পৰিয়ালে শাসন কৰিছিল। এনে বীৰৰ কাহিনী কবিতা বা গীত আকাৰে ৰাজকবিসকলে গাইছিল।

ইয়াৰোপৰি 'কথক' শব্দটো সংস্কৃতৰ পৰা উদ্ভৱ হোৱা আৰু প্ৰথমতে উত্তৰ ভাৰতৰ গল্প কোৱা প্ৰথাৰ লগত জড়িত আছিল। ভক্তি আন্দোলনৰ প্ৰসাৰ আৰু মোগল যুগৰ প্ৰভাৱত পোন্ধৰ আৰু ষোড়শ শতিকাত ই এক সুকীয়া নৃত্যলৈ বিকশিত হয়। কথকে জয়পুৰ আৰু লক্ষ্ণৌত দুটা ভিন্ন পৰম্পৰা গঢ়ি তুলিছিল। ক্ষুদ্ৰ চিত্ৰকলাৰ পৰম্পৰা বিভিন্ন ধৰণে গঢ়ি উঠিছিল। মোগল সম্ৰাটসকলে ঐতিহাসিক বিৱৰণী আৰু কবিতাৰ চিত্ৰ অংকণ কৰা অতি দক্ষ - শিল্পীসকলক পৃষ্ঠপোষকতা কৰিছিল। মোগল সাম্ৰাজ্যৰ অৱনতি ঘটাৰ লগে লগে চিত্ৰশিল্পীসকল উদীয়মান আঞ্চলিক ৰাজ্যসমূহলৈ গুচি যায়। হিমালয়ৰ পাদদেশতো এনেদৰে ক্ষুদ্ৰ চিত্ৰকলাৰ বিকাশ ঘটিছিল যাৰ ভিতৰত বসোহন্দী আৰু কাংগৰা উল্লেখযোগ্য।

(সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ১২ 'গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীসকলক উত্তৰ, পশ্চিম, দক্ষিণ, পূৱ আৰু মধ্য ভাৰতৰ পৰা এখনকৈ ৰাজ্য নিৰ্বাচন কৰি প্ৰতিখনৰ সাংস্কৃতিক উপাদানৰ একোখন তালিকা প্ৰস্তুত কৰিবলৈ দিব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(২) ছাত্ৰ-ছাত্ৰীসকলক কিছুমান ক্ষুদ্ৰ চিত্ৰকলা (মিনিয়েচাৰ পেইণ্টিং) দেখুৱাই সেই বিষয়ে আলোচনা কৰিব। উদাহৰণস্বৰূপে, কেইখনমান ক্ষুদ্ৰ ছিত্ৰকলাৰ ছবি তলত দিয়া হ'ল।

চিত্ৰ ৫০

চিত্ৰ ৫১

চিত্ৰ ৫২

চিত্ৰ ৫৩

(৩) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিঅ' দেখুৱাব।

- https://diksha.gov.in/play/collection/do_3134672990642503681414?contentId=do_3134674247020380161816

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) জগন্নাথৰ বাবে তলৰ কোনজন ৰজাই এটা মন্দিৰ নিৰ্মাণ কৰিছিল?

(i) অনন্ত বৰ্মনে (ii) হেমন্ত বৰ্মনে (iii) ৰবিন্দ্ৰ বৰ্মনে (iv) ৰূপেন্দ্ৰ বৰ্মনে

(খ) 'কথক' শব্দটো ক'ৰ পৰা উদ্ভৱ হোৱা?

(i) পালিৰ পৰা (ii) প্ৰাকৃতৰ পৰা (iii) সংস্কৃতৰ পৰা (iv) অসমীয়াৰ পৰা

(গ) 'কাংগৰা' কিহৰ লগত জড়িত?

(i) বাদ্যযন্ত্ৰৰ (ii) সংগীত শিল্পৰ (iii) নাটকৰ (iv) ক্ষুদ্ৰ চিত্ৰকলাৰ

(২) দলগত কাৰ্যঃ

স্থানীয় সংস্কৃতিৰ আৰু ধৰ্মীয় পৰম্পৰাৰ বিকাশত শাসকৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি এটি টোকা যুগুত কৰা।

অর্থনীতি খণ্ড

১। ক্ষেত্ৰ (Domain) ঃ আমাৰ আৰ্থ-সামাজিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ বজাৰ

শিকনৰ ফলাফল ঃ বিভিন্ন প্ৰকাৰৰ বজাৰৰ লগতে বজাৰৰ সৈতে সম্পৰ্ক কি ? ভিন্ ভিন্ কাৰকসমূহৰ লগত পৰিচয় হ'ব।

শিকনৰ উদ্দেশ্য ঃ
- বজাৰ আৰু বজাৰৰ প্ৰকাৰ চিনাক্ত কৰিব পাৰিব।
- ক্ৰেতা, বিক্ৰেতা আৰু উৎপাদনকাৰীৰ বিষয়ে ধাৰণা লাভ কৰিব।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

মানুহে মুদ্ৰাৰ সহায়ত প্ৰয়োজনীয় সামগ্ৰী বা সেৱাৰ কিনা-বেচা কৰা ব্যৱস্থাটোকে বজাৰ বোলে।

বজাৰৰ প্ৰকাৰ
- দৈনিক বজাৰ
- সাপ্তাহিক বা অৰ্ধ সাপ্তাহিক বজাৰ
- পাইকাৰী বজাৰ
- খুচুৰা বজাৰ
- হকাৰে চলোৱা বজাৰ
- শ্বপিং মল
- শ্বপিং কম্‌প্লেক্স
- অনলাইন শ্বপিং

এখন বজাৰ হ'বলৈ হ'লে বজাৰখনত ক্ৰেতা, বিক্ৰেতা আৰু উৎপাদনকাৰীৰ উপস্থিতি বাঞ্চনীয়। যিয়ে নিজৰ উপভোগৰ বাবে প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰে তেওঁক ক্ৰেতা বা গ্ৰাহক বুলি কোৱা হয়। দ্ৰব্য বা সামগ্ৰীসমূহ যিয়ে নিৰ্দিষ্ট দৰত বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিয়ে তেওঁক বিক্ৰেতা বুলি কোৱা হয়। যিয়ে বজাৰত উপলব্ধ দ্ৰব্য বা সামগ্ৰীসমূহ উৎপাদন কৰে আৰু তাক যোগান ধৰে তেওঁক উৎপাদনকাৰী বুলি কোৱা হয়।

চিত্ৰ ৫৪

চিত্ৰ ৫৫

চিত্ৰ ৫৬

(সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ১৮ 'আমাৰ চৌপাশৰ বজাৰ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীয়ে আশে-পাশে থকা বজাৰ এখনলৈ গৈ তলৰ তালিকা দুখন সম্পূৰ্ণ কৰিব।

(ক)

বজাৰৰ নাম	
আৰম্ভণিৰ সময় -	
বজাৰৰ ধৰণ	স্থায়ী ☐ অস্থায়ী ☐
বিক্ৰেতাৰ ঘৰ	স্থানীয় ☐ অন্য স্থানৰ পৰা অহা বিক্ৰেতা ☐
বিক্ৰী কৰিবলৈ অনা সামগ্ৰীৰ উৎস	
পাইকাৰী দোকানৰ সংখ্যা	
খুচুৰা বেপাৰীৰ সংখ্যা	
উৎপাদনকাৰীৰ সংখ্যা	

(খ)

বজাৰ	কেনে ধৰণৰ সামগ্ৰী বিক্ৰী হয়?	দামসমূহ কেনে ধৰণৰ?	বিক্ৰী কৰিবলৈ অনা সামগ্ৰীৰ উৎস	ক্ৰেতাসকল একে অঞ্চলৰ নে দূৰণিৰ পৰা অহা
দৈনিক				
সাপ্তাহিক				
শ্বপিং মল				

ছাত্ৰ-ছাত্ৰীয়ে যুগুত কৰি অনা তথ্য শ্ৰেণীকক্ষত উপস্থাপন কৰিব আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থাপনৰ আলমত শিক্ষকে পুনৰ বজাৰৰ প্ৰকাৰ আৰু বজাৰ এখনৰ লগত জড়িত বিভিন্ন অংশসমূহৰ বৰ্ণনা আগবঢ়াব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচি

(২) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিও দেখুৱাব।

- https://diksha.gov.in/play/collection/do_3134672990642503681414?contentId=do_31346799733542912011144

মূল্যায়ন ঃ

(১) শুদ্ধ/অশুদ্ধ বাছি উলিওৱা —

(ক) বজাৰত ক্ৰেতাৰ উপৰিও বিক্ৰেতা থাকে।

(খ) দ্ৰব্যৰ মাধ্যমেৰে কিনা-বেচা প্ৰক্ৰিয়া সম্পন্ন হয়।

(গ) ক্ৰেতা-বিক্ৰেতাৰ মাজত মুদ্ৰাৰ আদান-প্ৰদান হয়।

(ঘ) ক্ৰেতা আৰু উৎপাদনকাৰীৰ মাজত বজাৰে সম্পৰ্ক স্থাপন কৰে।

(২) অতি চমু উত্তৰ দিয়া—

(ক) সাপ্তাহিক বজাৰসমূহ স্থায়ী বজাৰ হয়নে?

(খ) খুচুৰা বজাৰত বিক্ৰী কৰা বস্তুবোৰ ক'ৰ পৰা কিনি অনা হয়?

(গ) প্ৰতিদিনে বহা বজাৰক কি বুলি কোৱা হয়?

(ঘ) গ্ৰাহকৰ ওচৰলৈ যোৱাৰ পূৰ্বে ক'ৰ পৰা বস্তুবোৰ একেলগে অধিক পৰিমাণত বেচা-কিনা কৰা হয়?

(ঙ) বজাৰ এখন কোনে সুচাৰুৰূপে পৰিচালনা কৰে?

(৩) দলগত কাৰ্যঃ

বজাৰৰ প্ৰকাৰবোৰৰ নাম লিখি একোটাকৈ বৈশিষ্ট্য উল্লেখ কৰা।

২। ক্ষেত্ৰ (Domain) ঃ আমাৰ আৰ্থ-সামাজিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ জনসংযোগ মাধ্যম

শিকনৰ ফলাফল ঃ জনসংযোগ মাধ্যমৰ কাম-কাজসমূহৰ বিষয়ে জানিব।

শিকনৰ উদ্দেশ্য ঃ

- জনসংযোগ মাধ্যমৰ মূল ধাৰণা সম্পৰ্কে অৱগত হোৱা।
- জনসংযোগ মাধ্যমৰ প্ৰকাৰ সমাজ ব্যৱস্থাত চিনাক্ত কৰিব পৰা আৰু ইয়াৰ ভূমিকা সম্পৰ্কে অৱগত হোৱা।
- জনসংযোগ মাধ্যমত নতুন প্ৰযুক্তি কৌশলৰ প্ৰভাৱৰ বিষয়ে ধাৰণা লাভ কৰা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

আধুনিক সমাজত জনসংযোগ মাধ্যমে এক কেন্দ্ৰীয় ভূমিকা পালন কৰে। জনসংযোগ মাধ্যমৰ দ্বাৰা জনসাধাৰণৰ মাজৰ খা-খবৰৰ সম্প্ৰসাৰণ / প্ৰসাৰণ বিভিন্ন আধুনিক উপায়েৰে, যেনে- কম্পিউটাৰৰ দ্বাৰা, দূৰদৰ্শন, বাতৰি কাকত, ৰেডিঅ' ইত্যাদিৰ দ্বাৰা হয়। এই মাধ্যমবোৰক গণমাধ্যম বুলি কোৱা হয় কাৰণ ই সমগ্ৰ পৃথিৱীৰ অগণন মানুহৰ লগত সংযোগ স্থাপন কৰে। জনসংযোগ মাধ্যমক মূলতঃ দুটা ভাগত ভগাব পাৰি—



ছপা মাধ্যমঃ

জনসংযোগৰ প্ৰাথমিক মাধ্যমটোৱেই হ'ল ছপা মাধ্যম। মুদ্ৰিত শব্দৰ অথবা কাগজত প্ৰকাশ পোৱা সকলোবোৰ গণমাধ্যমেই ছপা মাধ্যমৰ অন্তৰ্গত। যেনে— বাতৰি কাকত, আলোচনী, গ্ৰন্থ ইত্যাদি।

বৈদ্যুতিন মাধ্যমঃ

কোনো এটা বিষয় কেৱল পঢ়াতকৈ সেই বিষয়টোৰ লগত সম্পৰ্কিত কথা শুনিলে বা দেখিলেই আমাৰ মনত অধিক প্ৰভাৱ পেলাবলৈ সক্ষম হয়। এনে ধৰণৰ দৃশ্য বা শ্ৰাব্য সুবিধা আগবঢ়োৱা মাধ্যমবিধকেই বৈদ্যুতিন মাধ্যম বুলি কোৱা হয়। যেনে— ৰেডিঅ', টেলিভিছন ইত্যাদি।

নতুন প্ৰযুক্তি কৌশলে জনসংযোগ মাধ্যমক সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ লগত সংযোগ স্থাপন কৰাত সহায় কৰিছে। বৰ্তমান ই বাতৰি কাকত, আলোচনীৰ ছপা খৰছৰ মাত্ৰা হ্ৰাস কৰিছে আৰু লগতে ইয়াক বিশ্বব্যাপি সহজলভ্য কৰিছে।

বৈদ্যুতিন মাধ্যমত প্ৰযুক্তিৰ সংযোজনৰ ফলত ৰেডিঅ' আৰু টেলিভিছনৰ যোগেদি লাভ কৰা অনুষ্ঠানসমূহ আৰু অধিক মনোগ্ৰাহী হৈ পৰিছে। কম্পিউটাৰ, ম'বাইলফোন আদি নৱ মাধ্যমৰ উদাহৰণ। ইণ্টাৰনেট সেৰা হৈছে প্ৰযুক্তিৰ অন্যতম এক মাধ্যম যিয়ে সামাজিক মাধ্যমসমূহত বহুল প্ৰভাৱৰ সৃষ্টি কৰিছে।

(সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২৪ 'গণতন্ত্ৰ আৰু প্ৰচাৰ মাধ্যম'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট দিনৰ বাতৰি কাকতৰ প্ৰধান বাতৰিসমূহ পঢ়িব।

(২) নিজ নিজ অঞ্চলত উপলব্ধ বাতৰি কাকত আৰু আলোচনীবোৰ সংগ্ৰহ কৰা আৰু তলৰ তালিকাখন প্ৰস্তুত কৰা।

বাতৰি কাকতৰ নাম	আলোচনীৰ নাম

(৩) দূৰদৰ্শনত চাই ভাল পোৱা আৰু ৰেডিঅ'ত শুনি ভাল পোৱা প্ৰিয় অনুষ্ঠানসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

প্ৰিয় অনুষ্ঠানৰ নাম	প্ৰচাৰণৰ মাধ্যম

(৪) ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যমৰ পাৰ্থক্য বিচাৰি তলৰ তালিকাখন প্ৰস্তুত কৰা।

ছপা মাধ্যম	বৈদ্যুতিন মাধ্যম

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(৫) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিও দেখুৱাব।

- https://diksha.gov.in/play/collection/do_3134672990642503681414?contentId=do_31346802748438937611281

মূল্যায়ন ঃ

(১) তলত দিয়া ছবিবোৰৰ পৰা ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যম চিনাক্ত কৰি লিখা।

চিত্ৰ ৫৭

(ক).................................

চিত্ৰ ৫৮

(খ).................................

চিত্ৰ ৫৯

(গ).................................

চিত্ৰ ৬০

(ঘ).................................

(২) দলগত কাৰ্যঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দুটা দলত ভাগ কৰি সামাজিক মাধ্যমৰ সুফল আৰু কুফলৰ ওপৰত আলোচনা কৰিবলৈ দিব।

৩। **ক্ষেত্ৰ (Domain)ঃ** আমাৰ আৰ্থ-সামাজিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ কৃষি

শিকনৰ ফলাফল ঃ নিজৰ অঞ্চল বা ৰাজ্যখনত উৎপাদিত প্ৰধান শস্যসমূহ, কৃষিৰ প্ৰকাৰ আৰু বিভিন্ন প্ৰকাৰৰ কৃষি পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰিব পৰা।

শিকনৰ উদ্দেশ্য ঃ
- স্থানীয় শস্যসমূহ চিনাক্ত কৰিব পৰা।
- অৰ্থনৈতিক খণ্ডসমূহৰ বিষয়ে অৱগত হোৱা।
- বিভিন্ন কৃষি পদ্ধতিৰ বিষয়ে অৱগত হোৱা।
- কৃষিৰ ভিন্ ভিন্ প্ৰকাৰৰ বিষয়ে ব্যাখ্যা কৰিব পৰা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

ঋতু অনুসৰি শস্যসমূহক দুটা ভাগত ভাগ কৰিব পাৰি।



অসমত বিশেষভাৱে ধান, ফল-মূল, যেনে— আম, কঠাল, মধুৰিআম, কল, লিচু, নেমুটেঙা, অমিতা, মটৰ, বগৰী, শাক-পাচলি, আলু আৰু বিলাহী খেতিৰ বাবে উপযোগী।

স্থায়িত্ব, কৃষিক্ষেত্ৰৰ আকাৰ, আৰ্থিক দিশ, মাটিৰ গুণাগুণ, জলবায়ু ইত্যাদিৰ ওপৰত ভিত্তি কৰি কৃষিৰ প্ৰকাৰ ভিন্ ভিন্ হয়। তলত কৃষিৰ প্ৰকাৰৰ ধাৰণা চিত্ৰত দেখুওৱা হৈছে-



খেতিৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰা হয় নাঙল আৰু যুঁৱলি। ইয়াৰ উপৰিও মৈ, কোৰ, ওখোন, হোলোঙা, কাঁচি আদি সজুলিও পৰম্পৰাগত কৃষি পদ্ধতিত ব্যৱহাৰ কৰা হয়। জনসংখ্যা বৃদ্ধি, সময় ৰাহি, কমসংখ্যক শ্ৰমিক আদি কেইবাটাও দিশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান কৃষি ক্ষেত্ৰত আধুনিক কৃষি পদ্ধতিয়েও স্থান পাবলৈ সক্ষম হৈছে। উচ্চ উৎপাদনক্ষম জাতৰ বীজ (HYV seeds) ব্যৱহাৰকে আৰম্ভ কৰি মাটি চহোৱাৰ বাবে ব্যৱহাৰ কৰা ট্ৰেক্টৰ (Plough tractor), পুলি ৰোপন কৰা যন্ত্ৰ (Transplanter) বীজ ৰোপন কৰাৰ বাবে মাটিৰ ওপৰ অংশ সমান কৰা যন্ত্ৰ (Cultipacker), বীজ ৰোপন কৰা যন্ত্ৰ (Seed drills machine), খেতিত সাৰ দিবলৈ ব্যৱহাৰ কৰা বাহক (Manure spreader), উন্নত জলসিঞ্চন ব্যৱস্থা আদি আধুনিক কৃষি পদ্ধতিৰ প্ৰধান অংশ।

কৃষকে উৎপাদন কৰা কৃষিজাত সামগ্ৰীসমূহ উদ্যোগখণ্ড আৰু সেৱাখণ্ডৰ লগত জড়িত। ধান হৈছে কেঁচা সামগ্ৰী, মিলৰ সহায়ত ধানৰ পৰা চিৰা মধ্যৱৰ্তী সামগ্ৰী হিচাপে লাভ কৰা হয়। চিৰাসমূহ বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হৈ বজাৰত বিতৰণৰ বাবে সাজু হয় আৰু এই বিতৰণত যাতায়াতৰ প্ৰয়োজন হয় যি অৰ্থনীতিৰ তৃতীয় খণ্ড অৰ্থাৎ সেৱা খণ্ডৰ অন্তৰ্গত।

কৃষিখণ্ড, উদ্যোগখণ্ড আৰু সেৱাখণ্ড অৰ্থনীতিৰ এই তিনিওটা খণ্ডৰ লগত বিভিন্ন বৃত্তিৰ লোক জড়িত হৈ আছে। গ্ৰাম্য অঞ্চলত প্ৰধানকৈ মানুহ কৃষিখণ্ডৰ সৈতে জড়িত যদিও বৰ্তমান সময়ত উদ্যোগখণ্ড আৰু সেৱাখণ্ডৰ অন্তৰ্গত বৃত্তিৰ সৈতেও জড়িত। নগৰ অঞ্চলত মানুহ প্ৰধানকৈ উদ্যোগখণ্ড আৰু সেৱাখণ্ডৰ বিভিন্ন বৃত্তিৰ সৈতে জড়িত।

চিত্ৰ ৬১

কৃষিখণ্ড

চিত্ৰ ৬২

সেৱাখণ্ড

উৎস : via Wikimedia Commons

চিত্ৰ ৬৩

উদ্যোগখণ্ড

(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২০ ‘কৃষি, উদ্যোগ আৰু সেৱাখণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ’ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীয়ে নিজৰ চৌপাশে দেখা পোৱা শস্যসমূহৰ নাম সংগ্ৰহ কৰি তলৰ তালিকাখন প্ৰস্তুত কৰিব। প্ৰত্যেকে তালিকাসমূহ শ্ৰেণীত উপস্থাপন কৰিব।

শস্যৰ নাম	উৎপাদনৰ সময়	মাটিৰ ওপৰত হোৱা শস্য	মাটিৰ তলত হোৱা শস্য

(২) শিক্ষকে ধান, ঘেঁহু, সঁৰিয়হ আদি ভিন্ ভিন্ শস্যৰ বীজ আনি ছাত্ৰ-ছাত্ৰীক বীজসমূহৰ সৈতে পৰিচয় কৰাই দিব।

(৩) অৰ্থনীতিৰ তিনিওটা খণ্ডৰ সৈতে জড়িত জীৱিকাসমূহ উল্লেখ কৰি তলৰ তালিকাখন প্ৰস্তুত কৰা।

খণ্ডসমূহ	জীৱিকা
(১) কৃষি খণ্ড	
(২) উদ্যোগ খণ্ড	
(৩) সেৱা খণ্ড	

(৪) পৰম্পৰাগত আৰু আধুনিক কৃষি পদ্ধতিৰ পাৰ্থক্য বিচাৰি উলিয়াই তলৰ তালিকাখন প্ৰস্তুত কৰা।

পৰম্পৰাগত কৃষি পদ্ধতি	আধুনিক কৃষি পদ্ধতি

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচি

(৫) তলত দিয়া লিংকটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উক্ত শিকন ফলাফলৰ লগত জড়িত ভিডিও দেখুৱাব।

- https://diksha.gov.in/play/collection/do_31346513566553702412863?contentId=do_3134652583205273601162

মূল্যায়ন ঃ

(১) তলৰ ছবিসমূহৰ পৰা বাৰিষা আৰু খৰালি কালত হোৱা শস্যসমূহ চিনাক্ত কৰি নামবোৰ লিখা।

চিত্ৰ ৬৪

(ক)..................................

চিত্ৰ ৬৫

(খ)..................................

চিত্ৰ ৬৬

(গ)..................................

চিত্ৰ ৬৭

(ঘ)..................................

চিত্ৰ ৬৮

(ঙ)..................................

(৬) তলৰ ছবিসমূহৰ পৰা পুৰণি কৃষি সঁজুলি আৰু আধুনিক কৃষি সঁজুলি বাছি উলিয়াই নামবোৰ লিখা ।



চিত্ৰ ৬৯



চিত্ৰ ৭০

(ক)...................................

(খ)...................................

চিত্ৰ ৭২



চিত্ৰ ৭১

(গ)...................................

(ঘ)...................................



চিত্ৰ ৭৩

(ঙ)...................................

(৩) দলগত কাৰ্যঃ

ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অঞ্চলত ব্যৱহাৰ কৰা কৃষি পদ্ধতিসমূহৰ বিষয়ে তালিকা প্ৰস্তুত কৰি দলীয় আলোচনা কৰিব।

https://diksha.gov.in/play/collection/do_31346513566553702412863?contentId=do_3134652583205273601162

ৰাজনীতি খণ্ড

১। ক্ষেত্ৰ (Domain)ঃ আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ শাসন ব্যৱস্থা

শিকন ফলাফল ঃ গণতন্ত্ৰত সমতাৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰিব।

শিকন উদ্দেশ্য ঃ

- গণতান্ত্ৰিক ব্যৱস্থাৰ ভিতৰত বিভিন্ন ধৰণৰ বৈষম্য, যেনে- আৰ্থ-সামাজিক বৈষম্য, জাতি, ধৰ্ম, বৰ্ণ আৰু লিংগ অনুসৰি বৈষম্য আৰু সুযোগৰ অসমান সুবিধা চিনাক্ত কৰিব পৰা।
- সমতাকে ধৰি গণতন্ত্ৰৰ মূল নীতিসমূহৰ বিষয়ে অৱগত হোৱা আৰু গণতান্ত্ৰিক সমাজৰ নীতি-নিয়মসমূহ বুজি পোৱা।
- গণতান্ত্ৰিক সমাজত থকা বৈষম্যক প্ৰত্যাহ্বান জনোৱা ঐতিহাসিক ঘটনা আৰু আন্দোলনসমূহৰ বিষয়ে অন্বেষণ কৰিবলৈ শিকা। উদাহৰণস্বৰূপে- নাগৰিক অধিকাৰ আন্দোলন, ভোটাধিকাৰ আন্দোলন, শ্ৰমিক অধিকাৰ আন্দোলন আদি।

আনুমানিক সময় ঃ ১৫ মিনিট

বৰ্ণনা ঃ

গণতান্ত্ৰিক ব্যৱস্থাত সমতাৰ অৰ্থ হ'ল সমাজৰ প্ৰতিজন ব্যক্তিৰ পটভূমি, পৰিচয় বা পৰিস্থিতি বা বৰ্ণ নিৰ্বিশেষে সমান অধিকাৰ, সুযোগ আৰু সন্মান থকা অৱস্থাক বুজায়।

গণতন্ত্ৰত সমতাৰ গুৰুত্ব এনে ধৰণৰ —

(১) সমতা গণতান্ত্ৰিক ব্যৱস্থাৰ মূল নীতি। সেয়েহে গণতান্ত্ৰিক সমাজত সকলোৰে সমান অধিকাৰ আৰু সুযোগ থাকিব লাগে।

(২) গণতান্ত্ৰিক সমাজত সকলো নাগৰিকে যাতে আইনৰ অধীনত সমসুৰক্ষা লাভ কৰে সেয়া সমতাই নিশ্চিত কৰে। সমতাৰ ব্যৱস্থাই বৈষম্য ৰোধ কৰে। জাতি, লিংগ, ধৰ্ম, বৰ্ণ বা আৰ্থ-সামাজিক স্থিতি আদি যিয়েই নহওক কিয় সকলোৰে ন্যায়ৰ সুবিধা লাভ কৰাতো সমতাই নিশ্চিত কৰে।

(৩) গণতন্ত্ৰত সমতাই ৰাজনৈতিক প্ৰক্ৰিয়াত সকলোৰে সমান সুযোগ সুবিধা থকাতো বুজায়। ইয়াৰ ভিতৰত ভোটদানৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ, মতামত প্ৰকাশ কৰাৰ অধিকাৰ আৰু ৰাজহুৱা বিতৰ্কত লিপ্ত হোৱাৰ অধিকাৰো অন্তৰ্ভুক্ত।

(৪) সমতাই সমাজৰ সকলো সদস্যৰ মাজত নিজৰ বুলি ভবাৰ অনুভৱৰ সৃষ্টি কৰে আৰু সামাজিক সংহতিৰ সৃষ্টিৰ পোষকতা কৰে।

(৫) গণতন্ত্ৰত সমতাই অৰ্থনৈতিক সমৃদ্ধিত অৰিহণা যোগাব পাৰে। সকলোৰে শিক্ষা, কৰ্মসংস্থাপন আৰু উন্নতিৰ বাবে প্ৰয়োজনীয় সম্পদৰ সুবিধা লাভ কৰে।

(৬) প্ৰতিজন ব্যক্তিয়ে নিজৰ সামাজিক মৰ্যাদা, জাতি, লিংগ, ধৰ্ম বা বৰ্ণ নিৰ্বিশেষে সিদ্ধান্ত গ্ৰহণ বা চৰকাৰ গঠন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ সমান সুযোগ পোৱাতো সমতাই নিশ্চিত কৰে। ইয়াৰ ফলত ন্যায্য প্ৰতিনিধিত্ব নিশ্চিত হয়।

(৭) মতামত, দৃষ্টিভংগী, অভিজ্ঞতাৰ বৈচিত্ৰ্যতা আদিয়ে গণতন্ত্ৰ শক্তিশালী কৰি তোলে। সমতাই সকলো লোকৰ বৈচিত্ৰ্যময় মতক অন্তৰ্ভুক্ত কৰিবলৈ উৎসাহিত কৰে।

(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২২ 'গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছবিৰ জৰিয়তে দুটা বেলেগ বেলেগ আৰ্থিক অৱস্থাৰ পৰিয়াল দেখুৱাব। উদাহৰণস্বৰূপে, তলত দুখন ছবি দেখুওৱা হৈছে। এই ছবি দুখনৰ ভিত্তিত নিম্নোক্ত প্ৰশ্নবোৰ আলোচনাৰ বাবে উত্থাপন কৰিব।



চিত্ৰ ৭৪



চিত্ৰ ৭৫

(ক) ছবিত দেখুওৱা ব্যক্তি কেইগৰাকীৰ কাৰ কাৰ ভোটদানৰ অধিকাৰ আছে?

(খ) চৰকাৰী সুবিধাসমূহ, যেনে - পানী যোগান, বিদ্যুৎ যোগান, ৰন্ধন গেছ, চৰকাৰী চিকিৎসালয়ত চিকিৎসা আদি লাভ কৰাৰ ক্ষেত্ৰত ছবিত দেখুওৱা কোনটো পৰিয়ালে অগ্ৰাধিকাৰ পোৱা উচিত?

(২) ছাত্ৰ-ছাত্ৰীসকলক এই পাঠটোৰ লগত জড়িত DIKSHAৰ ভিডিঅ' দেখুৱাব।

- https://diksha.gov.in/play/content/do_31264338899894272014300
- https://diksha.gov.in/play/content/do_3126202428939386881316

মূল্যায়ন ঃ

(১) শুদ্ধ / অশুদ্ধ বাছি উলিওৱা—

(ক) অৰ্থনৈতিকভাৱে স্বচ্ছল কোনো এজন ব্যক্তিয়েহে সমতাৰ অধিকাৰ লাভ কৰে।

(খ) গণতন্ত্ৰত প্ৰত্যেকজন নাগৰিকেই চৰকাৰ গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে।

(গ) গণতন্ত্ৰত প্ৰত্যেকজন নাগৰিকে আইনৰ অধীনত সম সুৰক্ষা লাভ কৰে।

(ঘ) শিক্ষিত লোকসকলকহে ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰা হয়।

(২) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া—

(ক) ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত সমতাৰ সংজ্ঞা উল্লেখ কৰা আছে আৰু সকলো ধৰণৰ সামাজিক বৈষম্য নিষিদ্ধ কৰিছে।

(i)১০ নং অনুচ্ছেদ (ii)১২ নং অনুচ্ছেদ (iii)১৫ নং অনুচ্ছেদ (iv)২১ নং অনুচ্ছেদ

(খ) তলৰ কোনটো ভাৰতীয় গণতন্ত্ৰৰ মূল বৈশিষ্ট্য?

(i) ভ্ৰাতৃত্ববোধ (ii) সমতা (iii) ন্যায় (iv) স্বাধীনতা

(গ) ভাৰতত প্ৰচলিত বৈষম্যৰ সাধাৰণ ৰূপটো তলৰ কোনটোৰ লগত জড়িত?

(i) যৌতুক প্ৰথাৰ লগত (ii) দৰিদ্ৰতাৰ লগত (iii) জাতি-ভেদ প্ৰথাৰ লগত (iv) শিক্ষা ব্যৱস্থাৰ লগত

(৩) **দলগত কাৰ্যঃ**

ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ভিন্নতা অনুসৰি বেলেগ বেলেগ গোটত ভাগ কৰিব।

গোটবোৰৰ মাজত সকলোৰে সম অধিকাৰৰ বিষয়ে যুক্তি-তৰ্ক কৰিবলৈ দিব।

২। ক্ষেত্ৰ (Domain) ঃ আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ শাসন ব্যৱস্থা

শিকন ফলাফল **বিধান সভাৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ বৰ্ণনা**

শিকন উদ্দেশ্য ঃ

- বিধান সভাৰ গঠন আৰু সদস্যসকলৰ ভূমিকা সম্পৰ্কে ধাৰণা লাভ কৰা।
- বিধান সভাৰ আসন সম্পৰ্কে অৱগত হোৱা।
- বিধান সভাৰ নিৰ্বাচনত অংশগ্ৰহণ কৰা প্ৰাৰ্থীৰ যোগ্যতা আৰু ভোটাৰ হ'বলৈ হ'লে প্ৰয়োজনীয় যোগ্যতা সম্পৰ্কে অৱগত হোৱা।
- নিৰ্বাচন প্ৰক্ৰিয়াৰ লগত জড়িত বিভিন্ন পৰ্যায় ব্যাখ্যা কৰিব পৰা।
- নিৰ্বাচন আয়োগৰ ভূমিকা সম্পৰ্কে ধাৰণা লাভ কৰা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

বিধান সভা হৈছে এখন ৰাজ্যৰ বিধান মণ্ডল। এখন ৰাজ্যৰ নিৰ্বাচনী সমষ্টিসমূহৰ পৰা জনসাধাৰণে একোজনকৈ প্ৰতিনিধি বিধান সভালৈ নিৰ্বাচন কৰি পঠায়। তেওঁলোকক বিধায়ক বোলা হয়। বিধান সভাৰ কাৰ্যকাল ৫বছৰ। বিধান সভাৰ মূল কাম হ'ল— আইন প্ৰণয়ন কৰা, ৰাজ্যৰ আয়-ব্যয়ত অনুমোদন জনোৱা আদি। এই বিধান সভাৰ নিৰ্বাচন পৰিচালনা কৰে নিৰ্বাচনী আয়োগে। ইয়াৰ নিৰ্বাচনৰ লগত কেইবাটাও পৰ্যায় জড়িত হৈ আছে। সেইবোৰ হ'ল—

নিৰ্বাচনৰ ঘোষণা → মনোনয়ন → নিৰ্বাচনী প্ৰচাৰ → ভোটদান প্ৰক্ৰিয়া → ভোট গণনা → নিৰ্বাচনৰ ফলাফল → বিধানসভা গঠন

চিত্ৰ ৭৬ ঃ ৰাজহুৱা সভা



চিত্ৰ ৭৭ ঃ ভোটদান কেন্দ্ৰ

Source: Wikimedia

চিত্ৰ ৭৮ ঃ অসম বিধান সভা

Source: Wikimedia

চিত্ৰ ৭৯ ঃ বিধান সভাৰ ভিতৰচৰা

(ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথিৰ পাঠ নং ২৩ 'কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ' আৰু সপ্তম শ্ৰেণীৰ পাঠ্যপুথিখনৰ পাঠ নং ২৩ 'নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰক্ৰিয়া'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ অঞ্চল কোনটো বিধানসভা সমষ্টিৰ অন্তৰ্গত আৰু তাৰ বিধায়কগৰাকীৰ নাম কি সেয়া সংগ্ৰহ কৰিব।

(২) তলত বিধানসভাৰ নিৰ্বাচন ফলাফলৰ এখন কাল্পনিক তালিকা দিয়া হৈছে। এই তালিকাখনৰ ভিত্তিত কোনটো দলে সংখ্যাগৰিষ্ঠ ভোট লাভ কৰিছে আৰু কোনটো দলে চৰকাৰ গঠন কৰিব, এনে ধৰণৰ প্ৰশ্ন উত্থাপন কৰিব।

বিধানসভাৰ মুঠ আসনৰ সংখ্যা ১২৬ টা	
বিধানসভা নিৰ্বাচনৰ ফলাফল	
ৰাজনৈতিক দল	লাভ কৰা আসনৰ সংখ্যা
A	৫০
B	১০
C	০৭
D	২৮
E	১৭
F	১০
G	০৪

তালিকা ৬

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) সাধাৰণতে বিধান সভাৰ নিৰ্বাচন কিমান বছৰৰ মূৰে মূৰে অনুস্থিত কৰা হয়?

(i) ৫ বছৰৰ (ii) ৬ বছৰৰ (iii) ৪ বছৰৰ (iv) ৭ বছৰৰ

(খ) অসমৰ বিধানমণ্ডলক কি বুলি জনা যায়?

(i) ৰাজ্যসভা (ii) লোকসভা (iii) সংসদ (iv) বিধানসভা

(গ) বিধান সভাৰ এটি অন্যতম কাম কি?

(i) আইন প্ৰণয়ন কৰা (ii) বিবাদ মীমাংসা কৰা (iii) নিৰ্বাচন অনুষ্ঠিত কৰা
(iv) নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা

(২) **দলগত কাৰ্যঃ**

অসমৰ বৰ্তমানৰ চৰকাৰখন গঠন কৰাৰ বাবে ২০২১ চনত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ ভিত্তিত তলত দিয়া বিষয়বোৰ উত্থাপন কৰি এটা প্ৰকল্প প্ৰস্তুত কৰা।

- নিৰ্বাচনৰ ঘোষণাৰ তাৰিখ
- মনোনয়ন পত্ৰ দাখিলৰ অন্তিম তাৰিখ
- মনোনয়ন লাভ কৰা প্ৰাৰ্থীৰ নামৰ তালিকা
- কিমানটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল
- ভোট গণনাৰ তাৰিখ (পৰ্যায়ক্ৰমে)
- ফলাফল ঘোষণাৰ তাৰিখ
- সংখ্যাগৰিষ্ঠতা লাভ কৰা দলৰ নাম

৩। ক্ষেত্ৰ (Domain) ঃ আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ শাসন ব্যৱস্থা

শিকন ফলাফল ঃ ৰাজহুৱা সুবিধা, যেনে- পানী, অনাময় ব্যৱস্থা, ৰাস্তা-ঘাট, বিদ্যুৎ আদি প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা চিনাক্ত কৰিব আৰু স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত গ্ৰাম্য আৰু নগৰীয়া স্থানীয় শাসন ব্যৱস্থাসমূহৰ কাৰ্যকলাপৰ সম্পৰ্কে অৱগত হ'ব।

শিকন উদ্দেশ্য ঃ

- স্বাস্থ্য আৰু শিক্ষা সেৱা পৰিচালনাৰ ক্ষেত্ৰত গ্ৰাম্য আৰু নগৰীয়া স্থানীয় চৰকাৰী সংস্থাসমূহৰ গাঁঠনি আৰু ভূমিকা বুজি পোৱা।
- জনসাধাৰণৰ স্বাস্থ্য সেৱা আৰু শিক্ষাৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত স্থানীয় চৰকাৰী সংস্থাসমূহৰ মূল কামসমূহ চিনাক্ত কৰিব পৰা।
- স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত গ্ৰাম্য আৰু চহৰীয়া জনসাধাৰণৰ নিৰ্দিষ্ট প্ৰয়োজনীয়তাসমূহ পূৰণৰ ক্ষেত্ৰত স্থানীয় চৰকাৰী সংস্থাসমূহৰ গুৰুত্ব ব্যাখ্যা কৰিব পৰা।
- ফলপ্ৰসূ স্বাস্থ্যসেৱা আৰু শিক্ষা সেৱা প্ৰদানৰ ক্ষেত্ৰত স্থানীয় চৰকাৰী সংস্থাসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ বিশ্লেষণ কৰিব পৰা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

স্থানীয় চৰকাৰী সংস্থাসমূহে সম্প্ৰদায়সমূহক অত্যাৱশ্যকীয় ৰাজহুৱা সুবিধা প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকে তৃণমূল পৰ্যায়ত স্বাস্থ্যসেৱা, শিক্ষা, পানী যোগান, অনাময়, পথ আৰু বিদ্যুৎ আদি সেৱাৰ তদাৰক আৰু পৰিচালনা কৰে।নিজৰ অঞ্চলত নিৰ্দিষ্ট প্ৰয়োজনীয়তাসমূহ বুজি পাই এই সংস্থাসমূহে দক্ষতাৰে সম্পদ আৱণ্টন কৰিব পাৰে আৰু স্থানীয় বাসিন্দাসকলৰ জীৱনৰ মান উন্নত কৰাৰ বাবে নিৰ্ধাৰিত নীতি ৰূপায়ন কৰিব পাৰে। ফলপ্ৰসূ শাসন আৰু স্থানীয় পদক্ষেপৰ জৰিয়তে মৌলিক সুবিধাসমূহৰ বৃদ্ধি, উন্নয়ন কৰাৰ উপৰিও সামগ্ৰিক কল্যাণ সাধনৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগায়। গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত, টাউন কমিটি, পৌৰ নিগম আদি স্থানীয় প্ৰশাসন বা সংস্থাৰ উদাহৰণ।



চিত্ৰ ৮০ ঃ বিদ্যুৎ যোগান ব্যৱস্থা

চিত্ৰ ৮১ঃ গাওঁৰ ৰাস্তা-ঘাট বনোৱা কাৰ্য

উৎসঃhttps://images.app.goo.gl/WH7AvngaX7JpzbY37

চিত্ৰ ৮২ ঃ পানী যোগান আঁচনি

উৎসঃSource: https://images.app.goo.gl/ksWmHia1m1uY37C86

চিত্ৰ ৮৩ ঃ স্বাস্থ্য কেন্দ্ৰ

উৎসঃ https://images.app.goo.gl/8JrjtCJbNUcq3dte9

চিত্ৰ ৮৪ ঃ উন্নত জলসিঞ্চন ব্যৱস্থা

(ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২৪ 'স্থানীয় স্বায়ত্ত শাসন'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীসকলক তলত দিয়া ধৰণে এখন ধাৰণা চিত্ৰ তৈয়াৰ কৰিবলৈ দিব।



(২) ছাত্ৰ-ছাত্ৰীসকল নগৰ অঞ্চল আৰু গাঁও অঞ্চলৰ স্থানীয় শাসন ব্যৱস্থাসমূহৰ কাৰ্যাৱলীসমূহ কি কি তাক তলৰ তালিকা প্ৰস্তুত কৰিব দিব।

নগৰ অঞ্চলৰ স্থানীয় শাসন ব্যৱস্থাসমূহৰ কাম	গাঁও অঞ্চলৰ স্থানীয় শাসন ব্যৱস্থাসমূহৰ কাম

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(৩) ছাত্ৰ-ছাত্ৰীসকলক এই পাঠটোৰ লগত জড়িত DIKSHAৰ ভিডিঅ' দেখুৱাব।

- https://diksha.gov.in/play/content/do_313078367245205504111944
- https://diksha.gov.in/play/content/do_313078379916902400111564
- https://diksha.gov.in/play/content/do_313078350448132096111286
- https://diksha.gov.in/play/content/do_31307839113725542417955

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) গাঁও পঞ্চায়তৰ সদস্যৰ সংখ্যা কিমান?

(i) ১০ জন (ii) ২০ জন (iii) ৩০ জন (iv) ৪০ জন

(খ) জিলা পৰিষদৰ কাৰ্যকাল কিমান বছৰ?

(i) ২ বছৰ (ii) ৩ বছৰ (iii) ৪ বছৰ (iv) ৫ বছৰ

(গ) অসমত স্বায়ত্ত শাসিত জিলা পৰিষদ কিমানখন?

(i) ২ খন (ii) ৩ খন (iii) ৪ খন (iv) ৫ খন

(২) ভৈয়ামৰ যিকোনো দুখন স্বায়ত্ত শাসিত পৰিষদৰ নাম লিখা।

(ক) ---------------------------------------

(খ) ---------------------------------------

(৩) **দলগত কাৰ্যঃ**

স্বাস্থ্য, শিক্ষাখণ্ড আৰু বিদ্যুৎ সেৱা খণ্ডত স্থানীয় চৰকাৰী সংস্থাসমূহৰ ভূমিকাক চিত্ৰিত কৰা পোষ্টাৰ তৈয়াৰ কৰা।

৪। ক্ষেত্ৰ (Domain) ঃ আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ ভাৰতৰ সংবিধান

শিকন ফলাফল ঃ যিকোনো পৰিস্থিতিত মৌলিক অধিকাৰৰ উলংঘা, সুৰক্ষা আৰু প্ৰচাৰ-প্ৰসাৰৰ বাবে জ্ঞান প্ৰয়োগ কৰিব পাৰিব।

শিকন উদ্দেশ্য ঃ

- মৌলিক অধিকাৰৰ ধাৰণা আৰু ব্যক্তিগত স্বাধীনতা ৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ তাৎপৰ্য বুজিব পৰা।
- বিভিন্ন প্ৰসংগত, যেনে—নিয়োগ, শিক্ষা, ৰাজহুৱা সেৱা আদি বিষয়ত মৌলিক অধিকাৰ উলংঘা হ'ব পৰা দৃষ্টান্তবোৰ চিনাক্ত কৰিব পৰা।
- সাংবিধানিক বিধান আৰু ৰাষ্ট্ৰীয় আইনকে ধৰি মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে যিবোৰ আইনী ব্যৱস্থা আছে তাক বিশ্লেষণ কৰিব পৰা।
- সমাজত আৰু কোনো প্ৰতিষ্ঠানৰ ভিতৰত মৌলিক অধিকাৰৰ সজাগতা সৃষ্টি আৰু বলবৎকৰণৰ বাবে কৌশলৰ মূল্যায়ন কৰিব পৰা।

আনুমানিক সময় ঃ ৩০ মিনিট

বৰ্ণনা ঃ

নাগৰিকৰ ব্যক্তিত্বৰ বিকাশ আৰু শান্তিপূৰ্ণ আৰু স্বাচ্ছন্দ্য জীৱন-যাপনৰ বাবে সমাজত এটা সুস্থ বাতাবৰণৰ প্ৰয়োজন। ভাৰতীয় সংবিধানে সেই বাতাবৰণ সৃষ্টিৰ বাবে সংবিধানত কিছুমান অঙ্গীকাৰ কৰিছে। সেইসমূহেই হৈছে মৌলিক অধিকাৰ। ভাৰতৰ সংবিধানত ১৪ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। সেইবোৰ হৈছে—

মৌলিক অধিকাৰ
(১) সমতাৰ অধিকাৰ
(২) স্বাধীনতাৰ অধিকাৰ
(৩) শোষণৰ বিৰুদ্ধে অধিকাৰ
(৪) শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ
(৫) ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ
(৬) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ।

তালিকা ৫

শিশুৰ শিক্ষাৰ অধিকাৰো শিক্ষা আৰু সাংস্কৃতিক অধিকাৰৰ অন্তৰ্ভুক্ত। উক্ত মৌলিক অধিকাৰসমূহ বিভিন্ন সময়ত উলংঘন হোৱা দেখা যায়। সংবিধান প্ৰদত্ত এই মৌলিক অধিকাৰসমূহ খৰ্ব হ'লে নাগৰিকে ন্যায়ালয়ৰ কাষ চাপিব পাৰে। ন্যায়ালয়ে নাগৰিকক সেই অধিকাৰসমূহ লাভ কৰাত সহায় কৰিবলৈ বাধ্য।

(অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ 'ইতিহাস আৰু ৰাজনীতি বিজ্ঞান' পাঠ্যপুথিৰ পাঠ নং ১২ 'মৌলিক অধিকাৰ'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) তলত দিয়া তালিকাখনৰ কোনবিধ কাম কোনটো মৌলিক অধিকাৰৰ লগত জড়িত উল্লেখ কৰিব।

কাৰ্য	মৌলিক অধিকাৰৰ নাম
(ক) বাতৰি কাকতত নিজৰ মতামত ব্যক্ত কৰা	
(খ) নিজ ধৰ্মৰ আচাৰ-আচৰণ পালন কৰা	
(গ) নিজৰ জনগোষ্ঠীয় সংস্কৃতিৰ বিকাশত জড়িত হোৱা	
(ঘ) নিজৰ পছন্দৰ জীৱিকাত জড়িত হোৱা	
(ঙ) মূল্য বৃদ্ধিৰ বিৰুদ্ধে ৰাজহুৱা প্ৰতিবাদত অংশ লোৱা	

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(২) ছাত্ৰ-ছাত্ৰীসকলক এই পাঠটোৰ লগত জড়িত DIKSHAৰ ভিডিঅ’ দেখুৱাব।

- https://diksha.gov.in/play/content/do_31264338899894272014300

মূল্যায়ন ঃ

(১) তলত দিয়া ঘটনাবোৰে কোনটো মৌলিক অধিকাৰ খৰ্ব হোৱা সূচাইছে—

(ক) মাক কবিতাই তেওঁৰ ছোৱালী ৰুমিক নাম ভৰ্ত্তি কৰিবলৈ ঘৰৰ ওচৰৰে বিদ্যালয় এখনলৈ লৈ গৈছিল। কিন্তু প্ৰধান শিক্ষকে অনুমতি নিদিলে।

(খ) বৰুৱাহঁতৰ ঘৰত নতুনকৈ কাম কৰা ছোৱালী এজনী আনিছে। তাইৰ বয়স হেনো ৯বছৰ।

(২) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) শিশু শ্ৰমিক প্ৰতিৰোধ আইন কেতিয়া বলৱৎ কৰা হৈছিল?

(i) ২০০৪ চনত (ii) ২০০৫ চনত (iii) ২০০৬ চনত (iv) ২০০৭ চনত

(খ) নাগৰিকসকলে মৌলিক অধিকাৰৰ পৰা বঞ্চিত হ’লে কাৰ সহায় ল’ব পাৰে?

(i) আইনৰ (ii) গাওঁবুঢ়াৰ (iii) শিক্ষকৰ (iv) লগৰীয়াৰ

(গ) ভাৰতীয় সংবিধানে দেশৰ নাগৰিকসকলৰ কাৰণে কিমানটা মৌলিক অধিকাৰ প্ৰদান কৰিছে?

(i) ৪ টা (ii) ৫ টা (iii) ৬ টা (iv) ৭ টা

(৩) **দলগত কাৰ্যঃ**

মানৱীয় অধিকাৰসমূহৰ বিশ্বজনীন ঘোষণা (Universal Declaration of Human Rights)ত উল্লেখ থকা মানৱ অধিকাৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰি সেই অধিকাৰসমূহৰ ওপৰত কোলাজ বনাব বা ইমোজি (Emoji) বনাব।(https://www.teachingexpertise.com/social-studies/human-rights- activity-for-student/)

৫। ক্ষেত্ৰ (Domain) ঃ আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ ভাৰতৰ সংবিধান

শিকন ফলাফল ঃ **আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিষয়ে ধাৰণা লাভ কৰিব।**

শিকন উদ্দেশ্য ঃ

- আইন কাক বোলে তাৰ বিষয়ে ধাৰণা লাভ কৰা।
- বিভিন্ন প্ৰকাৰৰ আইন চিনাক্ত কৰিব পৰা।
- আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰ সম্পৰ্কে অৱগত হোৱা।
- আইন প্ৰণয়নৰ লগত জড়িত ব্যক্তি আৰু ব্যৱস্থা সম্পৰ্কে অৱগত হোৱা।
- বিল এখন কেনেদৰে বিতৰ্ক আৰু আলোচনাৰ মাজেৰে গৈ আইনলৈ ৰূপান্তৰিত হয় তাৰ বিষয়ে ধাৰণা লাভ কৰা।
- আইন প্ৰণয়নত জনমতৰ ভূমিকা মূল্যায়ন কৰিব পৰা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

যিকোনো আইন প্ৰণয়নৰ প্ৰক্ৰিয়া আৰম্ভ হয় এক সমস্যা আৰু তাৰ সমাধান বিচৰাক কেন্দ্ৰ কৰি। দেশৰ সাধাৰণ নাগৰিক, কোনো গোট বা অনুষ্ঠান, কোনো চৰকাৰী বিষয়া অথবা সমাজ কৰ্মী আদিয়ে এই ক্ষেত্ৰত আগভাগ ল'ব পাৰে। দেশখনৰ নাগৰিকে সন্মুখীন হোৱা কোনো সমস্যা, যাৰ বিষয়ে কোনো নিৰ্দ্দিষ্ট আইন ইতিমধ্যে প্ৰণয়ন হোৱা নাই বা যদি প্ৰণীত আইনত শুধৰণি বা নতুন দিশ/ সমস্যাৰ সমাধান বিচাৰি নাপায়, তেতিয়া নতুন আইন প্ৰণয়নৰ বাবে দাবী উত্থাপন কৰিব পাৰি। প্ৰথমে নিৰ্দ্দিষ্ট সমস্যাটোৰ সমাধান হিচাপে ভবা নীতিক বিধেয়কলৈ ৰূপান্তৰিত কৰা হয়। বিধেয়ক হৈছে এখন প্ৰস্তাৱিত আইনৰ খচৰা। ইয়াক আইনী বিশেষজ্ঞৰ দ্বাৰা লিখা আৰু তাৰ পাছত সংসদত এজন সদস্য অৰ্থাৎ সাংসদে উত্থাপন কৰে। এই ক্ষেত্ৰত লোকসভা বা ৰাজ্যসভাৰ যিকোনো এখন বাছি ল'ব পাৰে। পিছত এই বিধেয়কখন তলত উল্লেখ কৰা তিনিটা পাঠৰ মাজেৰে পাৰ হৈ যায়।

প্ৰথম পাঠ	বিধেয়কখন উত্থাপন কৰা হয় আৰু ইয়াৰ মূল বিধানসমূহ ব্যাখ্যা কৰা হয়। ইয়াৰ পাছত বিধেয়কখন নাকচ কৰিব লাগে নে অধিক বিবেচনা কৰিব লাগে এই বিষয়ে সদনে সিদ্ধান্ত লয়। যদি ইয়াক নাকচ কৰা নহয় তেন্তে ইয়াক দ্বিতীয় পাঠলৈ পঠোৱা হয়।
দ্বিতীয় পাঠ	বিধেয়কখনৰ প্ৰতিটো দফা আলোচনা কৰি ইয়াক বিতংভাৱে পৰীক্ষা কৰা হয়। বিধেয়কখনৰ কিবা সংশোধন কৰিব লগা থাকিলে কৰি দিয়া হয়।
তৃতীয় পাঠ	সংশোধিত বিধেয়কখনৰ ওপৰত বিতৰ্ক হয়। কিন্তু আকৌ তাক সংশোধন কৰা নহয়। শেষত বিধেয়কখনৰ সপক্ষে আৰু বিপক্ষে ভোট লোৱা হয়। যদি উপস্থিত সদস্যৰ সংখ্যাগৰিষ্ঠতাই বিধেয়কখনৰ সপক্ষে ভোট দিয়ে তেতিয়া ইয়াক সদনত গৃহীত কৰা হ'ল বুলি গণ্য কৰা হয়। তাৰ পিছত বিধেয়কখন আনটো সদনলৈ প্ৰেৰণ কৰা হয়, য'ত একে ধৰণৰ প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হয়। যদি দুয়োখন সদনে বিধেয়কখন গৃহীত কৰে তেন্তে ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে প্ৰেৰণ কৰা হয় আৰু ৰাষ্ট্ৰপতিয়ে এবাৰ সন্মতি দিলে ই আইনত পৰিণত হয়।

উদাহৰণস্বৰূপে, শিশু শিক্ষাৰ অধিকাৰ আইন, ২০০৯ আইন প্ৰণয়ন প্ৰক্ৰিয়াটো তলত উল্লেখ কৰা হ'ল—

শিশুৰ শিক্ষাৰ অধিকাৰ আইন, ২০০৯

এই আইন অনুসৰি ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰে বিনামূলীয়াকৈ শিক্ষা লাভ কৰাটো বাধ্যতামূলক। সংবিধানৰ ২১(ক) অনুচ্ছেদত উল্লেখ কৰা এই মৌলিক অধিকাৰ প্ৰত্যেক শিশুৰ ক্ষেত্ৰত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ দায়বদ্ধ। এই আইনখন প্ৰণয়নৰ প্ৰক্ৰিয়াটো তলত উল্লেখ কৰা হ'ল—

প্ৰথম পৰ্যায়

খচৰা প্ৰস্তুত কৰা

শিশুৰ শিক্ষাৰ অধিকাৰ আইনখনৰ খচৰা প্ৰস্তুত কৰাৰ সময়ত জনসাধাৰণৰ মতামত লোৱা হৈছিল। ফলত পৰৱৰ্তী কেইবছৰমানৰ ভিতৰত বিলখনৰ বহুতো ভিন্ন সংস্কৰণৰ সৃষ্টি হৈছিল। এয়াই হৈছে অংশগ্ৰহণ প্ৰক্ৰিয়া।

দ্বিতীয় পৰ্যায়

মন্ত্ৰীসভাৰ অনুমোদন

খচৰা চূড়ান্ত হোৱাৰ পিছত কেন্দ্ৰীয় কেবিনেটত অনুমোদনৰ বাবে দাখিল কৰা হয়। ২০০৮ চনত কেন্দ্ৰীয় কেবিনেটে এই বিধেয়কখনত অনুমোদনৰ মোহৰ লগায়।

তৃতীয় পৰ্যায়

সংসদৰ সদনৰ মাজেৰে গৃহীত

ইয়াৰ পিছত অনুমোদিত বিধেয়কখন ৰাজ্যসভা আৰু লোকসভাৰ সন্মুখত ৰখা হয়। ২০০৯ চনৰ ২০ জুলাইত ৰাজ্যসভাই আৰু ২০০৯ চনৰ ৪ আগষ্টত লোকসভাই এই বিধেয়ক গৃহীত কৰে।

চতুৰ্থ পৰ্যায়

ৰাষ্ট্ৰপতিৰ সন্মতি

সংসদৰ দুয়োখন সদনত গৃহীত হোৱাৰ পাছত বিধেয়কখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে প্ৰেৰণ কৰা হয়। ২০০৯ চনৰ ২৬ আগষ্টত ৰাষ্ট্ৰপতিয়ে সন্মতি দি স্বাক্ষৰ কৰে।

পঞ্চম পৰ্যায়

কাৰ্যকৰীকৰণ

আইনখনত উল্লেখ কৰা বা চৰকাৰে সিদ্ধান্ত লোৱা তাৰিখৰ পৰা ইয়াৰ কাৰ্যকৰী কৰা হয়। সেই তাৰিখটো হৈছে ২০১০ চনৰ ১ এপ্ৰিল।

উৎসঃ Wikimedia

চিত্ৰ ৮৫ ঃ সংসদ

উৎসঃ Wikimedia

চিত্ৰ ৮৬ঃ সংসদৰ ভিতৰচৰা

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ লগত জড়িত যিকোনো এটা সমস্যা চিনাক্ত কৰি তাৰ সমাধান উলিওৱাৰ বাবে তলত উল্লেখ কৰা ধৰণে আগবঢ়াব দিব।

১) সমস্যা চিনাক্তকৰণ

আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ ধাৰণা লাভ কৰাৰ পাছত শ্ৰেণীকোঠা বা বিদ্যালয়ৰ লগত জড়িত যিকোনো সাধাৰণ সমস্যা এটা চিনাক্ত কৰি ইয়াৰ সমাধান উলিয়াব লাগিব।

বিল প্ৰস্তাৱ কৰা

এই সমস্যাটো সমাধান কৰাৰ বাবে বিল এখন প্ৰস্তুত কৰি উলিয়াব। লগতে এই বিলখনৰ সম্ভাব্য সুবিধা আৰু অসুবিধাসমূহ বিবেচনা কৰিব।

আলোচনা

এই প্ৰস্তাৱিত বিলখনৰ প্ৰভাৱৰ ওপৰত আলোচনা কৰিব।

ভোটদান

আলোচনাৰ পাছত বিলখন গৃহীত হ'ব নে নাই তাৰ সপক্ষে আৰু বিপক্ষে ভোট গ্ৰহণ কৰিব। গৰিষ্ঠসংখ্যকে ভোট দান কৰিলে বিলখন গৃহীত হ'ব।

বিলখন গৃহীত হোৱাৰ পাছৰ পৰ্যায়খিনি ৰাষ্ট্ৰপতিৰ ভূমিকা পালন কৰিব দি কেনেদৰে বিল এখন আইনলৈ পৰিৱৰ্তন হয় তাক বুজাই দিব।

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) বিধেয়ক এখন আইনত পৰিণত হ'বলৈ কেইটা পাঠৰ মাজেৰে পাৰ হৈ আহিব লাগে?

(i) এটা (ii) দুটা (iii) তিনিটা (iv) চাৰিটা

(খ) সংসদত গৃহীত হোৱা বিধেয়ক এখন আইনত পৰিণত হ'বলৈ কোনে স্বাক্ষৰ কৰিব লাগে?

(i) মুখ্যমন্ত্ৰীয়ে (ii) ৰাজ্যপালে (iii) প্ৰধানমন্ত্ৰীয়ে (iv) ৰাষ্ট্ৰপতিয়ে

(২) ভাৰতৰ সদন দুখনৰ নাম কি কি?

(ক) ---

(খ) ---

(৩) আমাৰ দেশত বলৱৎ হোৱা যিকোনো দুখন আইনৰ নাম লিখা লগতে কোন চনত বলৱৎ হৈছিল উল্লেখ কৰা।

(৪) **দলগত কাৰ্যঃ**

শিশুৰ শিক্ষাৰ অধিকাৰ আইন, ২০০৯ৰ আইন প্ৰণয়ন প্ৰক্ৰিয়াটো বৰ্ণনা কৰা।

৬। ক্ষেত্ৰ (Domain) ঃ আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ ভাৰতৰ সংবিধান

শিকন ফলাফল ঃ **বৈচিত্ৰ্য আৰু বৈষম্যৰ বিষয়ে ধাৰণা লাভ কৰা।**

শিকন উদ্দেশ্য ঃ

- বৈচিত্ৰতাৰ ধাৰণা লাভ কৰা।
- সমাজত বৈচিত্ৰ্যতাৰ ধাৰণাটোৰ গুৰুত্ব ব্যাখ্যা কৰিব পৰা।
- বৈষম্যতাৰ ধাৰণা সম্পৰ্কে অৱগত হোৱা।
- ব্যক্তি আৰু সমাজৰ ওপৰত বৈষম্যৰ প্ৰভাৱ বিশ্লেষণ কৰিব পৰা।
- সমাজৰ সকলো ব্যক্তিক সমান মূল্য দিয়াৰ লগতে সমাজত সমতা আৰু ন্যায়পৰায়ণতাক প্ৰসাৰিত কৰাত বৈচিত্ৰ্যতা আৰু বৈষম্যতাৰ গুৰুত্ব বুজি পোৱা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

সমাজ এখনত বাস কৰা লোকসকলৰ মাজত কেতবোৰ দিশত পাৰ্থক্য থকা দেখা যায়। জাতি, বৰ্ণ, ধৰ্ম, লিংগ, আৰ্থ-সামাজিক অৱস্থা, ৰাজনৈতিক মতাদৰ্শ, ৰীতি-নীতি আদি ভিন ভিন সমাজৰ লোকসকলৰ মাজত পৃথক পৰিচয় থাকে। ৰাজনৈতিকভাৱে সমাজৰ এই ভিন্নতাকেই বৈচিত্ৰ্যতা বোলা হয়। এই সুকীয়া পৰিচয়ক স্বীকৃতি দি এক সমাজ হিচাপে থকা কাৰ্যকে আমি বৈচিত্ৰ্যতাৰ মাজত একতা বুলি কওঁ। সমাজৰ অংগ হিচাপে শ্ৰেণীকোঠাতে হওঁক বা কৰ্মস্থলীতে হওঁক নিজৰ মাজৰ ভিন্নতাক পাহৰি সকলো ব্যক্তিকে অন্তৰ্ভুক্ত কৰা উচিত। আনহাতে, বৈষম্যতাৰ অৰ্থ হ'ল— বিভিন্ন শ্ৰেণীৰ লোকৰ লগত বিশেষকৈ জাতি, বয়স বা লিংগ, ধৰ্ম আদিৰ ভিত্তিত অন্যায় বা পক্ষপাতিত্বমূলক ব্যৱহাৰ। ইয়াৰ লগত কাৰোবাৰ ব্যক্তিগত বৈশিষ্ট্যৰ বাবে নাইবা কোনো এটা নিৰ্দ্দিষ্ট গোটৰ অন্তৰ্গত হোৱা বাবে তেওঁলোকৰ লগত অলপ বেলেগ ধৰণে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, কাৰোবাক লিংগ বা জাতিৰ বাবে চাকৰি নিদিয়াটো একপ্ৰকাৰৰ বৈষম্য।

গতিকে সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠাৰ কাৰণে বৈচিত্ৰ্য আৰু বৈষম্যৰ গুৰুত্ব উপলব্ধি কৰাটো প্ৰয়োজনীয়।

উৎসঃ pixabey.com

চিত্ৰ ৮৭ঃ অনৈক্যৰ মাজত ঐক্য

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

১। *সাংস্কৃতিক মেলাঃ* এখন সাংস্কৃতিক মেলাৰ আয়োজন কৰি নিজ নিজ অঞ্চলৰ সমাজৰ বিভিন্ন সংস্কৃতিবোৰ খাদ্য-সম্ভাৰ, বস্ত্ৰশিল্প, গীত-মাত নাচ-গান আদিৰ প্ৰদৰ্শনীৰ জৰিয়তে উপস্থাপন কৰিব। ইয়াৰ দ্বাৰা আমাৰ বৈচিত্ৰ্যময় সমাজৰ ছবি এখন ফুটি উঠিব।

২। *সংস্কৃতিৰ টোপোলাঃ* প্ৰত্যেকেই তেওঁলোকৰ নিজৰ নিজৰ সংস্কৃতিক প্ৰতিনিধিত্ব কৰা বস্তুবোৰ, যেনে— খাদ্য-সম্ভাৰ, শিল্পকৰ্ম, সাজ-পাৰ, বাদ্যযন্ত্ৰ আদি এখন মোনাত ভৰাই লৈ আহিব। (নিজৰ সাধ্যানুসাৰে)
প্ৰত্যেকেই নিজৰ লগত অনা বস্তুবোৰ কিয় বাছি লৈছিল আৰু বস্তুবোৰৰ ব্যৱহাৰ তথা তাৎপৰ্য ব্যাখ্যা কৰিব। লগতে এই বস্তুবোৰে সংস্কৃতিৰ বিষয়ে কি প্ৰতিনিধিত্ব কৰে তাক উপস্থাপন কৰিব।
ইয়াৰ পিছত তেওঁলোকে ইজনে আনজনৰ সংস্কৃতিৰ বিষয়ে কি শিকিলে সেই বিষয়ে আলোচনা কৰিব।

৩। *কোলাজ বনোৱা কাৰ্যঃ* বিভিন্ন সংস্কৃতি, জাতি, ধৰ্ম, আদিক প্ৰতিনিধিত্ব কৰা বিভিন্ন চিত্ৰ সংগ্ৰহ কৰি বা নিজে আঁকি লগতে শব্দৰ জৰিয়তে এখন কোলাজ বনাব আৰু উপস্থাপন কৰিব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচি

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) যেতিয়া সকলো ধৰ্মাৱলম্বী লোকক সমান সন্মান আৰু অধিকাৰ প্ৰদান কৰা হয় তেতিয়া তাক কি বুলি জনা যায়?

(i) বৈষম্যতা (ii) বৈচিত্ৰতা (iii) স্বাধীনতা (iv) ধৰ্ম নিৰপেক্ষতা

(খ) সমাজৰ দুৰ্বল আৰু পিছপৰা শ্ৰেণীক কোনে সুৰক্ষা প্ৰদান কৰে?

(i) ৰাজ্যই (ii) ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানে (iii) জনজাতিসমূহে (iv) জিলাই

(গ) যেতিয়া কোনো লোকে আন কোনো লোকৰ ক্ষেত্ৰত পক্ষপাতিত্বমূলক ব্যৱহাৰ কৰে, তেতিয়া তাক কি বুলি জনা যায়?

(i) বিচ্ছেদ (ii) অহংকাৰ (iii) অপৰাধ (iv) বৈষম্য

(২) ভাৰতৰ প্ৰচলিত দুটা বৈষম্যমূলক প্ৰথাৰ উদাহৰণ দিয়া।

(ক) --

(খ) --

(৩) সমাজত বৈষম্যৰ কু-প্ৰভাৱ ৰোধ কৰাৰ দুটা উপায় উল্লেখ কৰা।

(ক) --

(খ) --

(৪) **দলগত কাৰ্যঃ**
অসমতা আৰু বৈষম্যতাৰ বিৰুদ্ধে ভাৰতীয় সংবিধানে উল্লেখ কৰা সাংবিধানিক সুৰক্ষা তিনিটাৰ বিষয়ে উল্লেখ কৰা।

৭। **ক্ষেত্ৰ (Domain) ঃ** আমাৰ ৰাজনৈতিক জীৱন

ষ্ট্ৰেণ্ড (Strand) ঃ লিঙ্গ বৈষম্য

শিকন ফলাফল ঃ

- **সমাজৰ বিভিন্ন শ্ৰেণীৰ মহিলাসকলে সন্মুখীন হোৱা (অসুবিধাৰ) সমস্যাৰ কাৰণসমূহ আৰু ইয়াৰ পৰিণতিসমূহ বিশ্লেষণ কৰিব।**
- **ভাৰতৰ বিভিন্ন অঞ্চলৰ মহিলাসকলৰ সাফল্য আৰু কৃতিত্বসমূহ চিনাক্ত কৰিব।**

শিকন উদ্দেশ্য ঃ

- লিংগ ভূমিকা বুলিলে এজন ব্যক্তিৰ বাবে বা নিজৰ লিংগৰ বাবে সমাজে নিৰ্ধাৰণ কৰি দিয়া ভূমিকা সম্পৰ্কে ক'ব পৰা।
- পিতৃতান্ত্ৰিক আৰু মাতৃতান্ত্ৰিক সমাজৰ পাৰ্থক্য ব্যাখ্যা কৰিব পৰা।
- লিংগ ভূমিকাই বহু ক্ষেত্ৰত সৃষ্টি কৰা বৈষম্যৰ বিষয়ে আলোচনা কৰিব পৰা/ মতামত দিব পৰা।

আনুমানিক সময় ঃ ৪০ মিনিট

বৰ্ণনা ঃ

লিংগৰ ধাৰণাঃ

ইংৰাজী Sex আৰু Gender এই দুয়োটা শব্দৰ ক্ষেত্ৰতে অসমীয়াত লিংগ শব্দটো ব্যৱহাৰ হোৱা দেখা যায়। আচলতে দুয়োটা শব্দই বেলেগ বেলেগ অৰ্থ বহন কৰে।

Sex অৰ্থাৎ যৌন লিংগই পুৰুষ আৰু মহিলাক পৃথক কৰা জৈৱিক বৈশিষ্ট্যক বুজায়। এই বৈশিষ্ট্য সমূহৰ ওপৰত ভিত্তি কৰি সাধাৰণতে পুৰুষ, মহিলা বা অন্তঃ লিংগ হিচাপে শ্ৰেণীভুক্ত কৰা হয়। সেয়া জৈৱিক লিংগ। আনহাতে, Gender (লিংগ) শব্দটোৱে পুৰুষ বা মহিলা হোৱাৰ বাবে সমাজে সৃষ্টি কৰি লোৱা কিছুমান নীতি-নিয়ম বা ধাৰণাক বুজায়। এই নীতি-নিয়মবোৰে পুৰুষ হিচাপে আচৰণ, কাম-কাজ, সাজ-পোছাক আদি কেনে হোৱা উচিত তাৰ ধাৰণা দিয়ে। ঠিক তেনেদৰে মহিলাৰ আচৰণ, কাম-কাজ, সাজ-পোছাক, শাৰীৰিক ভংগীমা কেনে হোৱা উচিত, এই ধৰণৰ ধাৰণা দিয়ে। সেয়া হ'ল সামাজিক লিংগৰ ধাৰণা।

লিংগৰ ভূমিকাঃ

লিংগ ভূমিকাই সামাজিক আচৰণগত নীতিক বুজায় যিবোৰ এটা নিৰ্দিষ্ট সংস্কৃতিৰ ভিতৰত এটা নিৰ্দিষ্ট লিংগৰ ব্যক্তিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হয়। তাৰ ওপৰত ভিত্তি কৰিয়ে ব্যক্তিসকলে তেওঁলোকৰ লিংগ পৰিচয়, যেনে- সাজ-পোছাক, আচৰণ আৰু যোগাযোগ কেনেদৰে হ'ব লাগে তাক নিৰ্ধাৰণ কৰে। ইয়াৰ ভিতৰত কেৰিয়াৰ বা জীৱিকা বাচনি, ঘৰুৱা কামৰ দায়িত্ব, ব্যক্তিগত সম্পৰ্ক আনকি ব্যক্তিগত আত্মপ্ৰকাশ আদিও অন্তৰ্ভুক্ত। লিংগ ভূমিকাই সাংস্কৃতিক, ঐতিহাসিক আৰু সমাজৰ প্ৰেক্ষাপটত গভীৰভাৱে শিপাই আছে। অৱশ্যে সময়ৰ লগে লগে ইয়াৰ মাজত থকা পাৰ্থক্যবোৰ ক্ৰমান্বয়ে কমি আহিছে।

পৰম্পৰাগত লিংগ ভূমিকাই সমাজত বৈষম্যৰ সৃষ্টি কৰাৰ কেইটামান দিশ হ'ল—

অৰ্থনৈতিক বৈষম্য	(ক) একে কামৰ বাবে মহিলাসকলে প্ৰায়ে পুৰুষতকৈ কম উপাৰ্জন কৰা দেখা যায়। এই লিংগ অনুসৰি দৰমহাৰ ব্যৱধান বহু দেশ আৰু উদ্যোগত অটুট থাকে। (খ) পৰম্পৰাগত লিংগ ভূমিকাই মহিলাসকলৰ কিছুমান চাকৰি বা জীৱিকাৰ সুবিধা সীমিত কৰে। (গ) ঘৰুৱা কাম আৰু যত্ন লোৱা কাৰ্যত মহিলাসকলক অৰ্থনৈতিকভাৱে কম মূল্য দিয়া হয় আৰু কামৰ স্বীকৃতি দিয়া নহয়।
সামাজিক আৰু সাংস্কৃতিক বৈষম্য	কিছুমান অঞ্চলত সাংস্কৃতিক বা পৰম্পৰাগত নীতি-নিয়মে ছোৱালীতকৈ ল'ৰাৰ শিক্ষাক অগ্ৰাধিকাৰ দিয়ে, যাৰ ফলত মহিলাৰ সাক্ষৰতা, শৈক্ষিক অৰ্হতা অৰ্জনৰ হাৰ আৰু প্ৰতিনিধিত্ব কম হয়।
ৰাজনৈতিক বৈষম্য	ৰাজনৈতিক আৰু সামাজিক প্ৰতিনিধিত্ব, অৰ্থাৎ নেতৃত্ব আদি ক্ষেত্ৰতো যথেষ্ট বৈষম্য দেখা যায়।

১৯শতিকাত মহিলাৰ অধিকাৰৰ বাবে এক গুৰুত্বপূৰ্ণ সময় আছিল, য'ত উল্লেখযোগ্য সংগ্ৰাম আৰু মাইলৰ খুঁটিৰ সৃষ্টি হৈছিল। এই সময়ছোৱাত তেওঁলোকৰ সমতাৰ যুঁজৰ মূল দিশসমূহ আছিল—

১। শিক্ষাৰ সুবিধা লাভ
২। সম্পত্তিৰ অধিকাৰ
৩। নিয়োগৰ ক্ষেত্ৰত শ্ৰমিক আন্দোলন
৪। ভোটাধিকাৰ লাভ
৫। দাসত্ব প্ৰথাৰ বিলোপবাদী আন্দোলন
৬। সাহিত্য আৰু সংস্কৃতিৰ দিশত নাৰীবাদী ধাৰণাক সবল কৰা আদি।

তালিকা ৭

ইতিহাসৰ পাতত বহু মহিলাই পৰম্পৰাগতভাৱে চলি অহা পুৰুষৰ আধিপত্য থকা ক্ষেত্ৰসমূহত প্ৰৱেশ কৰি নিজৰ কৰ্ম আৰু ব্যক্তিত্বৰ জৰিয়তে সমাজত নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰাৰ লগতে সুনাম কঢ়িয়াই আনিছে। তাৰ ভিতৰত কেইগৰাকী ব্যক্তিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

(১) এলিজাবেথ ব্লেকৱেল (১৮২১-১৯১০)ঃ

১৮৪৯ চনত আমেৰিকাত চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী লাভ কৰা প্ৰথম গৰাকী মহিলা।

উৎসঃ Wikimedia

চিত্ৰ ৮৮ঃ এলিজাবেথ ব্লেকৱেল

(২) মেৰী কিউৰি (১৮৬৭-১৯৩৪)ঃ

পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানত ক্ৰমে ১৯০৩ আৰু ১৯১১ চনত নোবেল বঁটা লাভ কৰা একমাত্ৰ ব্যক্তি।

উৎসঃ Wikimedia

চিত্ৰ ৮৯ঃ মেৰী কিউৰি

(৩) আমেলিয়া ইয়াৰহাৰ্ট (১৮১৭-১৯৩৭)ঃ

১৯৩২ চনত আটলাণ্টিক মহাসাগৰৰ ওপৰেৰে এককভাৱে উৰাজাহাজ চলোৱা প্ৰথম গৰাকী মহিলা বিমান পৰিচালক আছিল।

উৎসঃ Wikimedia

চিত্ৰ ৯০ঃ আমেলিয়া ইয়াৰহাৰ্ট

(৪) সাবিত্ৰীবাই ফুলে (১৮৩১-১৮৯৭)ঃ

শিক্ষয়িত্ৰী, সমাজ সংস্কাৰক, মহিলাৰ অধিকাৰৰ বাবে মাত মতা অন্যতম ব্যক্তি।

উৎসঃ Wikimedia

চিত্ৰ ৯১ঃ সাবিত্ৰীবাই ফুলে

(৫) বীৰুবালা ৰাভা (১৯৫৪-২০২৪)ঃ

ডাইনী হত্যাৰ লগতে সমাজৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ দূৰীকৰণৰ বাবে সদায় কাম কৰি অহা এগৰাকী সমাজ সংস্কাৰক।

উৎসঃ Wikimedia

চিত্ৰ ৯২ঃ বীৰুবালা ৰাভা

ভাৰত চৰকাৰে মহিলা আৰু শিশুৰ আধিকাৰবোৰক সুৰক্ষা দিয়াৰ নিমিত্তে বহুতো আঁচনি বা কাৰ্যপন্থা হাতত লৈ আহিছে। তাৰ ভিতৰত উল্লেখযোগ্য আঁচনি হ'ল - 'বেটি বচাও, বেটি পঢ়াওঁ' অৰ্থাৎ ছোৱালী সন্তানক সুৰক্ষা দিয়া আৰু পঢ়িবলৈ সুযোগ-সুবিধা প্ৰদান কৰা।

(সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ পাঠ নং ২১ 'শ্ৰমৰ সমমৰ্যাদা আৰু সমমূল্য'ৰ সহায়ত)

পৰামৰ্শমূলক ক্ৰিয়াকলাপ ঃ

(১) ছাত্ৰ-ছাত্ৰীসকলক সৰু সৰু গোটত ভাগ কৰি প্ৰতিটো গোটক তলৰ তালিকাখনত ভাগ কৰাৰ দৰে নিজৰ ঘৰৰ দৈনন্দিন কাম-কাজবোৰ ভাগ কৰিব। তালিকাখন সম্পূৰ্ণ হোৱাৰ পিছত প্ৰশিক্ষাৰ্থীৰ মতামত বিচাৰিব যে ইয়াৰ কোনবোৰ কাম উভয়ে কৰিব পাৰে যদিও এজনকহে জাপি দিয়া হয় বা এজনেহে লিংগৰ ভিত্তিত কৰি আহিছে।

পৰিয়ালত লিংগ ভূমিকাঃ-

পুৰুষ সদস্যই কৰা কাম	মহিলা সদস্যই কৰা কাম

(২) বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা মহিলাসকলৰ এক তালিকা/ক'লাজ/পোষ্টাৰ প্ৰস্তুত কৰিবলৈ দিব।

প্ৰয়োজনীয় সামগ্ৰীঃ চাৰ্ট পেপাৰ, স্কেল, পেঞ্চিল, ৰবৰ, ৰং পেঞ্চিল, কেঁচী

(৩)

চিত্ৰ ৯৩

ওপৰৰ ছবিকেইখন পৰ্যবেক্ষণ কৰি উত্তৰ লিখাঃ

(ক) পৰিয়ালে ল'ৰাজন আৰু ছোৱালীজনীৰ প্ৰতি লোৱা যত্নত কি তাৰতম্য দেখিবলৈ পাইছা?

(খ) ল'ৰাজন আৰু ছোৱালীজনীয়ে কৰা কামৰ মাজত কিবা পাৰ্থক্য দেখিছানে? যদি দেখিছা কি দেখিছা?

(গ) তোমালোকৰ নিজৰ ভাই-ভনীৰ মাজত এনে পাৰ্থক্য থকা উচিত বুলি ভাবা নে?

মূল্যায়ন ঃ

(১) শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।

(ক) পুৰুষ আৰু মহিলাৰ প্ৰতি সমানে ন্যায়পৰায়ণতা হোৱাটো কিহৰ উদাহৰণ?

(i) লিংগ সংযোগ (ii) লিংগ সমতা (iii) লিংগ বৈষম্যতা (iv) লিংগ বিভাজন

(খ) 'বেটি বচাও, বেটি পঢ়াও' আঁচনিখন কেতিয়া ৰূপায়ন কৰা হৈছিল?

(i) ২৬ জানুৱাৰী, ২০১৫ (ii) ২৬ জানুৱাৰী, ২০১০ (iii) ২২ জানুৱাৰী, ২০১৫ (iv) ২২ জানুৱাৰী, ২০১০

(গ) 'মিছন শক্তি' আঁচনিখন কেতিয়াৰ পৰা কাৰ্যকৰী হৈছিল?

(i) এপ্ৰিল, ২০২০ (ii) এপ্ৰিল, ২০২১ (iii) এপ্ৰিল, ২০২২ (iv) এপ্ৰিল, ২০২৩

(২) তুমি ঘৰুৱা কাম-বনত সহায় কৰানে? যদি কৰা, কি কি কাম কৰা?

(৩) **দলগত কাৰ্যঃ**

প্ৰশিক্ষকে বিদ্যালয়তো লিংগৰ ভিত্তিত কামৰ বিভাজন ছাত্ৰ-ছাত্ৰী/প্ৰশিক্ষাৰ্থীয়ে দেখে নেকি সুধিব আৰু উত্তৰৰ ভিত্তিত আলোচনা কৰিব।

<u>শিকন ফলাফলভিত্তিক শিক্ষকৰ হাতপুথি আৰু প্ৰশিক্ষণ মডিয়ুল প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল</u>

পৰামৰ্শদাতা-

ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

সমল ব্যক্তিসকল-

শ্ৰী ভূবনেশ্বৰ ইংতি, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি
শ্ৰী দীপক তালুকদাৰ, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বাক্সা
শ্ৰী দুৰ্গেশ্বৰ শইকীয়া, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, তিনিচুকীয়া
শ্ৰী হিমাদ্ৰী বাৰ্মা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও
শ্ৰী মনস্বী গোঁহাই, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী মধুমিতা দাস, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী বৰ্ণালী বৰ্মণ, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
শ্ৰী প্ৰিয়ংকা কলিতা, প্ৰবক্তা, শিক্ষণ মহাবিদ্যালয়, নগাঁও

পুনৰীক্ষক-

ড° অজন্তা ব্ৰহ্ম, অতিৰিক্ত সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

সমন্বয়ক-

শ্ৰী বৰ্ণালী বৰ্মণ, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

অলংকৰণ-

শ্ৰী শংকৰ কলিতা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

ডিটিপি-

শ্ৰী ৰবীন্দ্ৰ দেৱ চৌধুৰী